REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library

Assam Legislative Assembly Debates



OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

SEPTEMBER SESSION

NO. - 2

The 19th September, 1995

Price— 34.50

CONTENTS

SEPTEMBER SESSION

NO. - 2

Dated, the 19th September, 1963

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday the 19th September, 1995

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair.

STARRED
Questions & Answers
(To which oral Answers were Given)

Mr. Speaker : It is authorised to question by Shri Karendra Basumatari, Hon'ble Minister Shri Rashidul Haque will reply :

Re : Sukla Project.

Shri Derhagra Musha, asked :

★ 21. Will the Minister of Soil Coservation be pleased to state :

(a) Whether Government have proposed to take up the projects for controlling erosion by the Sukla project of Tamulpur Constituency ?

(b) How many projects have been taken up in the year 1995-96 in the Tamulpur Constituency ?

(c) What are the name of projects ?

শ্রীৰছিদুল হক (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ওপৰত উল্লেখিত Sukla Project ৰ পৰিবর্ত্তে Sukha Project হে হব লাগে যিহেতু Sukla নামৰ কোনো Project নাই ।

(ক) হয় ।

(খ) চাৰিখন আঁচনি ।

(গ) (১) বাল্টিপাৰ নদী নিয়ন্ত্রণ আঁচনি ।

(২) বাল্টিপাৰ ভূমি উন্নয়ন আঁচনি।

(৩) বৰলীয়া জলচ্ছেদ।

(৪) সুখা জলচ্ছেদ।

☆ শ্রীকৰেন্দ্র বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, এইটো প্রিন্টিং মিষ্টেক হৈছে এইটো 'চুখা' হব লাগে। মন্ত্রী মহোদয়ে এটা কথা অনুগ্রহ কৰি জনাবনে যে পাকিয়াজল, কলাজল আদি অঞ্চলত খহনীয়া আৰম্ভ হৈছে ইয়াক প্রতিৰোধ কৰাৰ ব্যৱস্থা লবনেকি ?

☆ শ্রীৰছিদুল হক (মন্ত্রী, ভূমি সংৰক্ষণ) : অধ্যক্ষ মহোদয়, প্রয়োজন হলে নিশ্চয় লোৱাৰ ব্যৱস্থা কৰা হব।

☆ শ্রীকৰেন্দ্র বসুমতাৰী : অধ্যক্ষ মহোদয়, কুলছী আৰু শিংৰা নদীয়ে ইৰোচন আৰম্ভ কৰিছে এইটো প্রটেকচনৰ ব্যৱস্থা কৰিবনে মন্ত্রী মহোদয়ে ?

☆ শ্রীৰছিদুল হক (মন্ত্রী, ভূমি সংৰক্ষণ) : অধ্যক্ষ মহোদয়, পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

☆ শ্রীপানীৰাম ৰাভা : অধ্যক্ষ মহোদয়, চুখা নদীৰ পানী ভূটানৰ পৰা নামি আহে। এই পানীৰ কাৰণে ভূটান চৰকাৰক আমাৰ মানুহে কৰ দিব লগীয়া কথাটো মন্ত্রী মহোদয়ে জানেনে ?

☆ শ্রীৰছিদুল হক (মন্ত্রী, ভূমি সংৰক্ষণ) : অধ্যক্ষ মহোদয়, এই পানীৰ কাৰণে ভূটান চৰকাৰক কৰ দিব লগা বুলি কোৱা কথাটো মই নেজানো, এই তথ্য বর্তমান মোৰ হাতত নাই। বিষয়া সকলৰ লগত আলোচনা কৰি পিচত সদস্য গৰাকীক জনাব পৰা হব।

☆ ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, বর্তমানৰ মন্ত্রী গৰাকী আগতে ফুড প্রচেচিং মন্ত্রী হৈ থাকোতে তেখেতে তেখেতৰ বিভাগতো ক'ত আছে নেজানো বুলি কৈছিল, এতিয়া তেখেতৰ চয়ল কনজাৰভেচনৰ বিভাগটো ক'ত আছে তেখেতে জানেনে ?

☆ শ্রীৰছিদুল হক (মন্ত্রী, ভূমি সংৰক্ষণ) : হয় জানো।

☆ শ্রীনগেন শর্মা : অধ্যক্ষ মহোদয়, চুখাৰ পানীৰ কাৰণে ভূটান চৰকাৰে

Questions And Answers

নলবাৰী জিলাৰ খেতিয়কৰ পৰা নিয়মিত ভাবে পানীৰ কৰ সংগ্রহ কৰি নি আছে, মন্ত্রী মহোদয়ে এই সমস্যাটো সমাধান কৰাৰ ব্যৱস্থা কৰিবনে ? দ্বিতীয়তে চুখাৰ পৰা কিমান পানী প্রতি ঘণ্টাত আহে জনাবনে ?

★ শ্রীৰছিদুল হক (মন্ত্রী, ভূমি সংৰক্ষণ) : অধ্যক্ষ মহোদয়, এই তথ্য মোৰ হাতত নাই ।

Mr. Speaker : Starred question No. 22. Questioner Shri Mohibul Haque.

বিষয় : মতিৰ চৰৰ বান্ধ ।

মঃ মহিবুল হকে সুধিছে :

★ ২২। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ধুবুৰীৰ মতিৰ চৰ বান্ধটোৰ বাবে চৰকাৰে সর্বমুঠ কিমান মাটি অধিগ্রহণ কৰিছে ?

(খ) উক্ত মাটিৰ ক্ষতি পূৰণ কোন তাৰিখৰ ভিতৰত আদায় দিয়াৰ প্রতিশ্রুতি আছিল ?

(গ) প্রতিশ্রুতি মতে ক্ষতিপূৰণ আদায় হলনে ?

(ঘ) যদি হোৱা নাই, ইয়াৰ কাৰণ কি আৰু কেতিয়াৰ ভিতৰত আদায় দিয়া হব ?

শ্রীশৰৎ বৰকটকী (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ধুবুৰী জিলাৰ পশ্চাৎ বান্ধটো নির্মাণৰ বাবে চৰকাৰে মুঠ ৯৯ বিঘা ৪ কঠা ৭ লেচা মাটি অধিগ্রহণ কৰিছিল ।

(খ) উক্ত মাটি অধিগ্রহণৰ বাবদ আদায় দিবলগা ক্ষতিপূৰণ সম্পর্কে কোনো সময় সীমা নির্দ্ধাৰিত কৰি প্রতিশ্রুতি দিয়া হোৱা নাছিল ।

(গ) প্রতিশ্রুতিৰ কথা নুঠে । এতিয়ালৈকে ক্ষতিপূৰণ আদায় দিয়া হোৱা নাই ।

(ঘ) উক্ত মাটি অধিগ্রহণৰ বাবদ প্রস্তুত কৰা মুঠ ২২,৯৯,৪০১·০০ টকাৰ প্রাক্কলন খনৰ অনুমোদন তথা প্রতিস্বাক্ষৰৰ বাবে অসম চৰকাৰৰ বাজহ বিভাগলৈ প্রেৰণ কৰা হৈছে । বাজহ বিভাগৰ অনুমোদন অহা মাহৰ ভিতৰতে

★ Speech not Corrected

আশা কৰিব পাৰি। প্ৰতিস্বাক্ষৰ প্ৰাপ্তিৰ পিছতেই বিভাগীয় মঞ্জুৰী প্ৰদান কৰি ক্ষতিপূৰণ আদায় দিয়াৰ ব্যৱস্থা কৰা হব।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, আজি কিছু দিন আগতে আপোনাৰ নেতৃত্বত অসমৰ বানপানী সমস্যা আৰু তাৰ সমাধান কল্পে আলোচনা কৰিবলৈ আমাৰ ৰাজ্য খনৰ পৰা এটা সৰ্বদলীয় দল দিল্লীলৈ গৈছিল। এই দলটোৱে দিল্লীলৈ গৈ কাৰ লগ ধৰিলে আৰু কি কি কথা পাতিলে আৰু সেই বিষয়ত দিল্লীৰ নেতৃত্বই কি প্ৰতিশ্ৰুতি দিলে সেই বিষয়ে আমি একোৱেই গম নাপালো। গতিকে এই বিষয়ত আমাক জনাব নেকি ?

মাননীয় অধ্যক্ষ : এই বিষয়টো এটা বেলেগ বিষয় আৰু এই প্ৰশ্নটোৰ লগত জড়িত নহয়। গতিকে এই বিষয়ে এতিয়া আলোচনা কৰিব নালাগে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, যিবিলাক মথাউৰি ইতিমধ্যে ভাঙিছে সেইবিলাক মেৰামতি কৰাৰ কাৰণে কোনো ব্যৱস্থা লোৱা আমি দেখা নাই। যদি এই মথাউৰিবোৰ চেপ্তেম্বৰ, অক্টোবৰ মাহৰ পৰাই মেৰামতি কৰাৰ কাৰণে কাম আৰম্ভ নকৰে তেনেহলে সময়ত গৈ কাম একোৱেই নহয়। গতিকেই এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নে ?

★ শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অমাৰ প্ৰায়বোৰ মথাউৰিৰে বয়স প্ৰায় ৫২ বছৰ হৈছে আৰু সেইবোৰ বহু ঠাইত ইতিমধ্যে ভাঙিছে। মই এই বিভাগৰ দায়িত্বভাৰ লোৱাৰ পিচৰে পৰা এই মথাউৰিবোৰ মেৰামতি কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো।

★ শ্ৰীমতী বেণুপমা ৰাজখোৱা : অধ্যক্ষ মহোদয়, যিবোৰ মথাউৰি ৰ'ড কাম বান্ধ হিচাবে ব্যৱহাৰ কৰা হৈছে সেইবোৰ আজি বহুদিন ধৰি মেৰামতি কৰা হোৱা নাই। উদাহৰণ স্বৰূপে গোহাই পখলীয়া বান্ধটো মেৰামতিৰ অভাৱত বহু ঠাইত ভাঙি গৈছে। এনে বান্ধবোৰ মেৰামতি কৰি বান নিয়ন্ত্ৰণৰ লগতে ৰাইজৰ যাতায়তৰ সুচল কৰি তুলিব নে ?

★ Speech not Corrected

☆ শ্রীশৰৎ ৰৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, এনে ধৰণৰ ৰ'ড কাম বান্ধবোৰ যোৱা ৮ বছৰ ধৰি মেৰামতি কৰা হোৱা নাই । এই বান্ধবোৰ মেৰামতি কৰাৰ কাৰণে আমি ব্যৱস্থা কৰি আছো ।

☆ শ্রীমহিবুল হক : অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে মতিৰ চৰত এফালে মথাউৰি বন্ধাৰ কাৰণে চৰকাৰে মাটি অধিগ্রহণ কৰিলে আৰু আনফালে গড়াখহনীয়াই তাৰ লোক সকলক ভূমিহীন কৰি পেলালে । গতিকে এই ভূমিহীন লোক সকলক ভূমি অধিগ্রহণৰ কাৰণে যি ক্ষতিপূৰণ দিব লগা আছে সেই ক্ষেত্রত কি ব্যৱস্থা গ্রহণ কৰিছে ।

☆ শ্রীশৰৎ ৰৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, ক্ষতিপূৰণ দিয়া বিষয়টো ৰাজহ বিভাগৰ লগত জড়িত । গতিকে এই বিষয়ত ৰাজহ বিভাগৰ মন্ত্রী মহোদয়েহে ভালদৰে কব পাৰিব ।

☆ শ্রীগিয়াচুদ্দিন আহ্‌মেদ : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যিটো উত্তৰ দিছে সেইটো আমি মানি লব নোৱাৰো । এই ক্ষতিপূৰণৰ টকা বান নিয়ন্ত্রণ বিভাগেই দিব লাগিব । এই মানুহখিনিক এফালে গড়াখহনীয়াই আৰু আনফালে ভূমি অধিগ্রহণৰ ফলত দূৰৱস্থা হৈছে । গতিকে এই ক্ষেত্রত বান নিয়ন্ত্রণ বিভাগে খৰতকীয়া ব্যৱস্থা গ্রহণ কৰিব নে ?

☆ শ্রীশৰৎ ৰৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই ক্ষেত্রত আমাৰ বিভাগৰ ফালৰ পৰা যিখিনি ব্যৱস্থা গ্রহণ কৰিব লাগে সেইখিনি ইতিমধ্যে কৰা হৈছে । ৰিহ্‌মবাৰচ্‌মেণ্ট বিষয়টো ৰাজহ বিভাগৰ ।

☆ শ্রীমহিবুল হক্‌ : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে অহা মাহৰ ভিতৰত আদায় দিয়াৰ আশ্বাস দিছে, কিন্তু যোৱা ডেৰ বছৰৰ পৰা এনে আশ্বাস পাই আছো । এতিয়া মন্ত্রী মহোদয়ে এটা নির্দ্দিষ্ট দিন বা তাৰিখ জনাবনেকি ?

★ শ্রীশৰৎ ৰৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে অক্টোবৰ মাহৰ ভিতৰত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হব ।

★ Speech not Corrected

★ শ্রীদেৱান জয়নাল আবেদিন : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে উক্ত বান্ধত খহনীয়া আৰম্ভ হৈছে বুলি গম পাইছো। যোৱা বছৰ নির্মাণ কৰা বান্ধটো খহনীয়া হোৱাৰ শংকা হৈছে। মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে যে ধুবুৰী চহৰখন আৰু উক্ত বান্ধ ৰক্ষণাবেক্ষণৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে ?

★ শ্রীশৰৎ বৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, মই ধুবুৰীলৈ যাওতে এই বিষয়ে বিষয়া সকলক এষ্টিমেট তৈয়াৰ কৰিবলৈ কৈছিলো। অহা ২০-২২ তাৰিখে আমাৰ টেক্‌নিকেল কমিটিৰ বৈঠক বহিব আৰু তাত প্রস্তাৱ ডাঙি ধৰা হব।

★ ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয় বান নিয়ন্ত্রণ বিভাগে মথাউৰি নির্মাণৰ কাৰণে খেতিয়ক ৰাইজৰ পৰা মাটি অধিগ্রহণ কৰে কিন্তু সময় মতে ৰাইজক মাটিৰ ক্ষতিপূৰণ নিদিয়ে। গোমী-পলাশবাৰী-নগৰবেৰা বান্ধৰ বাবে বহুত বছৰৰ আগতে বিভাগে মাটি অধিগ্রহণ কৰিলে কিন্তু ক্ষতিপূৰণ এতিয়াও দিয়া নাই। মন্ত্রী মহোদয়ে জনাবনে কিমান টকা এই বান্ধৰ মাটি অধিগ্রহণৰ বাবে দিবলগীয়া আছে ?

★ শ্রীশৰৎ বৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই তথ্য বর্তমান মোৰ হাতত নাই, পিছত সদস্য গৰাকীক দিব পৰা হব।

★ শ্রীমহিবুল হক্ : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে যে এই বান্ধৰ ৪র্থ ফেজৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰিব ?

★ শ্রীশৰৎ বৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, কেতিয়াৰ পৰা আৰম্ভ কৰিম কব নোৱাৰো।

★ শ্রীনজমূল হক্ : অধ্যক্ষ মহোদয়, বান নিয়ন্ত্রণ বিভাগে মথাউৰিৰ বাবে মাটি অধিগ্রহণ কৰে, কিন্তু টকাৰ কাৰণে লিখালিখি কৰিব লাগে বেভিনিউ বিভাগলৈ। যাৰ কাৰণে ৰাইজে ক্ষতিপূৰণ পোৱাত বহুত পলম হয়। এই টকা ই, এণ্ড, ডি বিভাগে নিজাকৈ দিয়াৰ বাবে ব্যৱস্থা লব লাগে। মন্ত্রী মহোদয়ে এনে ব্যৱস্থা লবনে ?

★ Speech not Corrected

Questions And Answers

★ শ্রীশৰৎ বৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই প্রশ্নটো ৰাজহ মন্ত্রীক কৰিলেহে ভাল হব ।

★ শ্রীমতী ৰেণুপমা ৰাজখোৱা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো যোৰহাটৰ টিয়ক অঞ্চলৰ শিমলুগুৰী মৌজাৰ জাজী মথাউৰিৰ বাবে ১৯৬৭ চনতে মাটি অধিগ্রহণ কৰা হ'ল কিন্তু এতিয়াও ক্ষতিপূৰণ দিয়া হোৱা নাই কিয় ? দ্বিতীয় কথা হৈছে ভোগদৈ নৈয়ে মথাউৰি ভাঙিছে, মথাউৰি মেৰামতি কৰা হৈছে কিন্তু তাৰ বাবে টকা এতিয়াও দিয়া নাই, সোনকালে দিয়াৰ ব্যৱস্থা লবনে ?

★ শ্রীশৰৎ বৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, শ্রীমতী ৰাজখোৱাই জাজী মথাউৰিৰ যিটো কথা কৈছে সেইটো অনুসন্ধান কৰি চোৱা হব আৰু ব্যৱস্থা লোৱা হব । ভোগদৈ নদীৰ মথাউৰি নির্মাণ বিষয়ৰ কথাটো আমাৰ টেক্‌নিকেল কমিটিৰ অহা ২২ তাৰিখে বহিবলগা বৈঠকত উত্থাপন কৰা হব ।

Mr. Speaker : Now Starred question No. 23. Questioner Shri Paniram Rabha.

বিষয় : মৰাপাগলদিয়া নদীৰ মথাউৰি ।

শ্রীপানীৰাম ৰাভাই সুধিছে :

★ ২৩। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) বৰমা সমষ্টিৰ মৰাপাগলদিয়া নদীৰ দুয়োপাৰে গৰৰাদল গাওঁ যোৱা বান পানীয়ে মথাউৰি ভঙা বিয়টো মাননীয় মন্ত্রী মহোদয়ৰ অৱগতনে ?

(খ) যদি অৱগত মথাউৰি ভঙা বন্ধ কৰাৰ জৰুৰী ব্যৱস্থা লৈছেনে ? যদি লৈছে, কি ব্যৱস্থা লৈছে জনাবনে ? আৰু যদি লোৱা হোৱা নাই, কিয় লোৱা হোৱা নাই জনাবনে ?

(গ) টিহু বৰমা ব্লকৰ সন্মুখত মৰাপাগলদিয়া নদীৰ গতি পথ সলনি কৰাৰ উপক্রম হৈছে নেকি ?

(ঘ) যদি হৈছে ইয়াৰ প্রতিকাৰৰ কি ব্যৱস্থা লৈছে জনাবনে ?

শ্রীশৰৎ বৰকটকী (বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

★ Speech not Corrected

(ক) হয়, অৱগত ।

(খ) বেয়া হৈ থকা মথাউৰিবোৰ মেৰামতি কৰাৰ কাৰণে এই বছৰৰ ভিতৰত চিন্তা কৰি থকা হৈছে । ইতিমধ্যে উক্ত মৰাপাগলদিয়াৰ মথাউৰিৰ মেৰামতিৰ কাৰণে প্ৰাক্কলন তৈয়াৰ কৰা হৈছে ।

(গ) টিহু বৰমা ব্লকৰ সম্মুখত মৰাপাগলাদিয়া নদীৰ গতি পথ সলনি হোৱাৰ উপক্ৰম পৰিলক্ষিত হোৱা নাই ।

(ঘ) প্ৰশ্ন নুঠে ।

★ শ্ৰীপানীৰাম ৰাভা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে 'খ' প্ৰশ্নৰ উত্তৰত মৰা পাগলদিয়াৰ মথাউৰি মেৰামতিৰ কাৰণে পাক্কলন তৈয়াৰ কৰা হৈছে বুলি কৈছে । গতিকে এই মথাউৰিৰ নিৰ্মাণৰ কাম কেতিয়া কৰা হব সেইটো জনাব নে ?

★ শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে প্ৰাক্কলন তৈয়াৰ কৰি নলবাৰী জিলাৰ উপায়ুক্তৰ ওচৰত দিছো । ইয়াৰ কাৰণে নেচনেল হাইওৱেৰ পৰা টিহু-আখৰা ৰাস্তালৈ ১,৬৩,৮০০/- আৰু ৮৫,২০০/- (দুয়ো পাৰে) টকাৰ প্ৰাক্কলৰ তৈয়াৰ কৰি ডি, চি, ক দিয়া হৈছে ।

★ শ্ৰীপানীৰাম ৰাভা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'গ' প্ৰশ্নৰ উত্তৰত কৈছে যে টিহু-বৰমা ব্লকৰ সম্মুখত মৰাপাগলদিয়া নদীৰ গতিপথ সলনি হোৱাৰ উপক্ৰম পৰিলক্ষিত হোৱা নাই । মই কওঁ যে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক বিভাগীয় বিষয়াই ভুল তথ্য যোগান ধৰিছে । মই মন্ত্ৰী মহোদয়ক পুনৰ অনুৰোধ জনাও যে তেখেতে নিজে গৈ মৰা পাগলদিয়াই বৰমা ব্লকৰ সম্মুখত ভগা অংশটো চাই আহক । বৰমা ব্লক তিনি ফুট বোকাত পোট গৈ আছে । সেইদৰে ভেটেৰীনেৰী, পানী যোগান আৰু গাখীৰ যোগানৰ কাৰ্য্যালয় সমূহো তিনি ফুট বোকাত এতিয়াও পোট গৈ আছে আৰু তাৰ কাৰণে ঘৰবোৰ ভাগি চিগি গৈছে । গতিকে যি সকল বিষয়াই ভুল তথ্য দিছে তেওঁলোকৰ ওপৰত কিবা ব্যৱস্থা লবনে ?

★ শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো মই নিজে গৈ অনু-

সন্ধান কৰিম। মই জনাত বৰমা ব্লকৰ ওচৰত বান নিয়ন্ত্রণ বিভাগৰ এমবেংকমেণ্ট নাই। ১৯৯৫ চনৰ বানপানীত তাত থকা পঞ্চায়ত বান্ধটো কিছু ভাঙি গৈছিল আৰু কিছু ক্ষতি হৈছিল। কিন্তু নদীয়ে সোঁত পৰিবর্ত্তন কৰা আমি দেখিবলৈ পোৱা নাই।

★ শ্রীপানীৰাম বাভা : অধ্যক্ষ মহোদয়, এই ঠাই খিনিত বান নিয়ন্ত্রণ বিভাগে কোনো ধৰণৰ আঁচনি লোৱা নাই বুলি কৈছে। কিন্তু ১৯৮৫ চনত ১৫ লাখ টকাৰ বল্ডাৰ পিট্‌চিংৰ কাম কৰা হৈছিল। এই ঠাইখিনিৰ অৱস্থা অলপ দিন আগতে আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে পৰিদর্শন কৰি আহিছে। গতিকে মই ভাবো যে এই ক্ষেত্রত বিভাগে ভুল তথ্য দিছে। এই ভুল তথ্য দিয়া বিষয়াৰ ওপৰত ব্যৱস্থা কৰিব নে নকৰে ?

★ শ্রীশৰৎ বৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, বৰমাৰ উত্তৰ ফালে বান নিয়ন্ত্রণ বিভাগৰ কোনো মথাউৰি নাই বুলি মোক জনাইছে। যদি আছে তেনেহলে সেইটো মই অনুসন্ধান কৰি ব্যৱস্থা লম।

★ ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, বান নিয়ন্ত্রণ বিভাগৰ টকাৰ অভাৱ হোৱাৰ কাৰণে কিছুমান কাম ডি, আৰ, ডি, এ, ক কৰিবলৈ দিয়া হৈছে বুলি কৈছে। এই ক্ষেত্রত মন্ত্রী মহোদয়ে আমাক এটা কথাৰ আশ্বাস দিব পাৰে নেকি যে বান নিয়ন্ত্রণ বিভাগৰ যিখিনি টকা সেইখিনিৰ কাম তেওঁলোকে নিজে কৰিব। ডি, আৰ, ডি, এ, ক কাম দিলে ভেকো ভাওনাহে হয়।

★ শ্রীশৰৎ বৰকটকী (মন্ত্রী) : অধ্যক্ষ মহোদয়, ডি, আৰ, ডি, এ, ই আমাক এডিচনেল দায়িত্ব দিলে আমি কৰিব পাৰিম।

★ শ্রীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব খোজো যে ডি, আৰ, ডি, এ, ক কোনো মথাউৰিৰ কাম কৰিবলৈ দিব নেলাগে কিয়নো ১৯৯২-৯৩ চনত পলাশবাৰী গুমী প্রজেক্টৰ কাম ডি, আৰ, ডি, এ, ক কৰিবলৈ দিয়া হৈছিল যদিও তেওঁলোকে মাত্র ২ লাখ মান টকাৰ কাম কৰি আৰু বাকী কাম নকৰিলে। তেওঁলোকৰ কোনো টেকনিকেল হেণ্ড নাই আৰু কোনো কাম কৰাৰ ইন্‌টাৰেষ্ট নাই। আনহাতে তেওঁলোকে কাম কৰি

★ Speech not Corrected

বহুতো লেবাৰক টকা দিব পৰা নাই। গতিকে ডি, আৰ, ডি, এ, ক বান নিয়ন্ত্রণ বিভাগৰ মথাউৰি আদি নির্মাণৰ কোনো কাম কৰিব দিব নেলাগে আৰু এইক্ষেত্রত মই ঘোৰ বিৰোধী।

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ কমপ্লিকেটেট। ডি, আৰ, ডি, এ, ক কাম কৰিবলৈ দিয়া হয় স্থানীয় মানুহৰ জৰিয়তে। তেওঁলোক দুখীয়া খেতিয়ক মানুহ। ই-এণ্ড-ডি বিভাগক দিলে কাম বিলাক ঠিকাদাৰে কৰে। কিন্তু ডি, আৰ, ডি,এ যিবিলাক আঁচনি সেইবিলাক স্থানীয় দুখীয়া মানুহৰ যোগেদি কৰা হয়। তেওঁলোকৰ তাত ঠিকাদাৰৰ ব্যৱস্থা নাই। আমি যোৱা ৩ টা বছৰে বান নিয়ন্ত্রৰ কাৰণে টকা পোৱা নাই। এই ৩ টা বছৰত কেন্দ্রীয় চৰকাৰে ৭৫ কোটি টকা দিছিল যদিও তাৰে ৭১ কোটি টকা কাটি ৰাখে। আমি মাত্র ৪ কোটি টকাহে পাওঁ। কিন্তু সেই সময়ত ১২০ টা মথাউৰি ভাঙি আছিল। এই মথাউৰি বিলাক কৰিবৰ কাৰণে ডি, আৰ, ডি, এ, ক দিয়া কথা নাছিল। কিন্তু বান নিয়ন্ত্রণ বিভাগৰ টকা নোহোৱাৰ কাৰণে ডি, আৰ, ডি, এ, বিভাগক কি কৰিবলৈ দিয়া হয়। এই বিষয়ে ই-এণ্ড-ডি বিভাগৰ বিষয়া সকলৰ লগত আলোচনা বিলোচনা কৰি কাম কৰাৰ ব্যৱস্থা কৰে। আৰু মই জনাত বহু কাম ভাল হৈছে। এই ক্ষেত্রত স্থানীয় উপায়ুক্ত সকলৰ লগত ইঞ্জিনিয়াৰ সকলৰ পৰা এচটিমেট কৰি কাম কৰিছে। যদি কোনোবা ঠাইত আসোঁৱাহ হৈছে সেইটো মই চাম। কিন্তু মই জনাত বহুত ঠাইত কাম ভাল হৈছে।

★ শ্রীজয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, এই বিত্তীয় বছৰত কেন্দ্রীয় চৰকাৰৰ পৰা কিমান কোটি টকা দিছে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, ২৫ কোটি টকা দিছে। অহা বছৰত ৫০ কোটি টকা দিব। ঋণ হিচাপে ২৫ কোটি টকা আৰু সাহায্য হিচাপে ২৫ কোটি টকা দিব।

★ শ্রীকৰেন্দ্র বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, দৰং জিলাত বানপানী হৈছে মন্ত্রী মহোদয়ে এই কথাটো জনা নাই। আমাৰ সমষ্টিত মন্ত্রী মহোদয় যোৱা

★ Speech not Corrected

নাই। তেখেতে এবাৰ আমাৰ তাত ঘূৰি আহিব নেকি ?

★ শ্রীশৰৎ বৰকটকী (বাজ্যিক মন্ত্রী) : মঙ্গলদৈ লৈ যোৱাৰ সিদ্ধান্ত কৰিছোঁ যেতিয়া যাম।

Mr. Speaker : Now Starred Question No. 24. Questioner Shri Parameswar Brahma.

Re : University Campus at Kokrajhar.

Shri Parameswar Brahma, Asked :

★ 24. Will the Minister of Education be pleased to State :

(a) What steps has been taken for setting up of Guwahati University Campus at Kokrajhar ?

(b) Will it be started in this current year ?

(c) If not why ?

Shri Hem Prakash Narayan (Minister of State for Secondary Education) replied :

(a) Bodoland Autonomous Council has been requested to allot at least 15 acres of land in or around the Kokrajhar Town for setting up of the Guwahati University Campus at Kokrajhar. Bodoland Autonomous Council has also been requested to provide temporary accommodation for starting the campus as early as possible. Guwahati University authorities have been assured about the availability of fund depending on the Annual Action plan for setting up of the campus. Necessary funds will be released to the University for construction of buildings, entertainment of staff and faculty in a need based manner. Once land is made available, Masterplan

will be prepared for setting up of the campus.

(b) Government. is in touch with the B. A. C. and Guwahati University authorities for starting of the campus as early as possible.

(c) Does not arise.

Shri Parameswar Brahma : Mr. Speaker Sir, this is a long standing deamand and we have been requesting the Government to set up a Campus of the Guwahati University and the Government also agreed that it would be taken up by the Government and in the last budget session of the Assembly also the question came up and the Minister Education assured that within this financial year this would be set up. Though the Minister gave assurance, it appears there is no sincerity to fulfil the assurance in setting up this Campus. My question is that in the field of education and in other matters this area has been neglected. In the field of education the attitude of the Government has not changed for educational development of this area. Sir, I want a clear assurance from the Minister that withthin this financial year this Campus would be set up.

☆ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, এই বিষয়ে অলপ ভুল বুজা-বুজি হৈছে। আমি তাত এটা কেম্পাচ কৰাৰ কাৰণে ২ বছৰৰ আগতে সিদ্ধান্ত লৈছিলো। বড়ো সাহিত্য সভাৰ লগত আলোচনা কৰি লোৱা হৈছিল।

☆ শ্রীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, ১৯৭২-৭৩ চনতে অসম

★ Speech not Corrected

বিধান সভাত মই নিজেই ধুবুৰী জিলাত এটা ইউনিভাৰচিটি কেম্পাচ হব লাগে বুলি এখন বিল উৎথাপন কৰিছিলো। কিন্তু দুর্ভাগ্য বশতঃ তেতিয়াৰ শিক্ষা মন্ত্রী স্বর্গীয় হৰেন্দ্র নাথ তালুকদাৰদেৱে ভোটৰ যোগেদি সেই বিলখন অপ'জ কৰি নাকচ কৰিলে। তাৰ পিচত তেখেতক পাৰচনেলি লগ কৰি সুধিলো কিয় আমাৰ এই প্রস্তাৱটো অপ'জ কৰিলে। কিন্তু আজি এই কথাটো ওলাইছে যেতিয়া মই পুণৰবাৰ চৰকাৰক অনুৰোধ কৰিছো যে ধুবুৰীটো এটা ইউনিভাৰচিটি কেম্পাচ দিব নেকি? কোকৰাঝাৰ জিলাত হোৱাত আমাৰ আপত্তি নাই।

☆ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ধুবুৰী জিলা আৰু কোকৰাঝাৰ জিলা বুলি কথা অহা নাই। ধুবুৰীত এটা পষ্ট গ্রেজুৱেট বিজ্ঞান শাখা খোলা হৈছে।

☆ শ্রীদিলীপ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, ধেমাজি আৰু লক্ষীমপুৰ জিলা শিক্ষাৰ ক্ষেত্রত অসমৰ ভিতৰত পিচপৰা। আমাৰ লক্ষীমপুৰ জিলাটো এটা ইউনিভাৰচিটি কেম্পাচ খোলাৰ ব্যৱস্থা কৰিব নেকি?

☆ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ মহোদয়, ভাইচ চেঞ্চেলাৰক কোৱা হৈছে দিয়াৰ কাৰণে।

Mr. Speaker : Now Starred Question No. 25 Questioner Sri Samarendra Nath Sen.

Re : Erosion of River Barak.

Sri Samarendra Nath Sen Asked :

★ 25. Will the Minister of Flood Control be pleased to State :

(a) Whether the Government is aware that there is serious erosion of River Barak in Silchar Town at Steamer ghat point and at Madhura ghat, New Colony point at Tarapur ?

★ Speech not Corrected

(b) If so, whether the Government would take step to step these erosion ?

Sri Sarat Barkotoky (Minister, Flood Control) replied. :

(a) Yes, the Government is aware of the erosion of River Barak at Steamer ghat, Madhura ghat, and New Colony Tarapur of Silchar Town.

(b) The Department has already framed necessary estimates for protecting all the three locations and these will be implemented as per availability of fund.

Shri Samarendra Nath Sen : Mr. Speaker Sir, may I know from the Minister whether Government is aware because of last erosion Silchar Town has been threatened by the river Barak. If so considering the seriousness of the matter of erosion whether any short term measure would be taken within this financial year.

শ্রীশৰৎ বৰকটকী (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এক কোটি টকাৰ ওপৰত হলে চেণ্ট্রেল ল'ন ৰিৰ্চচত যাব আৰু এক কোটি টকাৰ কম হলে আমি লব পাৰিম ।

Problem of erosion in this reach is continuous since the devastating high flood of May, 1991. The river has throatened the existence of the old steamerghat. Many Government. and private properties are damaged including the steamerghat road-cum-flood protective embankment. Besides the prosperous urban areas of Silchar Town namely Sadarghat, Nutanpatty, Daccaipatty,

Aryapatty, etc. are endangered. The total reach length proposed to be protect under the scheme as stated earlier is 200 metre and the total benefited area is 5 hectares. The scheme has already been recommended by T.A.C. for execution, and the scheme already included in the Annual plan for 1995-96.

Shri Samarendra Nath Sen : But I want to know from the hon'ble Minister a specific information in this regard.

Shri Sarat Barkotoky (Minister) : The schemes have already been recommended but the execution depends upon fund. availability.

Shri Samarendra Nath Sen : That is what I want to know ; When the fund will be available ?

Shri Sarat Barkotoky (Minister) : That I Cannot say.

Shri Dewan Joinal Abedin : In this connection I will also like to know from the Hon'ble Minister wherefrom the fund will come, is it to come from the State plan or from the Central Plan and when the scheme is likely to be implemented ?

★ শ্রীনগেন শর্মা : মাননীয় অধ্যক্ষ মহোদয়, বান নিয়ন্ত্রণ বিভাগক টিপাইমুখ আৰু পাগলদিয়া বান্ধৰ বাবে ২৫ কোটি টকা দিয়া হৈছে বুলি বাতৰি কাকতত প্ৰকাশ পাইছে, এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে জানে নেকি ?

★ শ্রীশৰৎ বৰকটকী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, টিপাইমুখ আৰু পাগলদিয়া বান্ধৰ বাবে টকা দিয়াৰ বিষয়ে মই নাজানো কিন্তু তাৰাপুৰৰ কাৰণে এক কোটি টকা বেলেগে দিছে ।

★ Speech not Corrected

Questions And Answers

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে উত্তৰত কৈছে যে এক কোটি টকা হলে চি, এল, আৰ, ত যায় আৰু এক কোটিৰ তলত হলে আমাৰ ৰাজ্য চৰকাৰে পাৰে। আমাৰ ৰাজ্য-খনত থকা বিভিন্ন শাখা নৈ আৰু উপনৈৰ প্ৰকল্পৰ বাবে এক কোটি টকাৰ অধিক হ'লে চি, এল, আৰ, ৰ বাবে বিবেচনা কৰিব নেকি ?

★ শ্রীশৰৎ বৰকটকী (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এক কোটি টকাৰ অধিক হলেই চি, এল, আৰে, দিব লাগে।

Shri Dewan Joinal Abedin : In this connection I would like to draw his attention to a particular matter. Sir, during the last month a delegation under your leadership..... (interrupted)

Mr. Speaker : Yes. Yes. I will submit my report on it.

Shri Dewan Joinal Abedin : I would like to hear from the Hon'ble Flood Centrol Minister that in the next year before the flood when they will take up it under the State planed as because the fund under State Plan under Flood Control Department is very negligible, I would like to know from the Flood Control Minister whether they will put in a considerable sum of money under the State plan for the purpose. It is ..... (interruption by Mr. Speaker)

Mr. Speaker : It is question hour. There is no scope for any suggestion here. Now Starred Question No. 26.

Re : Construction of Dwibru Dwisha Galley Control Project.

Smti. Pramila Rani Brahma, asked :

★ 26. Will the Minister of Soil Conservation be pleased

---

* Speech not Corrected

to State :

(a) What was the estimated fund for the construction of Dwibru Dwisha galley control project constructed under Patgaon G. P. ?

(b) What quantities of cement, rod and boulders had been estimated and approved ?

(c) Whether all these estimated and approved quantities of materials were fully utilised ?

(d) If not, state the reason ?

শ্রীৰছিদুল হক (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ডিব্রু ডেইচা উল্টা খন্দা প্রকল্পৰ বাবে প্রাক্কলন প্রস্তুত কৰাৰ বাবদ মুঠ ২,৮৬,৫০০/- টকা ধার্য্য কৰা হৈছিল ।

(খ) তলত উল্লেখ কৰা প্রাক্কলনত প্রয়োজনীয় সামগ্রী সমূহ এনে ধৰণৰ :

১। চিমেন্ট— ৪৪৫ বস্তা ।

২। লোহা—

(ক) ৬ মিঃ মিঃ — ৯·০৮ কুইন্টল ।

(খ) ১০ ,, — ৯·৯৯ ,, ।

(গ) ১৬ ,, — ০·৭০ ,, ।

(ঘ) ১২ ,, — ১৩·৫২ ,, ।

৩। শিল — ৫২·৫৬ ঘন মিটাৰ ।

(গ) হয় । সম্পূর্ণৰূপে ব্যৱহাৰ কৰা হৈছে ।

(ঘ) প্রশ্ন নুঠে ।

★ শ্রীমতী প্রমীলা ৰাণী ব্রহ্ম : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্রী মহোদয়ে যি উত্তৰ দিছে সেয়া সম্পূর্ণ সত্য নহয় কাৰণ ডিব্রুডেইচা উল্টা খন্দা প্রকল্পৰ বাবে ৩ লাখ ৪৫ হাজাৰ টকা ধার্য্য কৰা হৈছিল । চিমেন্ট ৪৪৫ বস্তা নহয় আমাৰ কোকৰাঝাৰ চইল কনষ্ট্রাৰভেচনত মাত্র পাঁচ বস্তা

★ Speech not Corrected

চিমেণ্ট দিছে। (ভইচ-চেম, চেম) সেইদৰে ৬ এম, এম, ৰ পৰিবৰ্ত্তে ১০ এম, এম, ৰ লোহাৰ ৰদ ব্যৱহাৰ কৰিছে, শিল মাত্ৰ ৬ ট্ৰাক ব্যৱহাৰ কৰিছে। এই দৰে ভুল তথ্য দি কোকৰাঝাৰ ভূমি সংৰক্ষণ বিভাগৰ ডি, অ' জনে আমাৰ সদনক ভুল পথে পৰিচালনা কৰিছে। এই ডি. অ' জনে শাস্তি পাব লাগে। মন্ত্ৰী মহোদয়ে তদন্ত কৰি এই ডি, অ' জনক শাস্তি দিব নে নাই এই সদনত প্ৰতিশ্ৰুতি দিব লাগে।

★ শ্ৰীৰছিদুল হক (ভূমি সংৰক্ষণ, মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে যিখিনি কথা অবগত কৰিছে, তেখেত কোকৰাঝাৰত থাকে ময়ো কোকৰাঝাৰত গৈ থাকো। মই কথাটো তদন্ত কৰাৰ ব্যৱস্থা কৰিম।

★ শ্ৰীআব্দুল জলিল ৰাগিৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে, ডবকা বজাৰৰ বাবে যিটো ঘৰ বনাই আছে তাৰ বাবে কিমান টকা খৰছ হৈছে ?

★ শ্ৰীৰছিদুল হক (ভূমি সংৰক্ষণ, মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ত বেলেগ প্ৰশ্ন দিলে ভাল হয়।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয়া সদস্যা এগৰাকীয়ে আজি সদনত এটা গুৰুত্বপূৰ্ণ অভিযোগ আনিছে, মন্ত্ৰী মহোদয়ে এইটো বিচাৰ কৰি বিহিত ব্যৱস্থা লবনেকি জনাব লাগে।

মাননীয় অধ্যক্ষ : তেখেতে ইতিমধ্যে উত্তৰ দিছেই।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় সঠিককে উত্তৰ দিয়া নাই। তেখেতে কৈছে যে, সদস্যা গৰাকীক সদায় লগ পাই থাকে। তেখেতে বিহিত ব্যৱস্থা লব বুলি প্ৰতিশ্ৰুতি দিব লাগে।

★ শ্ৰীৰছিদুল হক (ভূমি সংৰক্ষণ, মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই তদন্ত কৰি ব্যৱস্থা লম।

★ ডঃ জয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত ৰৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে, ৪৪৫ বস্তাৰ ভিতৰত মাত্ৰ ৫ বস্তা চিমেণ্ট ব্যৱহাৰ কৰিছে। গতিকে মন্ত্ৰী মহোদয়ে এই হাউচ চলি থকা সময়তে বিষয়তো

★ Speech not Corrected

তদন্ত কৰি কি ব্যৱস্থা ললে হাউচক জনাব লাগে।

★ শ্রীৰছিদুল হক (ভূমি সংৰক্ষণ, মন্ত্রী) : অধ্যক্ষ মহোদয়, অনুসন্ধান কৰি হাউচ চলি থকা অৱস্থাতে জনোৱা হ'ব।

★ শ্রীমিলন চন্দ্র বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো উক্ত আঁচনি কোন বিত্তীয় বছৰৰ আৰু এই আঁচনি টি, এচ, পিৰ অধীনৰ নেকি ?

★ শ্রীৰছিদুল হক (ভূমি সংৰক্ষণ, মন্ত্রী) : অধ্যক্ষ মহোদয়, এই আঁচনি ডি, আৰ, ডি, এৰ।

বিষয় : অসম পেট্রকেমিকেলচ্ আৰু নামৰূপ হিন্দুস্থান সাৰনিগম।

শ্রীশশকমল সন্দিকৈয়ে সুধিছে :

★ ২৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) উজনি অসমৰ প্রকৃতিক গেছৰ ওপৰত নিৰ্ভৰশীল অসম পেট্রকেমিকেলচ্ আৰু নামৰূপ হিন্দুস্থান সাৰ নিগমৰ বাবে ৰাজ্যৰ গেচ এড্ভাইচৰী বোৰ্ডে কেন্দ্রীয় চৰকাৰ গেছ লিনকেজ কমিটি লৈ গেছ আৱণ্টনৰ বাবে কিবা পৰামর্শ আগবঢ়াইছিলনে ?

(খ) এই দুয়োটা শিল্পৰ অসম পেট্রকেমিকেলচৰ প্রস্তাৱিত তৃতীয় উৎপাদন গোট-টোৰ বাবে মুঠ কিমান লক্ষ ঘন মিটাৰ আৰু হিন্দুস্থান সাৰ নিগমৰ নিয়মীয়া উৎপাদন ব্যৱস্থাৰ বাবে মুঠ কিমান লক্ষ ঘন মিটাৰ প্রয়োজন ?

(গ) এই প্রয়োজনৰ ভিত্তিত অসম চৰকাৰে কেন্দ্রীয় চৰকাৰলৈ কিবা প্রস্তাৱ আদি দাখিল কৰিছিল নেকি আৰু যদি কৰা নাই তাৰ কাৰণ ব্যাখ্যা কৰিবনে ?

শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) হয়, পৰামর্শ আগবঢ়াইছে।

(খ) অসম পেট্রকেমিকেলচৰ প্রস্তাৱিত তৃতীয় মিঠানল উৎপাদন গোটৰ বাবে প্রয়োজন ০.২৯ নিযুত ঘন মিটাৰ আৰু হিন্দুস্থান সাৰ নিগমৰ যোৱা কেই-বছৰৰ ব্যৱহাৰ কৰা গেছৰ আৰ্হি চাই নিয়মীয়া উৎপাদনৰ বাবে প্রয়োজন গেছ হ'ল অনুমানিক ৬০ নিযুত ঘন মিটাৰ।

★ Speech not Corrected

(গ) গেছ উৎপাদন কমিটিৰ অনুমোদন ক্ৰমে ভাৰত চৰকাৰলৈ দুয়োটাৰ বাবে প্ৰস্তাৱ দাখিল কৰা হৈছে।

(See the Annexure—I)

★ শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, প্ৰথম প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে পৰামৰ্শ আগবঢ়াইছিল। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে গেচ এড্‌ভাইচৰি কমিটিৰ কোনখন মিটিঙত এই সিদ্ধান্ত লৈছিল আৰু হিন্দুস্তান ফাৰ্টিলাইজাৰ কৰপোৰেশ্বনৰ লগত অসম পেট্ৰোকেমিকেলচ্‌ৰ লগত অনুসন্ধানৰ বাবে কেতিয়া আবেদন কৰিছিল ?

★ শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, ৩-২-৯৪ তাৰিখে গেচ এড্‌ভাইচৰি কমিটি গঠন কৰা হয় আৰু এই কমিটিয়ে সম্পূৰ্ণ আলোচনা-বিলোচনা কৰি পৰামৰ্শ আগবঢ়াইছিল।

★ শ্ৰীশশকমল সন্দিকৈ : চাৰ, কোন তাৰিখে পৰামৰ্শ দিলে আৰু কোন তাৰিখে আবেদন কৰিছিল।

★ শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : চাৰ, ১২-৫-৯৫ তাৰিখত।

★ শ্ৰীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, দ্বিতীয় প্ৰশ্নৰ উত্তৰত কৈছে যে প্ৰস্তাৱ দিছিল এই প্ৰস্তাৱৰ প্ৰতিলিপি সদনত দাখিল কৰিব লাগে আৰু দ্বিতীয় কথা হৈছে অসমত যিটো গেচ এড্‌ভাইচৰি কমিটি আছে সেইটোৰ এটা বদনাম আছে যে অসমক মাহী আইৰ দৃষ্টিৰে চাই সেইটো কমিটিৰ সদস্য কোন কোন জনাবনে ?

★ শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে দিয়া অভিযোগ মানি লবলৈ টান পাইছো এই কাৰণেই যে গেচ এড্‌ভাইচৰি কমিটিৰ চেয়াৰম্যান হ'ল মাননীয় মুখ্য মন্ত্ৰীৰ উপদেষ্টা আৰু সদস্য সকল হৈছে অইলৰ চি-এম-ডি, বি-আৰ-পি-এল, বি-আৰ-এল, ও-এন-জি-চিৰ জেনেৰেল মেনেজাৰ গুৱাহাটী আৰু ডিগবৈ হ'ল মেম্বাৰ। তাৰ উপৰিও উদ্যোগ বিভাগৰ আয়ুক্ত সচিব মেম্বাৰ আৰু এ-আই-ডি-চিৰ এ-ডি হ'ল মেম্বৰ কনভেন'ৰ।

★ Speech not Corrected

☆ শ্রীশশকমল সন্দিকৈ : প্রস্তাৱৰ প্রতিলিপি সদনত দিবনে আৰু প্রতিদিনে অসমত কিমান ঘন মেট্রিক গেচ উৎপন্ন হয় জনাবনে ?

☆ শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) : আমাৰ ইয়াত দুটা অৱগেনাইজেশ্বনৰ পৰা গেচ উৎপন্ন হয় । এটা হৈছে অইল ইণ্ডিয়া আৰু আনটো হৈছে ও-এন-জি-চি । প্রকৃততে আমি দুহাজাৰ চনত যিটো পাইছো আমি আশা কৰিছো দুয়োটা সংগঠনৰ পৰা ৯'৬৪ ঘন মেট্রিক টন হব বুলি । কিন্তু বর্ত্তমান আমাৰ ৪'৯ নে কিহে মাত্র উৎপন্ন হৈছে । ফিগাৰটো সঠিক মনত পৰা নাই ।

☆ শ্রীশশকমল সন্দিকৈ : চাৰ, ৯'৬৪ ঘন মেট্রিক টনৰ পৰা দুহাজাৰ চনত সম্পূর্ণ পাবলৈ হলে এতিয়া আধা অংশ কিয় কম হ'ল সেইটো এটা ষড়যন্ত্র নেকি মন্ত্রী মহোদয়ে জনাবনে ? উৎপন্নৰ কাৰণে খাদ নতুন নতুন খান্দি আছে, গেচ উৎপন্ন হৈয়েই আছে কিন্তু কমি গৈ আছে ।

☆ শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) : চাৰ, এইটো পৰিলক্ষিত হৈছে যে বর্ত্তমান কেচা তেলৰ উৎপাদন বৃদ্ধি নোহোৱাৰ কাৰণে গেচ উৎপাদন কমি গৈছে ।

☆ শ্রীশশকমল সন্দিকৈ : অসমৰ কাৰণে এই দুটা সংগঠনে গেচ উৎপন্ন কৰি আছে তাৰ ভিতৰত কিমান গেচ ওৱেষ্টেজ হৈছে আৰু কিমান ব্যৱহাৰ হৈছে জনাবনে ?

☆ শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) : এইটো তথ্য বর্ত্তমান মোৰ হাতত নাই ।

Mr. Speaker : Now Starred Question No. 28. Questioner Sri Munin Mahanta.

Re : Appointment of Teachers.

Shri Munin Mahanta, Asked :

☆ 28. Will the Minister of Secondary Education be pleased to State :

(a) How many teachers in High School have been appointed during the last 4 years in Marigaon District by the selection Committee ? (Please place a list).

(b) Whether there were any selection list in Marigaon District ?

(c) If yes, (please place a list in the table of the House, with their academic records)

(d) How many B. Ed. applicants applied for Secondary teachers and how many of them got appointments.

(e) Number of B.Ed. applicants still unemployed in Marigaon District ?

Shri Hem Prakash Narayan (Minister of State, Education) replied :

(a) 68 Nos. of candidates were appointed from Selection list of the District Level Selection Committee, Morigaon since 3-2-92 from the date of establishment of Inspectorate office, Morigaon (list enclosed in Annexure—I).

(See the Annexure– II)

(b) Yes.

(c) List will be placed as soon as it is available.

(d) 11 Nos. of B. Ed. applicants applied for Secondary teacher's posts and only 3 Nos. were appointed.

(e) As per information received 8 Nos. of B. Ed. candidates are still un-employed.

★ শ্রীমুনীন মহন্ত : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে চিলেকশ্বন লিষ্ট থকাৰ কথা কৈছে। অথচ সেই চিলেকশ্বন লিষ্ট থকা সত্বেও তাৰ বাহিৰত

* Speech not Corrected

ডিৱেক্টৰেট অফিচৰ পৰা চিধা-চিধি নাম দি মৰিগাওঁ জিলাত নিযুক্তি দিয়া হৈছে নেছি ? যদি হৈছে কিমান হৈছে আৰু যদি তেনে নিযুক্তি হৈছে তেনেহলে নিয়োগ নীতিভঙ্গ কৰা হোৱা নাইনে মন্ত্ৰী মহোদয়ে জনাবনে ?

★ শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : চিলেকশ্বন লিষ্টৰ পৰা ৬৮ জন দিয়া হৈছে আৰু ইয়াৰ পৰা ২৮ জন এড্‌হক নিযুক্তি দিয়া হৈছে।

★ শ্ৰীমুনীন মহন্ত : চিলেকশ্বন লিষ্টৰ পৰা পোৱা সকলে পাওক সেইসকলে নীতি মতে পাইছে কিন্তু চিলেকশ্বন লিষ্টত নাম নথকা ডিৱেক্টৰেটৰ পৰা নাম দিয়া সকলে মৰিগাওঁ জিলাত নিযুক্তি পাইছে নে নাই আৰু যদি পাইছে কি ভিত্তিত পাইছে জনাবনে ?

★ শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : ২৮ জনক এড্‌হক ভিত্তিত নিযুক্তি দিয়া হৈছে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : চাৰ, চলিত অধিবেশনতে শিক্ষা আয়োগৰ ৰিপোৰ্ট দাখিল কৰিব নে ?

★ শ্ৰীমুনীন মহন্ত : এড্‌হক বেচিচত ইয়াৰ পৰা নাম দি নিযুক্তি দিয়াৰ দ্বাৰা নিয়োগ নীতি ভঙ্গ কৰিছে নে নাই, যদি হৈছে এড্‌হক নিযুক্তি বন্ধ কৰিব নে নাই ? কিয়নো তাত নিৰ্ব্বাচিত হোৱা বি-এড ল'ৰাও পৰি আছে। এইটো বৈধ হৈছে নে জনাব লাগে।

★ শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : বৈধ অবৈধৰ কথা পোন-পটীয়াকৈ কব পাৰি। আগতেই মই কৈছো যে ২৮ জনক এড্‌হক বেচিচত নিযুক্তি দিয়া হৈছে। আৰু অকল মৰিগাওঁ জিলাতেই নহয় অসমৰ বিভিন্ন ঠাইত তেনে ভাবে দিয়া হৈছে।

★ শ্ৰী আল্লাউদ্দিন সৰকাৰ : এড্‌হক ব্যৱস্থা বন্ধ কৰিব লাগে। ইয়াৰ কাৰণে প্ৰকৃত শিক্ষক শিক্ষয়িত্ৰী বঞ্চিত হবলগীয়া হৈছে। এইটো বন্ধ কৰিব লাগে।

★ শ্ৰীজয়নাথ শৰ্মা : কি পৰিস্থিতিত এড্‌হক নিযুক্তি দিবলগীয়া হৈছে বি-এড প্ৰাৰ্থী থাকোতে, সেইটো সদনত জনাব লাগে।

☆ Speech not Corrected

Questions And Answers

★ শ্রীমুনীন মহন্ত : মন্ত্রী মহোদয়ে কৈছে যে ডিৱেক্টৰেটৰ পৰা নাম দি অকল মৰিগাওঁ জিলাতেই নহয় অসমৰ বিভিন্ন জিলাতো তেনে এড্‌হক নিযুক্তি হৈছে। এতিয়া কথা হৈছে যি গৰাকী ডিৱেক্টৰে চৰকাৰী নিযুক্তি দিওঁতে চৰকাৰী নিয়ম ভঙ্গ কৰিছে তেওঁৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লবনে ?

★ শ্রীহেমপ্রকাশ নাৰায়ণ (ৰাজ্যিক শিক্ষা মন্ত্রী) : চাৰ, এড্‌হকতহে দিয়া হৈছে নীতি বহির্ভূত ভাবে বুলি কোৱা নাই।

★ ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, কি পৰিস্থিতিত চিলেকশ্বন লিষ্ট থকা স্বত্বেও এড্‌হক বেচিচত এপয়ণ্টমেণ্ট দিব লগীয়া হ'ল। সেইটোৰ এটা স্পষ্ট উত্তৰ মন্ত্রী মহোদয়ে আমাক দিব লাগে।

★ শ্রীহেম প্রকাশ নাৰায়ণ (ৰাজ্যিক মন্ত্রী) অধ্যক্ষ মহোদয়, যি পৰিস্থিতিতে নিযুক্তি নহওক কিয় এই সম্পর্কত চৰকাৰৰ বিবেচনাধীন হৈ আছে। নীতি বহির্ভূত বুলি মাননীয় সদস্য সকলে যিটো সন্দেহ কৰিছে (ভইচ-স্পেচিফিক উত্তৰ আমাক লাগে)

★ শ্রীমুনীণ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মই স্পেচিফিক প্রশ্ন কৰিছো আৰু মোক স্পেচিফিক উত্তৰ লাগে। কি পৰিস্থিতিত এড্‌হক এপইণ্টমেণ্ট দিবলগীয়া হ'ল তাৰ স্পষ্ট উত্তৰ দিব লাগে। (ভইচ কি পৰিস্থিতিত চিলেকচন লিষ্ট থকা স্বত্বেও এড্‌হক এপইণ্টমেণ্ট দিবলগীয়া হ'ল)

(গণ্ডগোল)

★ শ্রীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়. মই এটা কথা কব খুজিছো– Sir, I would like to know that can there be two rules, to laws for one particular matter ? Can there be two policies for one particular mattar..... চাৰ, এখন নির্দ্দিষ্ট চিলেকচন লিষ্ট থাকিলে সেই মতে কমিটিয়ে চিলেক্ট কৰিব লাগে। আৰু যদি চিলেকশ্বন লিষ্ট নাথাকে তেতিয়াহলে এড্‌হক এপইণ্টমেণ্ট দিব পাৰে ! এই দুয়োটা পলিচি চৰকাৰে একেলগে লব পাৰে নে নোৱাৰে সেইটো স্পষ্টকৈ কব লাগে।

★ Speech not Corrected

Questions And Answers

☆ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, ইয়াত আমি দেখিছো যে ডিষ্ট্রিকত চিলেকচন লিষ্ট কৰিছে। চিলেকচন লিষ্টৰ পৰা দিয়া নাই বুলি কৈছে। হাইস্কুলৰ ক্ষেত্ৰত এখন ডিষ্ট্রিক বোৰ্ড কৰিছে। সেইমতে চিলেকচন বোৰ্ডে লিষ্ট তৈয়াৰ কৰে। আৰু তাৰ পৰা ইনস্পেক-টৰে এপইণ্টমেণ্ট দিব লাগে। ইয়াক এড্‌হকৰ কথা উল্লেখ কৰিছে। ৩ এফত দিয়াৰ নিয়ম আছে। সেই ব্যৱস্থাৰ ভিত্তিত দিয়া হৈ আছে। এতিয়া বন্ধ কৰা হব আৰু নিৰ্দ্দেশ দিয়া হব যাতে এতিয়াৰ পৰা চিলেকচন লিষ্টৰ বাহিৰৰ পৰা দিয়া নহয়। (ভইচ-চিলেকচন লিষ্ট থাকোতে এড্‌হকত কিয় দিব) (গণ্ডগোল)

মাননীয় অধ্যক্ষ : আপোনালোকে এজন এজনকৈ কওক যদি আপোনা-লোকে উত্তৰ বিচাৰিছে। আপোনালোকে কি কৈছে ময়ো শুনা নাই। এইবিলাক ৰেকৰ্ডো নহব।

☆ শ্রীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, ৰেগুলেচন ৩ এফত দিয়া হয় যেতিয়া কোনো চিলেকচন লিষ্ট নাথাকে। এ, পি, এচ, চি এণ্ড ৩ এফত দিয়ে যেতিয়া কোনো চিলেকচন লিষ্ট নেথাকে চিলেকচন লিষ্ট থকা সময়ত ৩ এফত নিদিয়ে।

☆ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, এতিয়া অভিযোগ আহিছে যেতিয়া চাব লাগিব যিবিলাক জিলাৰ পৰা অভিযোগ আহিছে সেই জিলাত বোধহয় চিলেকচন লিষ্ট শেষ হৈছে। আপোনা-লোকৰ অভিযোগ হৈছে চিলেকচন লিষ্টৰ পৰা দিয়া হোৱা নাই। সেইটো চাব লাগিব। চাইহে কব পাৰিম।

☆ শ্রীহলিৰাম টেৰাং : The reply given (Noise) by the Hon'ble Chief Minister is contradictory.

☆ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : অধ্যক্ষ ডাঙৰীয়া, ২৮ জনক দিয়াটো অস্বীকাৰ কৰা নাই। যি ২৮ জনক দিয়া হৈছে তাত চিলেকচন লিষ্ট শেষ হৈছে নেকি চাব লাগিব।

★ Speech not Corrected

Mr. Speaker : Now question No. 29. Questioner Shri Misson Ranjan Das, Hon'ble Power Minister Shri Golak Rajbongshi to reply.

Re : Construction works for generation of Power.

Shri Mission Ranjan Das, asked :

★ 29. Will the Mnister of Power be pleased to state :

(a) Why the construction works for generation of power based or gas both at Adamtilla and Bashkandi in Barak Valley have not started yet ? Give reasons thereof ?

(b) When construction works will be started and when it will be completed for generation of power at both the Centres ?

(c) Please place the copies of M. O. Us. of both Adamtilla & Bash-Kandi projects in the table of the House.

(d) What are the measure taken by the Government at present to meet up power requirement in Barak Valley ?

(e) Please give the demand and supply positions of electricity in Barak Valley from Ist August to 31st August, 1995 ?

Shri Golak Rajbongshi, (Minister, Power (Elect.) replied :

(a) The land for the power projects both at Adamtilla and Bashkandi has already been allotted. Though construction works are not started, the preliminary works such as soil investigation, contour survey for the plant areas etc. of both the sites have been carried out.

(b) The Civil designing for the buildings with foundations have been taken up and excavation works at the sites are also expected to be started shortly. Erection and commissioning of both the projects are expected to be completed during the year 1996-97.

(c) The copy of the MOU for Adamtilla and Baskandi projects is enclosed as Annexure- 1.

(See the Annexure- III)

(d) The power supply to the three Districts of Barak Valley is made through 3 Nos. of 132 KV Sub-Stations namely Badarpur, Pailapool and Dullavcherra. Badarpur Sub-Station receives power through Khleriat-Pailapool 132 KV transmission line being maintained by ASEB, pailapool Sub-Station receives power through the 132 KV Jiribam-Pailapool transmission line maintained by PGCIL; Dullavcherra Sub-Station receives power from Badarpur through the 132 KV transmission line maintained by ASEB. ASEB is exploring the possibility of constructing a 132 KV transmission line from Samaguri to Badarpur / Pailapool via-Lanka and Haflong so that when Hydro sources fail, compensatory power can be fed to the Barak Valley from Brahmaputra valley.

(e) Power demand and supply positions in Barak valley during peak and off-peak hours from 1-8-95 to 31-8-95 are enclosed herewith as per Annexure- II.

(See the Annexure- iv)

শ্রীমিচন ৰঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়ে ..... (প্রশ্নোত্তৰ কাল শেষ)

(Starred Question No. 30 to 40 Could not be desposed of as the Question Hour is over. However, the replies of the said Question deemed to have been laid on the table of this House)

বিষয় : শিক্ষকৰ নিযুক্তি ।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে,

☆ ৩০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) শিক্ষা বিভাগে যোৱা ৪ বছৰত কিমান সঙ্গীত শিক্ষকৰ পদ সৃষ্টি কৰিছিল ?

(খ) কোন কোন জিলাত কিমান সঙ্গীত শিক্ষকৰ নিযুক্তি দিয়া হ'ল জিলা ভিত্তিত হিচাব দিব ?

(গ) কেইটা হিন্দী শিক্ষকৰ পদ তিনিচুকীয়াত দিয়া হ'ল জনাবনে ?

(মজলীয়া স্কুলৰ)

শ্রীহেমপ্রকাশ নাৰায়ণ (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) যোৱা ৪ বছৰত ২০০ (দুশ) টা সঙ্গীত শিক্ষকৰ পদ সৃষ্টি কৰা হৈছে।

(খ) জিলা ভিত্তিত সঙ্গীত শিক্ষকৰ নিযুক্তিৰ তালিকা Annexure- I ত দিয়া হ'ল ।

(See the Annexure- V)

(গ) ১১ (এঘাৰ) টা। আৱণ্টিত পত্রৰ প্রতিলিপি Annexure- II আৰু Annexure- III ত দিয়া হ'ল ।

(See the Annexure- VI, VII)

বিষয় : সংগ্রহালয় সঞ্চালকালয় ।

শ্রীঅতুল বৰাই সুধিছে,

☆ ৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ১৯৯৩-৯৪ চনৰ দ্বিতীয় বছৰত সংগ্রহালয় সঞ্চালকালয়লৈ কিমান পৰিমাণৰ

টকা আৱণ্টন দিয়া হৈছিল ?

(খ) এই ধন কি কি আঁচনি ৰূপায়ণৰ বাবে আৱণ্টন দিয়া হৈছিল ?

(গ) ই, টি, এম ১৪ / ৯২ / ৪ তাৰিখ ২৪ মাৰ্চ, ৯২ নং চৰকাৰী নিৰ্দ্দেশ মতে পাৰ্ব্বত্য অঞ্চলৰ শিতানৰ বাবে আৱণ্টন কৰা ধন সংগ্ৰহালয় সঞ্চালকৰ দ্বাৰা সাধাৰণ শিতানত খৰচ কৰা হৈছিল নেকি ?

(ঘ) আৰু কি কামৰ বাবে সেই ধন খৰচ কৰা হৈছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰত পৰিকল্পনা শিতানত সংগ্ৰহালয় সঞ্চালকালয়লৈ মুঠ ৭১·০০ (এসত্তৰ লাখ) টকা আৱণ্টন দিয়া হৈছিল । তাৰে ৫৭·০০ (সাতাৱান্ন লাখ) টকা সাধাৰণ এলেকাৰ আৰু ১৪·০০ (চৈধ্য-লাখ) টকা পাৰ্বত্য এলেকাৰ ।

(খ) সাধাৰণ এলেকাত লোৱা আঁচনি সমূহ আছিল ঃ

১।	সংগ্ৰহালয় ভৱন নিৰ্মাণ — (পি, ডব্লিউ, দি বাজেটৰ ধন)	২০·০০ লাখ
২।	বিথিকাৰ ভিতৰত প্ৰদৰ্শণৰ ব্যৱস্থা—	৬·০০ লাখ
৩।	প্ৰকাশন —	১·৫০ লাখ
৪।	সংগ্ৰহালয় সামগ্ৰী সংগ্ৰহ —	০·৫০ লাখ
৫।	দৰ্মহা ইত্যাদি —	২৯·০০ লাখ
	মুঠ—	৫৭·০০ লাখ

পাৰ্ব্বত্য এলেকাত

১।	ডিফুত জিলা সংগ্ৰহালয় ভৱন নিৰ্মাণ— (পি, ডব্লিউ, দি বাজেটৰ ধন)	৫·০০ লাখ
২।	দৰ্মহা আৰু অন্যান্য — (ডিফু, হাফলং, হামৰেন)	৬·৫০ লাখ
৩।	বিথিকা নিৰ্মাণ ও বিজ্ঞানাগাৰ —	২·০০ লাখ
৪।	প্ৰকাশন —	০·৫০ লাখ
	মুঠ—	১৪.০০ লাখ

(গ) হোৱা নাই ।

(ঘ) উক্ত ধন (এক লাখ টকা) পার্ব্বত্য এলেকাৰ সংগ্রহালয়ৰ বাবে তলত দিয়া ধৰণে খৰচ কৰা হৈছিল ।

১। ফিউমেগেচন চেম্বাৰ (সংগ্রহালয়ৰ সম্পদৰ বীজাণু ধ্বংস কৰা বৈজ্ঞানিক পদ্ধতিৰে নির্মাণ কৰা কাঠৰ বাকচ)	—	৩৬,০০০·০০ টকা
২। কনজাৰভেচন টেবুল	—	১১,৯৮৮·০০ টকা
৩। ৰাসায়নিক দ্রব্য আদি	—	৫২,৯১০·০০ টকা
	মুঠ —	৯৯,৯৯৮·০০ টকা

বিষয় : প্রাথমিক বিদ্যালয় প্রাদেশীকৰণ

শ্রীৰামপ্যাৰে ৰবিদাস জিজ্ঞাসা কৰছেন :

☆ ৩২ । মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰিয়া জানাবেন কি :

(ক) শিলচৰে অনুষ্ঠিত শ্রমিক সমাবেশে মাননীয় মুখ্যমন্ত্রী ঘোষণা কৰিছিলেন যে চা বাগীচায় অৱস্থিত প্রাথমিক বিদ্যালয় গুলি অগ্রাধিকাৰৰ ভিত্তিতে প্রাদেশীকিৰণ কৰা হবে, কিন্তু আজ অব্দি মাননীয় মুখ্যমন্ত্রীৰ প্রদত্ত আশ্বাস বাস্তবায়িত হয় নাই কেন ?

(খ) চলিত অর্থ বৎসৰে চা বাগীচা একাকায় অৱস্থিত প্রাথমিক বিদ্যালয় গুলি প্রাদেশীকৰণ এৰ প্রয়োজনীয় ব্যৱস্থা নেবেন কি ?

শ্রীজমন সিং ব্রহ্ম (ৰাজ্যিক শিক্ষা মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বিষয়টো চৰকাৰৰ পৰীক্ষাধীন হৈ আছে ।

(খ) আৱশ্যকীয় পুঁজিৰ ওপৰত নির্ভৰ কৰিব ।

Re : Flood of Kulshi River.

Shri Jew Ram Boro asked :

★ 33. Will the Minister of Flood Control be pleased to State :

(a) Whether the Government is aware about the havocs of flood created by Kulshi river under District Darrang ?
(b) If so, what are the causes for which river Kulshi created such type of havocs ?
(c) What steps Government had taken and what plans are adopting to control flood of the said river permantly ?
(d) Are there any schemes for reconstruction of banks and relief and rehabilitations to the people affected by these floods ?

Shri Sarat Barkotoky (Minister Flood Control) replied :

(a) Yes.
(b) Due to avulsion of river Nonoi to Kulshi near the foot hills.
(c) Proposel for closing the avulsion of river Nonoi is expected to be placed before the next T. A. C. for recommendation.
(d) There is no scheme for reconstruction of Banks. Relief and rehabilitation aspect is not within the perview of the Flood Control Department.

বিষয় : উচ্চ মাধ্যমিক বিদ্যালয় উন্নীতকৰণ ।

শ্রীগহীন চন্দ্র দাসে সুধিছে :

★ ৩৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমত ১৯৯১ চনৰ পৰা আজিলৈ কিমানখন উচ্চ মাধ্যমিক বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ল জনাবনে ?

(খ) তাৰে বিজ্ঞান কিমানখন, কলা কিমানখন আৰু বানিজ্যিক কিমানখন ?

(গ) যথা বিধিমতে সেই বিদ্যালয় সমূহত বিষয় শিক্ষক নিযুক্তি সকলোতে দিয়া

হৈছেনে ?

(ঘ) কি ভিত্তিত উন্নীতকৰণ কৰা হৈছে অগ্রাধিকাৰ কেনেবোৰ বিদ্যালয়ত দিয়া হৈছে ?

শ্রীহেম প্রকাশ নাৰায়ণ (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) ১৯৯১ চনত মুঠ ১১৭ খন উচ্চ মাধ্যমিক বিদ্যালয়ক পদ সহ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে। ইয়াৰ উপৰিও ১১৯ খন উচ্চ মাধ্যমিক বিদ্যালয়ক একাদশ শ্রেণী খোলাৰ বাবে অনুমতি দিয়া হৈছে। এনে অনুমতি প্রাপ্ত বিদ্যালয়লৈ পদ মঞ্জুৰী দিয়া হোৱা নাই।

(খ) উপৰোক্ত উন্নীত হোৱা বিদ্যালয় সমূহৰ ভিতৰত বিজ্ঞান ১৩ খন, ১০৩ খন কলা আৰু ৩ খন বানিজ্যিক।

অতিৰিক্ত শাখাৰ ভিতৰত ১ খন বিজ্ঞান, ৩ খন কলা আৰু ৩ খন বানিজ্যিক।

(গ) পদ সহ উন্নীত কৰা সকলো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক নিযুক্তি বিধিমতে দিয়া হৈছে।

(ঘ) জন সংখ্যা, অনগ্রসৰতা আৰু প্রয়োজনীয়তাৰ ভিত্তিত উচ্চ মাধ্যমিক বিদ্যালয় সমূহ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হয়।

বিষয় : বিদ্যালয় প্রাদেশীকৰণ।

শ্রীসুৰেন স্বর্গীয়াৰীয়ে সুধিছে :

★ ৩৫। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ৰাজ্যখনত চৰকাৰী স্বীকৃতি প্রাপ্ত মধ্যইংৰাজী বিদ্যালয়ৰ সংখ্যা কিমানখন ? ইয়াৰ ভিতৰত বি, এ, চি এলেকাভূক্ত বিদ্যালয়ৰ সংখ্যা বেলেগে জিলা ভিত্তিত দিব।

(খ) স্বীকৃতিপ্রাপ্ত বিদ্যালয় সমূহক তদর্থ মঞ্জুৰী দিয়াৰ ব্যৱস্থা আছে নেকি ?

(গ) যদি আছে মঞ্জুৰীৰ পৰিমাণ কিমান ?

(ঘ) স্বীকৃতিপ্রাপ্ত বিদ্যালয় সমূহক ১৯৯৫-৯৬ বিত্তীয় বছৰত প্রাদেশীকৰণৰ বাবে চৰকাৰে আঁচনি গ্রহণ কৰিছে নেকি ?

(ঙ) যদি কৰিছে কেতিয়াৰ পৰা কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰিব ?

শ্রীজমন সিং ব্রহ্ম (ৰাজ্যিক শিক্ষা মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) মুঠতে ১১৮৩ খন (ভৈয়ামৰ জিলা সমূহত ১০২৭ খন—
পার্বত্য জিলা ২ খনত ১৫৬ খন।)
(বি. এ, চি এলেকাৰ বিদ্যালয়ৰ সংখ্যা সংগ্রহ কৰি থকা হৈছে।)

(খ) নাই।

(গ) প্রশ্ন নুঠে।

(ঘ) ক্ষেত্র বিষয়াৰ পৰা তথ্য সংগ্রহ কৰি থকা হৈছে।

(ঙ) প্রাদেশিকীকৰণ পুঁজিৰ ওপৰত নির্ভৰ কৰিব।

বিষয় : ধলাই সমষ্টিত গ্রাম্য বৈদ্যুতিকৰণ।

শ্রীপৰিমল শুক্ল বৈদ্যই সুধিছে :

৩৬। মাননীয় গ্রামীন বৈদ্যুতিকৰণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) কাছাৰ জিলাৰ ধলাই সমষ্টিত গ্রাম্য বৈদ্যুতিকৰণৰ অধীনত কিমানখন গাওঁ সামৰি লোৱা হৈছে আৰু উক্ত গাওঁ সমূহত বৈদ্যুতিকৰণৰ ব্যৱস্থা সূচল হৈ আছে নে ?

(খ) যদি সূচল হৈ থকা নাই, তেনেহলে বর্ত্তমান চৰকাৰৰ কার্য্যকালত কি ব্যৱস্থা হাতত লৈছে ?

(গ) উক্ত সমষ্টিৰ গ্রাম্য বৈদ্যুতিকৰণৰ অধীনত সামৰি লোৱা গাওঁ সমূহৰ নাম জনাবনে ?

শ্রীগোপীনাথ দাস (গ্রাম্য বৈদ্যুতিকৰণ মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) কাছাৰ জিলাৰ ধলাই সমষ্টিত ৬৭ খন পিয়লভূক্ত গাৱঁলৈ বিজুলী যোগান ধৰা হৈছিল আৰু ইয়াৰ ভিতৰত মাত্র ২৫ খন গাৱঁত বিজুলী যোগান অব্যাহত আছে।

(খ) বিজুলী যোগান অব্যাহত হৈ থকা গাওঁ সমূহলৈ পুনৰ বিজুলী যোগানৰ কাৰণে যাবতীয় কার্য্যাৱলী পৰিষদৰ বিবেচনাধীন হৈ আছে।

(গ) উক্ত সমষ্টিৰ বৈদ্যুতিকৰণ কৰা গাওঁ সমূহৰ নাম গাঠি দিয়া তালিকাত দেখুৱা হৈছে। (See the Annexure – VIII)

Re : Bodo medium L. P. School teacher.

Shri Kamal Brahma, asked :

★ 37. Will the Minister of Primary Education be pleased to State :

(a) Is there any proposal for setting up of another B.T.C. for giving Training to Bodo medium L. P. School teacher ?

(b) If not, will the Government set up such a centre in a suitable place of Nalbari District.

Sri Jaman Singh Brahma, (Minister, Primary Education) replied :

(a) No.

(b) Does not arise.

বিষয় : বানপানী সম্পর্কত ।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

☆ ৩৮। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) বৰ্ত্তমান চৰকাৰে ধেমাজী জিলাত হৈ থকা বানপানীৰ স্থায়ী সমাধানৰ বাবে কিবা আঁচনি লৈছে নেকি ?

(খ) যদি কৰিছে এই আঁচনিত কিমান ধকা ধাৰ্য্য কৰিছে ?

(গ) জীয়াদল, গাইনদীৰ বানপানীৰ সমস্যা, সোৱনশিৰি নদীৰ গৰাখহনীয়া, ব্রহ্মপুত্রৰ নদীৰ নৈ-কাৰেংচাপৰি, বৰচাপৰি পিপলুগুৰি, পুনৈ চিচিটক্তানীৰ ভদিয়া চুক নামনি চিচিটক্তানীৰ ভগ্ন মথাউৰি পুনৰ নিৰ্মাণৰ বাবে কিবা আঁচনি গ্রহণ কৰিছে নেকি ? যদি গ্রহন কৰিছে এই আঁচনিৰ কাম কেতিয়া আৰম্ভ কৰিব ?

(ঘ) সোৱনশিৰি নদীৰ গৰাখহনীয়াৰ ফলত জাহ যোৱা দীৰপাই চাহ বাগিচা

প্রতিৰোধৰ বাবে কিবা ব্যৱস্থা গ্রহণ কৰিছে নেকি ?

শ্রীশৰৎ বৰকটকী (বানিয়ন্ত্রণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) স্থায়ী সমাধানৰ বাবে আঁচনি হাতত লোৱা হোৱা নাই ।

(খ) প্রশ্ন নুঠে ।

(গ) এতিয়ালৈকে কোনো আঁচনি গ্রহণ কৰা হোৱা নাই ।

(ঘ) হয়, আঁচনি প্রস্তুত কৰা হৈছে ।

বিষয় : স্কুলৰ ছাত্রী ।

শ্রীধ্রুৱ কুমাৰ সেনে সুধিছে :

☆ ৩৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ধুবুৰীৰ গার্লচ একাডেমী এম-ই স্কুল নামে যি স্কুল আছে, সেই স্কুলৰ ছাত্রীৰ সংখ্যা কিমান ? (উক্ত ছাত্রীৰ সংখ্যা ক্লাচ অনুসাৰে জনাব)

শ্রীজমন সিং ব্রহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ৫ম শ্রেণীত ২৮ গৰাকী ছাত্রী
৬ষ্ঠ শ্রেণীত ১৮ গৰাকী ছাত্রী
৭ম শ্রেণীত ২০ গৰাকী ছাত্রী

সর্ব্বমুঠ— ৬৬ গৰাকী ছাত্রী

বিষয় : পর্য্যটকৰ বাবে আঁচনি ।

শ্রীচন্দ্রমোহন পাটোৱাৰীয়ে সুধিছে :

☆ ৪০। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) আৰ, এ, পি, খন বর্ত্তমান অসমত প্রযোজ্যনে উঠাই লোৱা হৈছে ? যদি উঠাই লোৱা হৈছে তেনেহলে কেতিয়াৰ পৰা দিয়া হৈছে ?

(খ) পর্য্যটক সকলৰ বাবে অসমত বর্ত্তমান কি কি আঁচনি লোৱা হৈছে ?

(গ) যোৱা দুবছৰত অসমলৈ কিমানজন বিদেশী আৰু অন্য পর্য্যটক আহিছিল ? আৰু তাৰপৰা চৰকাৰে কিমান টকা উপার্জন কৰিছে ?

(ঘ) কেন্দ্রীয় চৰকাৰৰ সাহার্য্যত কিমানটা পর্য্যটক আঁচনি অসম চৰকাৰে লাভ কৰিছে ? তাৰ ভিতৰত কিমানটা সম্পূর্ণ আৰু কিমানটা সম্পূর্ণ হবলৈ বাকী আছে ?

(অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ নাম তালিকা দিব)

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) আৰ, এ, পি, বা নিষিদ্ধ অঞ্চল প্ৰবেশপত্ৰ নীতি ১৯৯৫ চনৰ মে মাহৰ পৰা উঠাই লোৱা হৈছে ।

(খ) পৰ্য্যটকসকলৰ বাবে অসমৰ ঠায়ে ঠায়ে পৰ্য্যটক নিবাস নিৰ্মাণ পথযাত্ৰী পৰ্য্যটকৰ বাবে জিৰনী চ'ৰা, তীৰ্থযাত্ৰী পৰ্য্যটকৰ বাবে তীৰ্থযাত্ৰী কুটীৰ, জলক্ৰীয়া, নৌকাবিহাৰ, শৈলাৰোহন পৰ্বতাৰোহন আদি বিভিন্ন আঁচনি লোৱা হৈছে ।

(গ) যোৱা দুবছৰত মুঠ ৭৮০ জন বিদেশী পৰ্য্যটক আৰু ৩৭,৭৩৮ জন অন্যদেশী পৰ্য্যটক অসমলৈ আহিছে । আৰু তাৰ পৰা মুঠ ৪৯,৫১ লাখ টকাৰ উপৰিও মুঠ ২৩৫৭ ডলাৰ আৰু ৩৬০ পাউণ্ড উপাৰ্জন হৈছে ।

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ সাহায্যত অসম চৰকাৰে মুঠ ২৫টা আঁচনি লাভ কৰিছে আৰু ইয়াৰ ভিতৰত মুঠ ১০টা আঁচনি সম্পূৰ্ণ হৈছে আৰু ১৫টা আঁচনি সম্পূৰ্ণ হবলৈ বাকী আছে । [অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মুঠ আঁচনি সমূহৰ নাম তালিকা ১নং সংলগ্ন তালিকাত সন্নিবিষ্ট কৰা হৈছে]

(See the Annexure—IX)

Unstarred Questions And Answers

Re : Newly Elected Managing Committee.

Shri Hitendra Nath Goswami, asked :

21. Will the Minister of Co-operation be pleased to State :

(a) Under the Co-operation law, is there exist any provision for a newly Elected Managing Committee to take over the functioning of the committee without the proceedings of Annual General meeting being apporved by Registrar or other competent officials. If yes, what is the provision ?

(b) If no, who are to manage the committee in the interim

and under what provision of law. Please quote the relevent provision ?

উচ্চ ইংৰাজী স্কুলৰ ক্ষেত্ৰত চৰকাৰৰ বিবেচনাধীন হৈ আছে ।
উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত উন্নিত কৰা বিদ্যালয় সমূহত পদ মঞ্জুৰী দিয়া প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

(খ) উচ্চ ইংৰাজী স্কুল ২৫৬ খন ।

(গ) বিভাগীয় নিয়ম ও স্বীকৃতিৰ জ্যেষ্ঠতাৰ ভিত্তিত ।

(ঘ) সম্প্ৰতি তেনে প্ৰস্তাৱ নাই ।

(ঙ) প্রশ্ন নুঠে।

Re : Erosion of Kulsi River.

Shri Karendra Basumatary asked :

70. Will the Minister of Soil Conservation be pleased to State :

(a) Whether Govt. is aware of the fact of the recent flood recurrence in entire Darrang District, Assam, where in heavy erosion by the Kulsi River caused and the people of Panary Legislative Assembly Constituency have lost a lot of properties and as result they have to take shelter in different relief camps ? In view of the Kulsi river has created Gullies else where in the area. So it has to be controlled protecting from erosion by Kulsi River ?

(b) Whether the Soil Conservation Department will take up prompt action and carry out a departmental survey in to the eroded area by the river Kulsi urgently ?

শ্রীৰছিদুল হক (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয়, অবগত।

(খ) হয়, লোৱা হব।

ADJOURNMENT MOTION

(Ruling by the Speaker on Adjournment Motion dated 19-9-95.)

Mr. Speaker : Question Hour is over. I have received two notices of Adjournment Motion under the relevant Rules of our Rules of Procedure.

Adjournment Motion

The Motion No. 1 stands in the name of the Hon'ble Members :

Shri Holiram Terang
Shri Pramode Gogoi
Shri Sasha Kamal Handique
Shri Karendra Basumatary
Shri Prafulla Kumar Mahanta
Shri Hitendra Nath Goswami

On the excesses made by the paramilitary forces and Punjab comando on the innocent civilians in the N. C. Hills district and enhancement of its force respectively.

I find that several discussions were held in this House in earlier Session also with regard to Punjab Commando and paramilitary forces. Yesterday also this matter was discussed thread-bare during Question Hours and through points of order. Hon'ble Members will have also ample opportunities to discuss it during the voting on Demands for Supplementary Grants on the Police Budget during the current Sessions of the Assembly. I have discussed about the matter with some of the Hon'ble Members also who have shared with me that this is not a matter to be brought through the Adjournment Motion.

I am satisfied that the notice of Adjournment Motion is primafacie inadmissible. So, I withhold my

consent to move the Adjournment Motion .....

(Interruptions)

★ Shri Holiram Terang : Sir, You have ruled that this Adjournment Motion cannot be admitted because yesterday the matter had been discussed and you also have said that it may be discussed during the cut motion. But Sir, what we have said in the Adjournment motion is regarding excesses committed by the paramilitary forces and Panjab Commando on the innocent Civilians in the N. C. Hills district .....

(Noise) .....

So, this question we would like to discuss in this House.

Mr. Speaker : You have no opportunity to discuss. Some Hon'ble Members have already discussed this matter. So this is not a matter of Adjournment Motion .....

(A. S. D. C. Members walked out)

Similarly, Adjournment Motion No. 2 moved by Hon'ble Members, Shri Dewan Joynal Abedin and others is also an administrative matter and I do not find any reason to allow it to move through the Adjournment Motion in the House.

('বাছৰ ভাৰা বৃদ্ধি নচলিব') (ধ্বনী দিয়ে, এচ, ইউ, চি, আইৰ দুজন সদস্যই সদন ত্যাগ কৰে)

★ Speech not Corrected.

Adjournment Motion

★ শ্রীজয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, বাছ ভাৰা বৃদ্ধিৰ সংক্রান্তত আলোচনা হবলৈ নিদিয়ে কিয় ? যোৱাকালি অন্যান্য ক্ষেত্রত আলোচনা হবলৈ দিছিল । বাছ ভাৰা বৃদ্ধিৰ সম্পর্কে আলোচনা হোৱা নাই, এই বিষয়ে আলোচনা হ'বলৈ দিব লাগে ।

Discussion during Zero Hour

মাননীয় অধ্যক্ষ : বাছৰ ভাৰা বৃদ্ধিৰ বাবে 'হাউচ এডর্জন হব নোৱাৰে ।

I have received as many as 11 Zero Hour notices for 19-9-95 in the name of the follwoing Members :

1. Shri Gahin Chandra Das
2. Dr. Kamala Kalita
3. Dr. Kamala Kalita
4. Shri Gahin Chandra Das
5. Shri Munin Mahanta
   Shri Alauddin Sarkar
6. Shri Nizamuddin Khan
7. Shri Remendra Narayan Kalita
   Shri Pani Ram Rabha
8. Md. Mohibul Haque
9. Shri Hitendra Nath Goswami
10. Shri Hitesh Deka
11. Shri Mission Ranjan Das
    Shri Parimal Suklabaidya

As per rules, I have selected only 3 Zero Hour notices for raising before the House today ।

1. I now, Call upon the Hon'ble Member Shri Gahin Chandra Das to raise his Zero Hour motion which was published in 'Dainik Asom' Dated 15-9-95 under the caption.

★ Speech not Corrected.

Discussion during Zero Hour

"তিনি মাহে বেতন নাই"

শ্রীগহীন চন্দ্র দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি শূন্য কালৰ জাননীত দৈনিক অসম বাতৰি কাকতত চেপ্তেম্বৰত প্রকাশিত বাতৰি এটাৰ প্রতি চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো— 'গোৱালপাৰা জিলাৰ প্রাথমিক বিদ্যালয়ৰ পৰিকল্পনাভূক্ত শিতানৰ শিক্ষক সকলে যোৱা জুন, জুলাই আৰু আগষ্ট মাহৰ দৰমহা এই পর্য্যন্ত নোপোৱাত তেওঁলোক জটিল সমস্যাত পৰিছে।

জানিব পৰা মতে ভুক্তভুগী এই শিক্ষক সকলৰ দৰমহা অদ্যাপি আবন্তন দিয়া হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল এই যে এই বাতৰিটো প্রকাশ পাইছে যোৱা ৩ মাহে দৰমহা হোৱা নাই বুলি। কিন্তু নিযুক্তি দিয়াৰ ক্ষেত্রত দেখা গৈছিল যে অবৈধ ভাবে বহুত নিযুক্তি দিয়া হ'ল। যিসকলে আগৰ পৰা শিক্ষকতা কৰি আছিল তেওঁলোকৰো দৰমহা ৩ মাহ ৬ মাহ ১ বছৰলৈকে হোৱা নাই। এই দৰমহা নোপোৱাৰ বাতৰি যি ধৰণে বাতৰি কাকতত প্রকাশ পাইছে তাৰ পেপাৰ কাটিং গোটাই অধ্যক্ষ মহোদয়ৰ টেবুলত ৰাখিলে অধ্যক্ষ মহোদয়ক দেখা পোৱা নাযাব। কেৱল শিক্ষা বিভাগতে এনে হৈ থকা নাই গড়কাপ্তানী বিভাগৰ মাষ্টাৰ ৰুলৰ চাকৰীয়াল সকলেওঁ ৩/৬ মাহলৈকে দৰমহা পোৱা নাই। বছৰৰ পিছত বছৰ ধৰি যিসকল কর্মচাৰীয়ে দৰমহা পোৱা নাই বিষয়টোত চৰকাৰে হেমাহি কৰি আছে, মনোযোগ দি আলোচনা কৰিব লাগে। বিভিন্ন বিভাগত 'মাষ্টাৰ ৰুল' 'ওৱার্ক চার্জ' কাম কৰি থকা আৰু দৰমহা নোপো-ৱাকৈ থকা কর্মচাৰী সকলৰ দৰমহা কেতিয়াকৈ নিয়মীয়া কৰণ কৰা হব তাৰ বিষয়ে এই শূণ্য কালৰ প্রশ্নোত্তৰতে চৰকাৰে এটা স্পষ্ট ধাৰণা দিব বুলি আশা কৰিলো আৰু যিসকল কর্মচাৰীয়ে এতিয়ালৈকে দৰমহা পোৱা নাই তেওঁলোকৰ দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

★ Speech not Corrected.

Discussion during Zero Hour

(Mr. Speaker vacated the chair and Mr. Dy. Speaker occupied the chair)

Mr. Dy. Speaker : Now, Mission Ranjan Das.

শ্রীমিশন রঞ্জন দাস : মাননীয় উপাধ্যক্ষ মহোদয়, গত ১৮ তারিখে প্রকাশিত সময় প্রবাহ পত্রিকায় প্রকাশ পেয়েছে যে 'বেতনের দাবিতে বরাকে শিক্ষকদের আমরন অনশন' এই ব্যাপারে সরকারের দৃষ্টি আকর্ষণ করে আমার বক্তব্য তুলে ধরছি।

উপাধ্যক্ষ মহোদয়, আজ বিভিন্ন পত্র পত্রিকায় শীর্ষ সংবাদে পরিস্কার ভাবে প্রকাশিত হয়েছে যে আমাদের রাজ্যের প্রাথমিক শিক্ষক, এম, ই, স্কুলের শিক্ষক, হাই স্কুলের শিক্ষক এবং হাইয়ার সেকেণ্ডারী স্কুলের সাবজেক্ট টিচাররা যারা প্ল্যান এবং নন্-প্ল্যান পোষ্টে কাজ করছে তারা গত এপ্রিল-মে মাস থেকে তাদের বেতন পাচ্ছে না।

এই বেতন পাবার জন্য বেশ কিছুদিন ধরে বিভিন্ন সময়ে বিভাগীয় কর্তৃপক্ষের নিকট, বিভাগীয় মন্ত্রীর তারা দাবী করে আসছে, নানা ধরনের আন্দোলন চালিয়ে যাচ্ছে। কিন্তু সরকার আজ পর্য্যন্ত তাদের দাবীর প্রতি গুরুত্ব দেন নি। ইতিমধ্যে করিমগঞ্জ জেলায় তিনজন শিক্ষক বেতন না পেয়ে অনাহারে মৃত্যুবরণ করেছে। করিমগঞ্জ জেলার বাসবাড়ী এই স্কুলের শিক্ষক আব্দুল নুর গত ১৪-৬-৯৫ ইংরাজীতে স্কুলের বেতন সময়মত না পেয়ে মৃত্যু বরন করেছে। গত এপ্রিল মাস থেকে তিনি তার বেতন পান নি। এপ্রিল মাসের বেতন তার মৃত্যুর পর গত আগষ্ট মাসে দেওয়া হয়েছে। এ ছাড়া সমাজ কল্যাণ এম, ই, স্কুলের এসিস্টেন্ট টিচার আব্দুল মালিকের মৃত্যু হয়েছে ২৪/৭/৯৫ ইংরাজীতে এবং পাঁচ গ্রাম এম, ই, স্কুলের সহ-শিক্ষক উদিত চন্দ্র দে-র মৃত্যু হয়েছে গত ৩০/৭/৯৫ তারিখে। স্যার, এইসব শিক্ষকদেরে সময় মত বেতন না দেবার জন্য শিক্ষা বিভাগ নানা ধরনের সমস্যা সৃষ্টি করে চলেছে। আমরা জানতে পেরেছি যে এই সব শিক্ষকের পোষ্টগুলির রিটেনশন সময় মত হওয়ার জন্য তাদেরে বেতন দেওয়া সম্ভব হচ্ছে না। অনেক সময়

রিটেনশন থাকলেও বিভাগ থেকে টাকা এলটমেণ্ট না করাতে শিক্ষকরা বেতন পাচ্ছে না। এই ধরনের নানা সমস্যার সৃষ্টি করে শিক্ষকদেরে তাদের প্রাপ্য বেতন থেকে বঞ্চিত করা হচ্ছে। স্যার, আসল কথা হলো– এইসব শিক্ষকদেরে বেতন দেবার মত সরকারের টাকাই নেই। একদিকে যাদেরে চাকরি দেওয়া হয়েছে তাদেরে সরকার বেতন দিতে পারছে না, অন্যদিকে বিভিন্ন স্কুলে নতুন নতুন শিক্ষক নিযুক্তি দিয়ে চলেছ। এই ধরনের পরস্পর বিরোধী কাজ করার জন্য আজ এই অবস্থার সৃষ্টি হয়েছে বলে আমি মনে করি। সুতরাং আগামী দূর্গা পূজার আগে যাতে শিক্ষকদেরে তাদের বকেয়া টাকা আদায় দেওয়ার ব্যবস্থা সরকার করেন তারজন্য অনুরোধ করছি। তাছাড়া যেসব শিক্ষক সময় মত বেতন না পেয়ে মৃত্যু বরন করেছেন তাদেরে যেন প্রয়োজনীয় আর্থিক সাহায্য দেবার ব্যবস্থা করা হয়। এই অনুরোধ রেখে আমি আমার বক্তব্য শেষ করছি।

Mr. Dy. Speaker : Now Dilip Kumar Saikia.

শ্রীদিলীপ কুমাৰ শইকীয়া : মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ সদনত কেবাগৰাকী সদস্যই ৰাজ্যখনৰ শিক্ষা ব্যৱস্থাৰ ওপৰত তেখেত সকলৰ বক্তব্য ৰাখিছে, মইয়ো চমুকৈ এই সম্পর্কত মোৰ বক্তব্য ডাঙি ধৰিব বিচাৰিছো। আজি যি সময়ত অসমৰ শিক্ষা ব্যৱস্থাত শিক্ষক সকলে মানব সম্পদ সৃষ্টি কৰিছে সেই শিক্ষক সকলেই আজি যোৱা ৩/৪ মাহ ধৰি তেওঁলোকৰ দৰমহা নোপোৱাত জিয়াতু ভুগিব লগীয়া হৈছে। বিভিন্ন ঠাইত ১১ মাহ, ৪ মাহ, ৫ মাহ দৰমহা নোপোৱাত কষ্ট ভোগ কৰিব লগীয়া হৈছে। যোৱা ১২ তাৰিখে ধেমাজী মহকুমাস্ত ধেমাজী এম, ই, স্কুল আৰু এল, পি, স্কুলৰ শিক্ষক সকলে যুটীয়া ভাবে ধেমাজী মহকুমাৰ জিলা শিক্ষা বিষয়াৰ কার্য্যলয় ঘেৰাও কৰিলে কিন্তু তেওঁলোকৰ ন্যায্য দাবীত কোনেও কোনো কর্ণপাত নকৰিলে। যি সময়ত শিক্ষক সকলে দৰমহা ইত্যাদি পাব লাগিছিল সেই সময়ত নাপালে, এল, পি,

স্কুল আৰু এম, ই, স্কুলৰ শিক্ষক সকলৰ ল'ৰা-ছোৱালী সকলে সেই সময়ত কলেজত এড্‌মিশ্যন লব লগীয়া আছিল কিন্তু তেওঁলোকে দৰ্মহা নোপোৱাৰ কাৰণে তেওঁলোকৰ ল'ৰা-ছোৱালী বিলাকে কলেজত এড্‌মিশ্যন লোৱাৰ পৰা বঞ্চিত হব লগীয়া হ'ল। অকল ধেমাজীতে নহয় অসমৰ বিভিন্ন অঞ্চলত শিক্ষক সকলক যি ধৰণে নিযুক্তি দিয়া হৈছে সেই নিযুক্তিত কোনো ধৰণৰ নিয়ম নীতি নাই, গতিকেই ইডুকেশ্যন কমিশ্যনৰ প্ৰতিবেদন চলিত বিধান সভাৰ অধিবেশনতেই দাখিল কৰিব লাগে। কিয়নো আমি জনাত ধেমাজীতেই কেবল ৪০ টা পোষ্ট আছিল কিন্তু ৪০ টা পোষ্টৰ বিপৰীতে ৭৩২ জন শিক্ষক নিযুক্তি দিলে ফলত বহু সংখ্যক শিক্ষকে আজিও দৰ্মহা পোৱা নাই। সেই শিক্ষক সকলে এতিয়া পেটত গামোছা মাৰি থাকিব নেকি ? অথচ যোৱা বিধান সভাতে বিত্ত মন্ত্ৰী মহোদয়ে কৈছিল যে সকলো কৰ্মচাৰীকে দৰ্মহা দিয়া হৈছে। আপোনালোকে জানে যে আমাৰ বেচিভাগ শিক্ষকৰ আৰ্থিক অৱস্থা অত্যন্ত শোচনীয় আৰু অৱস্থাহীন তেনেস্থলত এই শিক্ষক সকলে দীৰ্ঘদিন ধৰি দৰ্মহা নাপালে তেওঁলোকৰ অৱস্থা কেনে হব পাৰে, সেইটো সহজে অনুমেয়। তাৰোপৰি তেওঁলোকৰ অন্য উপায়ো নাই সেয়ে মই আপোনাৰ জৰীয়তে অনুৰোধ কৰিব বিচাৰিছো যাতে আগন্তুক পূজাৰ আগতেই তেওঁলোকৰ পাবলগীয়া আটাইখিনি ধন আদায় দিয়ে। উপাধ্যক্ষ মহোদয়, সেই-কাৰণেই মই অনুৰোধ জনাইছো যাতে অসমৰ সকলোবিলাক শিক্ষক, কৰ্মচাৰী আৰু মাষ্টাৰ ৰোলত থকা কৰ্মচাৰী সকলক অনতি পলমে তেওঁলোকৰ দৰ্মহা আদায় দিব লাগে। তাৰোপৰি শিক্ষা আয়োগৰ প্ৰতিবেদন চলিত অধি-বেশনতেই দাখিল কৰিব লাগে আৰু ধেমাজীত যি কেইজন অতিৰিক্ত শিক্ষকক নিযুক্তি দিলে সেইটো বাতিল কৰিব লাগে।

☆ ডঃ জয় নাথ শর্মা : মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়ত মই এটা পইণ্ট কবলৈ বিচাৰিছো যিহেতু শিক্ষা বিভাগৰ কথা ওলাইছে। শিক্ষক সকলক আজি চাৰি মাহ ধৰি দৰমহা দিব পৰা নাই, কিন্তু প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ

★ Speech not Corrected.

কেচিয়াৰজনে দুই লাখ সাতাইশ হেজাৰ টকা লৈ গৈছে জমা দিয়া নাই, এই ক্ষেত্ৰত কিবা ব্যৱস্থা লোৱা হৈছে নে, এইটো এ,জি,পি, চৰকাৰৰ দিনৰ কথা নহয়। ১৯৯৩ চনত দুই লাখ সাতাইশ হেজাৰ টকা নগদ নোহোৱা হৈছে, দৰমহা দিব পৰা নাই। উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই অনুৰোধ কৰিছো যে সদন চলি থকা অৱস্থাতে সেই টকা কি হ'ল, কেচিয়াৰ জনক কি ব্যৱস্থা কৰা হৈছে, এই বিষয়ে সংশ্লিষ্ট মন্ত্ৰীক জনাইছে নে নাই, বিষয়টো অবগত হৈছে নে নাই, যদি হোৱা নাই হাউচক জনাব লাগে, যদি অবগত হৈছে এই বিষয়ে কি ব্যৱস্থা লোৱা হৈছে সদনক জনাব লাগে।

☆ শ্ৰীপ্ৰণব কুমাৰ নাথ ঃ মাননীয় অধ্যক্ষ মহোদয়, আজ "সময় প্ৰবাহ পত্ৰিকা"য় প্ৰকাশ পেয়েছে যে 'বেতনের দাবীতে শিক্ষকের আমরণ অনশন'। এই ব্যাপারে জিরো আওয়াবের সরকারের যে দৃষ্টি আকর্ষণ করা হয়েছে এ সম্পর্কে আমি ২/১ টি কথা বলব।

উপাধ্যক্ষ মহোদয়, প্রাথমিক শিক্ষক, এম ই স্কুলৰ শিক্ষক, হাইস্কুলের শিক্ষক এবং সংস্কৃত টোলের পণ্ডিতগণ বিগত ৪ মাস ধরে বেতন পাচ্ছে না। এই ব্যাপারে বিগত বেশ কিছুদিন ধরে বিভিন্ন সময়ে বিভাগীয় কর্তৃপক্ষের নিকট বিভাগীয় মন্ত্রীর নিকট দাবী পেশ করা হয়েছে। কিন্তু আজ পর্যন্ত সরকার এই ব্যাপারে কোনও গুরুত্ব আরোপ করেনি। করিমগঞ্জ জেলায় আজ পর্যন্ত তিনিজন শিক্ষক অনাহারে মৃত্যু বরণ করছেন সেজন্য আজ এই শূন্যকালীন আলোচনার সময় আমি সরকারে দৃষ্টি আকর্ষণ করে বলতে চাই যে আগামী দুর্গা পূজার আগে যেন তাদের সমস্ত বকেয়া বেতন দেওয়ার ব্যবস্থা করা হয়। সরকার এটার ব্যবস্থা করবেন বলে আশা রেখে আমার বক্তব্য শেষ করিছি।

☆ শ্ৰীজমন সিং ব্ৰহ্ম (মন্ত্ৰী) ঃ উপাধ্যক্ষ মহোদয়, বাতৰিত প্ৰকাশিত তিনি মাহে বেতন পোৱা নাই এইটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সম্পৰ্কে আমি বিভিন্ন গোচৰ পাইছো আৰু চিৰিয়াচ্‌লি প্ৰত্যেক মাহতে আলোচনা

★ Speech not Corrected.

কৰিছো। ইয়াৰ মূল কাৰণ হৈছে 'ৰিটেনচন'। ১৯৯৫ চনৰ জুন মাহৰ বেতন দিয়া হৈছে। শতকৰা যি পাচ ভাগক দিবলৈ আছে তাকো দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। বেতনৰ ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে মইও ডিফেন্সত চাকৰি কৰিছিলো, আমি প্ৰত্যেক মাহৰ এক তাৰিখে দৰমহা পাইছিলো। এইটো অকল স্কুলৰ ক্ষেত্ৰতে নহয় প্ৰত্যেক বিভাগৰ বিষয়া কৰ্মচাৰীয়ে প্ৰত্যেক মাহৰ দৰমহা সময় মতে পাব লাগে। জুন, জুলাই, আগষ্ট মাহৰ দৰমহা পোৱা নাই বুলি কৈছে, ৰিটেনচন গৈছে আৰু মাননীয় সদস্য সকলে কৈছে যে হায়াৰ চেকেণ্ডাৰীৰ ৰিটেনচন হোৱা নাই—ৰিটেনচন গৈছে। এই কাৰণে শিক্ষক সকলৰ এজিটেচন কলপচ হৈছে। দুৰ্গা পূজাৰ আগতে দৰমহা দিয়া হব।

★ শ্ৰীমুনীণ মহন্ত : উপাধ্যক্ষ মহোদয়, ৰিটেনচন মানে কি, আমি বুজা নাই ?

★ শ্ৰীহিতেশ্বৰ ডেকা : উপাধ্যক্ষ মহোদয়, আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে এই সম্পৰ্কে সদনত কৈছিল। ৰিটেনচনৰ ইনটাৰপ্ৰেটেচন কি ?

★ শ্ৰীজমন সিং ব্ৰহ্ম (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, ৰিটেনচন মানে নবীকৰণৰ নিচিনা হয়।

★ ড° জয়নাথ শৰ্মা : উপাধ্যক্ষ মহোদয়, ৰিটেনচন উঠাই দিয়ক, এজন হিন্দী শিক্ষকে এই বাবে ৯ মাহ ধৰি অহা যোৱা কৰিব লগা হৈছিল।

★ শ্ৰীজমন সিং ব্ৰহ্ম (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয় এই ৰিটেনচন শব্দটো উঠাই দিবলৈ আলোচনা কৰি থকা হৈছে। বৰ্ত্তমান বিবেচনা কৰি থকা হৈছে।

★ ড° জয়নাথ শৰ্মা : মাননীয় উপাধ্যক্ষ মহোদয়, ৰিটেনচন শব্দটো উঠাই দিলে নহব। এই যিটো জনসাধাৰণক হাৰাশাস্তি কৰা ব্যৱস্থা এই ৰিটেচন চিষ্টেমটোৱে উঠাই দিব লাগিব।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : উপাধ্যক্ষ মহোদয়, যোৱা বিধান সভাৰ অধিবেশনত এই ৰিটেনচন ব্যৱস্থাটো উঠাই লোৱা হব বুলি কোৱা হৈছিল। কিন্তু এতিয়ালৈকে কিয় এই ৰিটেনচন ব্যৱস্থা উঠাই লোৱা

★ Speech not Corrected.

চোৱা নাই মুখ্য মন্ত্রী ডাঙৰীয়াই কব নে ?

★ শ্রীপদ্মেশ্বৰ দলে : উপাধ্যক্ষ মহোদয়, যিটো প্লেন আৰু নন্-প্লেনৰ কথা আছে। আচলতে প্লেনৰ পোষ্টবিলাক নন্-প্লেনলৈ দাইভাৰ্ট হব লাগে। কিন্তু ধেমাজী জিলাত আজিলৈকে এইটো কৰা নহ'ল ইয়াৰ কাৰণ কি ?

★ শ্রীজমন সিং ব্রহ্ম (মন্ত্রী) : উপাধ্যক্ষ মহোদয়, ধেমাজীত এতিয়ালৈ প্লেনত ৭৪৮ জন শিক্ষকক নিযুক্তি দিয়া হৈছে। আৰু আমি এইসকল শিক্ষকক দৰমহা দি আছো।

★ শ্রীদিলীপ কুমাৰ শইকীয়া : উপাধ্যক্ষ মহোদয়, ধেমাজীত কিন্তু আজিৰ তাৰিখলৈ শিক্ষক সকলে দৰমহা পোৱা নাই।

★ শ্রীজমন সিং ব্রহ্ম (মন্ত্রী) : উপাধ্যক্ষ মহোদয়, যিবিলাকক ৰেগুলাৰ হিচাপে নিযুক্তি দিয়া হৈছে সেইসকলে দৰমহা পাই আছে। ৰিটেনচন পোৱা বিলাকক পূজাৰ আগে আগে দৰমহা দিয়াৰ ব্যৱস্থা কৰা হব।

★ শ্রীদিলীপ কুমাৰ শইকীয়া : মাননীয় উপাধ্যক্ষ মহোদয়, আমি বে আইনী ভাৱে নিযুক্তি পোৱা সকলক দৰমহা দিয়াৰ কথা কোৱা নাই। যিবিলাক ৰেগুলাৰ নিযুক্তি হৈছে সেইসকলক দৰমহা দিয়াৰ কথা কৈছো। আমি জানো ১৯৬০/১৯৫৫ চনতে নিযুক্তি পোৱা শিক্ষকেও দৰমহা পোৱা নাই। যোৱা ১২ তাৰিখে শিক্ষকসকলে ডি আই অফিচৰ সন্মুখত ঘেৰাও কৰিছে। উপাধ্যক্ষ মহোদয়, আমি চৰকাৰক অনুৰোধ কৰিব বিচাৰো শিক্ষা বিভাগৰ প্রতিবেদন এই চলিত বিধান সভাৰ অধিবেশনতে দাখিল কৰিব লাগে।

মাননীয় উপাধ্যক্ষ : এইটো বিষয়ৰ ওপৰত বহুত কেইজনে কৈছে আৰু কব নালাগে।

★ শ্রীগহীন চন্দ্র দাস : মাননীয় উপধ্যক্ষ মহোদয়, মই বেছি কবলৈ নাযাওঁ। মই মাত্র এটা অনুৰোধহে কৰিব বিচাৰিছো। অসমৰ সকলো ঠাইতে যাতে শিক্ষক-সকলক সময় মতে দৰমহা দিয়াৰ ব্যৱস্থা কৰা হয়। আৰু এটা কথা মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এতিয়াও বহু শিক্ষক আছে যিবিলাকৰ প্লেনত থকা ৭/৮ বছৰ হৈ গৈছে। সেইসকল শিক্ষকক

★ Speech not Corrected.

নন্-প্লেনলৈ নিয়াৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰে শিক্ষকসকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰিবনে আৰু প্লেনৰ শিক্ষক সকলক নন্-প্লেনলৈ অনাৰ ব্যৱস্থা কৰিব নে জনাব লাগে।

★ শ্রীজমন সিং ব্রহ্ম (মন্ত্রী) : উপাধ্যক্ষ মহোদয়, প্লেনৰ পৰা নন্-প্লেনলৈ অনা হয় ৰাজ্যৰ বিচোৰ্চৰ টকাৰ ওপৰত ভিত্তি কৰিহে। শিক্ষা বিভাগৰ প্রতিবেদনৰ ওপৰত বর্ত্তমান বিবেচনা চলি থকা বাবে সদনত উত্থাপন কৰিব পৰা হোৱা নাই।

★ ডঃ জয়নাথ শর্মা : উপাধ্যক্ষ মহোদয়, এটা ফাইনেন্সিয়েল ইয়াৰ শেষ হলে এটা সময়ত প্লেনৰ পোষ্ট বিলাক লগে লগে নন্-প্লেনলৈ যাব লাগে। গতিকে মুখ্য মন্ত্রীয়ে হস্তক্ষেপ কৰি এতিয়ালৈকে যিবিলাক পোষ্ট নন্-প্লেনলৈ অনা হোৱা নাই সেই বিলাক পোষ্ট নন্-প্লেনলৈ অনাৰ ব্যৱস্থা হব নে নাই জনাব লাগে।

Mr. Dy. Speakr : I Now Call upon the Hon'ble Member Dr. Kamala Kalita and Shri Gahin Ch. Das to raise their Zero hour Notice under the Caption. "পাঠ্যপুথি পোৱাৰ আশা নাই ছাত্র-ছাত্রীৰ"

ডাঃ কমলা কলিতা : আজিৰ বাতৰি কাকতত যোৱা ১৮ তাৰিখে 'পাঠ্য পুথি পোৱাৰ আশা নাই ছাত্র-ছাত্রীৰ' এই শীর্ষক বাতৰি এটা প্রকাশ পাইছে। মই এই বিষয়ে শিক্ষা মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। আমাক এই বাতৰিটোৱে এই কাৰণে উদ্বিগ্ন কৰিছে যে যোৱা প্রায় ৩/৪ বছৰে বিদ্যালয়ত ছাত্র-ছাত্রীৰ পাঠ্য পুথি নোহোৱা বাতৰি প্রকাশ হৈ আছে। ছাত্র-ছাত্রীক সময় মতে পাঠ্য পুথি যোগান নধৰা বাবে ছাত্র-ছাত্রীসকলে যি ধৰণে শিক্ষা পাব লাগিছিল সেইধৰণে পোৱা নাই উপাধ্যক্ষ মহোদয়, আজি প্রায় ২০ দিন মান আগতে আজিৰ বাতৰি কাকতত এটা বাতৰি পৰিবেশন কৰা হৈছিল। হাহিমত গাৰো

★ Speech not Corrected.

মাধ্যমৰ স্কুলত পাঠ্য পুথি নথকা বাবে বিদ্যালয় বন্ধ ৰাখিব লগা হৈছে। অকল গাৱেঁ মাধ্যমেৰে নহয়, অসমত অসমীয়া মাধ্যমেৰে যিখিনি পাঠ্য পুথি যোগান ধৰিব লাগে সেইখিনি সময় মতে যোগান ধৰিব পৰা নাই। পাঠ্য পুথি ছপোৱাৰ ক্ষেত্ৰত শিক্ষা বিভাগ আৰু পাঠ্য পুথি প্ৰকাশন নিগমে যি ধৰণে তৎপৰতা দেখুৱাব লাগিছিল সেই ধৰণৰ তৎপৰতা লব পৰা নাই। ১৯৯৬ চনৰ শিক্ষা বৰ্ষৰ বাবে পাঠ্য পুথি যদি সময় মতে যোগান ধৰিব লাগে তেতিয়াহলে যোৱা আগষ্ট মাহতে ছপাবৰ বাবে অৰ্ডাৰ দিব লাগিছিল কিন্তু আজি চেপ্তেম্বৰ মাহো শেষ হওঁ হওঁ অৱস্থা। এতিয়াও পাঠ্য পুথি প্ৰকাশন নিগমে ছপাবৰ বাবে কোনো নিৰ্দেশ দিয়া নাই। আমাক ছপাশালৰ মালিক সকলে জনাইছে যে যদি এতিয়া পাঠ্য পুথি ছপাবৰ বাবে দিয়া হয় তথাপিও ১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাহৰ আগতে কিতাপ যোগান ধৰা সম্ভৱ নহব। অথচ এতিয়াও পাঠ্য পুথি ছপাবৰ বাবে নিৰ্দেশ দিয়া হোৱা নাই। পাঠ্য পুথি যোগানৰ নামত যিটো ভেকো ভাওনা চলি আছে, ল'ৰা-ছোৱালীক লৈ যি হেতালী খেলা হৈছে সেইটো আৰু চলি থাকিব দিব নোৱাৰি। গতিকে শিক্ষা বিভাগে পাঠ্য পুথি নিগমে যাতে ১৯৯৬ চনৰ শিক্ষা বৰ্ষৰ বাবে সময় মতে পাঠ্য পুথি যোগান ধৰিব পাৰে তাৰ বাবে ব্যৱস্থা লব লাগে। চৰকাৰে স্পষ্ট ভাৱে কব লাগে যাতে অহা শিক্ষা বৰ্ষত পাঠ্য পুথি সময় মতে যোগান ধৰা হয় আৰু যদি সময় মতে যোগান ধৰা নহয় তেতিয়া হলে চৰকাৰে সংশ্লিষ্ট সকলোকে জগৰীয়া কৰিব আৰু সেই সকল বিষয়া কৰ্মচাৰীক কোনো বিচাৰ নকৰাকৈ শাস্তি মূলক ব্যৱস্থা লব। হাহিমৰ দৰে যাতে আমাৰ ইয়াতো পাঠ্য পুথিৰ কাৰণে স্কুল বন্ধ ৰাখিব লগীয়া নহয় তাৰ ব্যৱস্থা লব লাগে। পাঠ্য পুথি যোগানৰ নামত যি ভেকো ভাওনা চলি আছে তাক আতৰ কৰাৰ বাবে কি ব্যৱস্থা লোৱা হৈছে চৰকাৰে জনাব লাগে।

☆ শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় উপাধ্যক্ষ মহোদয়, ইতি পূৰ্বে আমাৰ মাননীয়

★ Speech not Corrected.

সদস্য গৰাকীয়ে কৈছে যে পাঠ্য পুথি সময় মতে যোগান ধৰাটো সম্ভৱ নহয়। আজি কেইদিনমান আগতে মই কেইজনমান প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক লগ পাইছিলো তেখেত সকলে জনাইছে যে তেখেত সকলৰ বিদ্যালয়ত দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ১৯৯৫-৯৬ চনৰ বছৰৰ পাঠ্য পুথি এতিয়াও পোৱা নাই। শিক্ষক কেইজন কোন আছিল মোৰ স্পষ্ট মনত নাই। বাতৰি কাকতত বিভিন্ন বাতৰি প্ৰকাশ পাই আছে। চৰকাৰে শিক্ষা বিভাগত বিভিন্ন আঁচনি হাতত লৈছে। আজি শিক্ষা বিভাগৰ সকলোকে শিক্ষিত কৰিব নোৱাৰাৰ আচল কাৰণ কি ? তাৰ ওপৰত নিৰ্ভৰ নকৰি চৰকাৰে আজিৰ শিক্ষা ব্যৱস্থা বা সকলোকে শিক্ষিত কৰাৰ যি প্ৰচেষ্টা লৈছে আচলতে মই সেইটো আচল কাৰণ বুলি নাভাবো। মই ভাবো ছাত্ৰ-ছাত্ৰীয়ে খাবলৈ নোপোৱাৰ বাবে শিক্ষাৰ মানদণ্ড কমি যোৱা নাই। শিক্ষাৰ মানদণ্ড নিম্ন গামী হোৱাৰ ঘাই কাৰণ হ'ল বিদ্যালয়-বিলাকক ডেস্ক, বেঞ্চ, বোৰ্ড আদি যোগান ধৰিব নোৱাৰাটোহে। শিক্ষকক সময় মতে দৰমহা দিব নোৱাৰাটোহে। প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক দুপৰীয়াৰ আহাৰৰ চাউল যোগান ধৰিলে শিক্ষাৰ মানদণ্ড উন্নত হব নোৱাৰে। প্ৰকৃত সমস্যাবিলাক আওকান কৰি থাকি আচল সমস্যাহে হৃদয়ঙ্গম কৰা দৰকাৰ। যিটো কৰিলে আমাৰ দেশৰ উন্নতি হব। ছাত্ৰ-ছাত্ৰীৰ উন্নতি হব সেইবিলাক কথাহে হৃদয়ঙ্গম কৰা ভাল। চৰকাৰে আচল সমস্যা-বিলাক আওকান কৰি থাকিলে আমাৰ প্ৰজন্ম ধ্বংস হব। আমাৰ শিক্ষা ব্যৱস্থাৰ কি কাৰণে উন্নতি হোৱা নাই সেইবিলাক কথাহে ভালদৰে চিন্তা চৰ্চা কৰি মনোযোগ দিব লাগে। আমাৰ আজি বিভিন্ন চৰকাৰী প্ৰতি-ষ্ঠান লষ্ট হোৱা বুলি বিক্ৰী কৰি দিবলৈ ওলাইছে। এতিয়া আমাৰ মানুহ গঢ়া শিক্ষা প্ৰতিষ্ঠান বিলাকো লষ্ট হোৱা বুলি বিক্ৰী কৰি দিব নেকি ? উন্নতি কৰিব পৰা নাই বুলি কৈ বন্ধ কৰি দিব নেকি ? শিক্ষা বিভাগত যি ব্যৱস্থা চলি আছে সেই ব্যৱস্থা চলি থাকিলে অসমীয়া জাতিৰ, অসমীয়া ভাষাৰ কি অৱস্থা হব নজৰ দিয়া ভাল। মই চৰকাৰক অনুৰোধ কৰিছো

★ Speech not Corrected.

Discussion during Zero Hour

আচলতে বেচিক প্ৰ'ব্লেম যিবিলাক আছে সেইবিলাক চৰকাৰে হৃদয়ঙ্গম কৰি আতৰ কৰাৰ ব্যৱস্থা কৰক। শিক্ষক সকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰক। ছাত্ৰ-ছাত্ৰীৰ পাঠ্যপুথি সময় মতে যোগান ধৰাৰ ব্যৱস্থা কৰক। কিন্তু চৰকাৰে এই বিলাক বিষয়ৰ ওপৰত কাণ নিদি শিক্ষক সকলৰ ওপৰত পুলিচ মিলিটাৰী লগাই দি কাণত ধৰি আঠু কঢ়াই থৈছে। এইবিলাক ব্যৱস্থাই শিক্ষাৰ মানদণ্ড উন্নত কৰিব নোৱাৰে। শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ হলে চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ পাঠ্যপুথি সময় মতে যোগান ধৰাৰ ব্যবস্থা কৰক। বেচিক প্ৰবলেমবিলাক সমাধান কৰাৰ ব্যৱস্থা কৰক। ইয়াকে আশা কৰি মই মোৰ বক্তব্য সামৰিলো।

★ শ্ৰীবদন বৰুৱা : মাননীয় উপাধ্যক্ষ মহোদয়, এই গোটেই সমস্যাটোৰ লগত মই পৰোক্ষ ভাৱে জড়িত। মই জানো পাঠ্যপুথি নিগমৰ যিটো বেমাৰ এইটো চৰকাৰী বেমাৰ। পাঠ্যপুথি নিগমে সময় মতে টকা নাপায়। যোৱাবাৰো পাঠ্যপুথি নিগমৰ হাতলৈ সময় মতে টকা যোৱা নাই। এই পাঠ্যপুথি নিগমে বিনামূলীয়াকৈ কিতাপ যোগান ধৰিব লাগে। এই কিতাপৰ বাবদ বোধ হয় বাৰ কোটি টকা শিক্ষা বিভাগৰ পৰা বিশেষকৈ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ পৰা পাঠ্যপুথি নিগমক দিবলৈ বাকী আছে। এই বাকী থকাৰ ফলত সময় মতে কাগজ কিনিব নোৱাৰে। এই বেমাৰটো যদি মন্ত্ৰী ডাঙৰীয়াই চিকিৎসা কৰি ভাল কৰিব পাৰে তেন্তে মই প্ৰত্যাহ্বান জনাওঁ ভাল কৰিব নোৱাৰে। তেখেত সকলে কেতিয়াও সময় মতে কিতাপ যোগান ধৰিব নোৱাৰে। যোৱা বছৰ স্থানীয় প্ৰেছক কাম দিয়া হৈছিল তিনি মাহৰ কাৰণে। শ্ৰমৰ কথা জড়িত আছে তিনি মাহৰ আগতে দিব নোৱাৰে। পিচত জনালে যে এমাহৰ ভিতৰত দিব লাগে। ৩১ ডিচেম্বৰৰ ভিতৰত কিতাপ দিব লাগিব। স্থানীয় চপাশালে কামটো লললে। বাহিৰৰ প্ৰেচক দিয়া হ'ল। ফলত কিতাপ আহিল পলমকৈ। মোৰ এটা প্ৰশ্নোত্তৰত কৈছিল যে এটা লাইট জ্বলিলেই গ্ৰাম্য বৈদ্যুতিকৰণ হৈ যায়। ঠিক সেই দৰে দহখন কিতাপ

★ Speech not Corrected.

দিলেই কিতাপ দিয়া হলনেকি ? নেপালী, গাৱো আদিৰ কিতাপ যোগান ধৰিব পৰা নাই। এই বেমাৰটো ভাল কৰিবলৈ হলে প্ৰাথমিক শিক্ষা মন্ত্ৰী গৰাকীয়ে নিজা দায়িত্বত চোৱা চিতা কৰিব লাগিব। সময় মতে পাঠ্যপুথি নিগমক টকা দিব লাগিব। তেহে সময় মতে কাগজ কিনিব পাৰিব। যোৱা বছৰৰ টকা দিবলৈ বাকী আছে। এই ক্ষেত্ৰত শিক্ষা বিভাগে ভাল পদক্ষেপ লব বুলি আশা কৰিলো।

★ শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৯৫ চনৰ তিনি আগষ্ট তাৰিখৰ আজিৰ অসম 'কাকতত প্ৰকাশিত' 'মাধ্যমিক শিক্ষাৰ উদ্বেগজনক অৱস্থা' শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মাননীয় সদস্য ডাঃ কমলা কলিতা, বদন বকৱা, গহীন চন্দ্ৰ দাস ডাঙৰীয়াই গোটেই বিষয়টো দাঙি ধৰাৰ বাবে ধন্যবাদ জনাইছো। পাঠ্যপুথি নিগমে কিতাপ যোগান দিয়াৰ ক্ষেত্ৰত আৱশ্যকীয় পৰা কিছু খেলি-মেলি চলি আছে। এই খেলি-মেলি বিলাক পৰ্য্যায়ক্ৰমে দূৰ কৰিবৰ কাৰণে চেষ্টা চলাইছো। ১৯৯৬ চনত যি কিতাপৰ প্ৰয়োজন হব সেইখিনি ১৯৯৫ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত দিম। শেহতীয়া ভাৱে শিক্ষা বিভাগৰ পৰা ৭ কোটি টকা মোকলাই দিয়া হৈছে আৰু ২/৩ দিনৰ ভিতৰত তেওঁলোকৰ হাতত টকাটো পৰিব।

★ শ্ৰীবদন বকৱা : কিমান টকা দিবলৈ বাকী আছে ?

★ শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (ৰাজ্যিক শিক্ষা মন্ত্ৰী) : যোৱা বছৰৰ ৭ কোটি টকা বুলি কৈছিল। এই টকাখিনি পোৱাৰ পিচত কাগজ কিনি কিতাপ চপাব পাৰিব বুলি আশা কৰিছো। ১৯৯৬ চনৰ শৈক্ষিক বছৰৰ আৱশ্যকীয় পৰা কিতাপ যোগান দিব পাৰিম। ডাঃ কলিতা ডাঙৰীয়াই কৈছে অৰ্ডাৰ দিয়া নাই। আগষ্ট মাহৰ ভিতৰত অৰ্ডাৰ দিয়া হৈছে। কিতাপ চপা হৈ ঘুৰি আহিছে। আমাৰ প্ৰচেষ্টাত সন্দেহ কৰিব লগীয়া কথা নাই। চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিছো।

পাথ্যপুথি যোগান ধৰাৰ বেমেজালিৰ কাৰণে শিক্ষাৰ ক্ষেত্ৰত যিখিনি

★ Speech not Corrected.

আসোৱাহ নৈ গৈছে নাইবা টকা পইচাৰ উজুহাততে পাঠ্যপুথি যোগান ধৰাত যিখিনি বেমেজালি হৈছে, এই সকলোখিনি নহবলৈ মই প্রত্যাহ্বান হিচাবে গ্রহণ কৰিছো। গতিকে মই মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যে এই ক্ষেত্রত যাতে সকলোৱে সহায় সহযোগিতা আগবঢ়াই। পাঠ্যপুথি যোগান ধৰাত যিখিনি আসোৱাহ নৈ গৈছে বুলি তেখেত সকলে যি গুৰুত্বসহকাৰে বিষয়টো লৈছে, সেই গুৰুত্বসহকাৰে মই পাঠ্যপুথি যোগান ধৰিবলৈ চেষ্টা কৰিম। যিখিনি টকা পাবলগীয়া আছে বুলি বকৱা দেৱে কৈছে, সেইখিনি দিবলৈ আৰু কিতাপ সময়মতে পাবলৈ বা চপা হবলৈ সময় খৰছ নহব বুলি মই আশ্বাস দিছো।

★ শ্রীকমলা কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো যে তেখেতে বিষটো প্রত্যাহ্বান হিচাবে লৈছে। এই খিনিতে মই এটা কথা কব বিচাৰিছো যে, হাহিমত গাড়ো মেডিয়ামৰ স্কুল এখন আছে আৰু সেই স্কুলখন পাঠ্যপুথিৰ অভাৱত বন্ধ হৈ আছে। মোৰ বকো সমষ্টিৰ কথা কবলগীয়া নাছিল। কিন্তু তেওঁলোকে নোকোৱা কাৰণে কবলৈ বাধ্য হৈছো এই স্কুলখনৰ পাঠ্যপুথি যোগান ধৰাৰ বাবে কেতিয়া ব্যৱস্থা গ্রহণ কৰিব সেইটো মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিছাৰিছো। তেখেতে বিষয়টো প্রত্যাহ্বান হিচাবে লৈছে, যদি ব্যৱস্থা কৰিব পাৰে ভাল, যদি লব নোৱাৰে কি বুলি আশ্বাস দিব।

★ শ্রীহেমপ্রকাশ নাৰায়ণ (মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, গাড়ো স্কুলখন বন্ধ হৈ থকা কথাটো মোৰ অৱগত হোৱা নাছিল। গাড়ো, নেপালী, মিচিং, আদি ভাষাৰ প্রাথমিক পর্য্যায়ত কিতাপৰ অসুবিধা আছে। মই মাননীয় সদস্য সকলক অৱগত কৰিব বিছাৰিছো যে এইখিনি ব্যৱস্থা লবলৈ মই সকলোখিনি ব্যৱস্থা কৰিম। যদিও গাড়ো মিডিয়ামৰ স্কুল বন্ধ হৈ গৈছে তৎকালীন ভাৱে মই ব্যৱস্থা গ্রহণ কৰিবলৈ চিন্তা কৰিছো। মাননীয় উপাধ্যক্ষ : I Now call upon Hon'ble Member Mohibul Haque to Speak on his Zero Hour Notice

★ Speech not Corrected.

Discussion during Zero Hour

"আজিৰ দিনতো ৫০ টকীয়া দৰমহা" On a News item published in the Azir Asom under the caption "Panchash Takia Chakari" dated 18-9-95.

শ্রীমহিবুল হক : মাননীয় উপাধ্যক্ষ মহোদয়, ১৮ চেপ্তেম্বৰ তাৰিখৰ আজিৰ অসম বাতৰি কাকতত প্রকাশিত "আজিৰ দিনতো ৫০ টকীয়া চাকৰী" শিৰোনামা বাতৰিটোত মই চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিছো। বিশেষকৈ সংশ্লিষ্ট বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, উক্ত শিৰোনামা বাতৰিটো এটি লোমহর্ষক বাতৰি। আজিৰ দিনতো ৫০ টকীয়া চাকৰি। আমাৰ পৰিয়াল কল্যাণ বিভাগৰ ধাত্রী সহায়িকা সকলে আজিও মাহিলী ৫০ টকা দৰমহা পায়। ভাৰতবর্ষ স্বাধীন হোৱা ৪৭ বছৰ পাৰ হৈ গ'ল। গতিকে এতিয়াও ৫০ টকা দৰমহা মাহিলী আদায় দিয়াটো এটা বেদনাদায়ক কথা।

মাননীয় উপাধ্যক্ষ মহোদয়, এই ক্ষেত্রত মই চৰকাৰ তথা জনসাধাৰণৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে সামাজিক দিশত দেশখনত বহুতো উন্নয়ন মূলক আঁচনি গ্রহণ কৰিছে। ভাৰতবর্ষৰ আন আন প্রদেশৰ লগতে আমাৰ কংগ্রেছ চৰকাৰেও যি দৰে আর্থিক সামাজিক দিশত উন্নয়ন মূলক আঁচনি গ্রহণ কৰিছে যেনে— দুটকা মূল্যৰ চাউল বিতৰণ কৰিছে। আঠ টকা ২৫ পইচা মূল্যত চাউল কিনি ৬ টকা পচিশ পইচাকৈ চৰকাৰে নিজে বহন কৰি বিতৰণ কৰোতে চৰকাৰে প্রতিমাহে ২১ কোটি টকা বহন কৰিব লগীয়া হৈছে। বৃদ্ধ পেঞ্চন দিয়া হৈছে। মহিলা সকলৰ কল্যাণৰ অর্থে মহিলা পেঞ্চন দিয়া হৈছে। তাৰোপৰি যিসকল মহিলাৰ দুটাকৈ শিশু তেওঁলোকক সকাহ দিয়াৰ অর্থে আর্থিক বিষয়ত আঁচনি গ্রহণ কৰা হৈছে। আৰু বহুতো আর্থিক তথা সামাজিক ভাল ভাল আঁচনি চৰকাৰৰ তৰফৰ পৰা গ্রহণ কৰিছে আৰু কৰিবলৈ বিচাৰিছে এই ক্ষেত্রত ধাত্রী সকলক মাহিলি ৫০ টকা দৰমহা দিয়াটো সচাকৈ বেদনাদায়ক কথা। গতিকে আমাৰ চৰকাৰে ভাৰতবর্ষৰ উন্নয়ন-

মূলক আর্থিক তথা সামাজিক ক্ষেত্রত যি আঁচনি গ্রহণ কৰিছে সেই ক্ষেত্রত মই আশা ৰাখিছো যে বিশেষকৈ মাননীয় মন্ত্রী মহোদয়ৰ ওচৰত অনুৰোধ কৰিব বিচাৰিছো যে বর্ত্তমান পৰিয়াল কল্যান বিভাগৰ ধাত্রী সহায়িকা সকলৰ মাহিলি দৰমহা বঢ়াই দি তেওঁলোকক চতুর্থ শ্রেণীৰ কর্মচাৰী হিচাবে গ্রহণ কৰাৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। ইয়াৰ লগতে গোৱা ১৯৯৪ চনলৈ যি সকল মাষ্টাৰৰোল শ্রমিক আছিল তেওঁলোকক ৰেগুলাৰাইজ কৰাৰ এটা আঁচনি লব লাগে আৰু তেওঁলোকক চতুর্থ শ্রেণীৰ কর্মী হিচাবে ঘোষণা কৰিব লাগে। তেওঁলোকৰ দৰমহা মাহিলি চতুর্থ শ্রেণীৰ দৰমহাৰ সৈতে একে কৰি চতুর্থ শ্রেণীৰ মর্য্যদা দিব লাগে। তাৰোপৰি সকলো সমাজ কল্যাণ বিভাগৰ আই, চি, ডি, এচ অঙ্গনবাদী আছে তেওঁলোকৰ দৰমহা ৫০ টকাই যথেষ্ট নহয় সেয়ে তেওঁলোকৰ দৰমহা বঢ়াই দি চতুর্থ শ্রেণীৰ অন্তর্ভূক্ত কৰিবলৈ সমাজকল্যাণ বিভাগৰ মন্ত্রী মহোদয়ক অনুৰোধ কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ধাত্রী সহায়কাৰী সকলৰ দুৰৱস্থাৰ প্রতি লক্ষ্য ৰাখি তৎকালীন ভাৱে ব্যৱস্থা গ্রহণ কৰিব লাগে। ভাৰতবর্ষৰ ভিতৰত আমাৰ চৰকাৰে বহুতো ভাল আঁচনি লৈছে। পশ্চিমবঙ্গৰ দৰে সর্ব্বহাৰাৰ দল বুলি দাবীকৰা বামফ্রন্ট দলে সকলোবিলাক পদক্ষেপ গ্রহণ কৰিব পৰা নাই। এই ক্ষেত্রত সাহস কৰিব পৰা নাই। সেই কাৰণে এই ধাত্রী সহায়কাৰী সকলক আৰু I. C. D. S. ৰ অঙ্গনবাদী সকলক চতুর্থ বর্গৰ মর্য্যদা দি তেওঁলোকৰ দৰমহা বৃদ্ধি কৰিব বুলি চৰকাৰক অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ--

'জয়হিন্দ'

শ্রীপানী ৰাম ৰাভা : মাননীয় উপাধ্যক্ষ মহোদয়, গাওঁ অঞ্চলত যিবিলাক চাব চেণ্টাৰ আছে তাত ডাক্তৰ নাই। তেওঁলোকে ডাক্তৰৰ দৰে কাম কৰিব লাগে। আগৰ বিধান সভাত এই বিষয়ে কেইবাবাৰো উল্লেখ কৰা হৈছিল। বেমাৰী আহিলে ডাক্তৰৰ দৰে ধাত্রী সহায়কাৰী সকলে বিচনা দিব লাগে,

বেজী দিব লাগে, চেলাইন দিব লাগে, ঔষধ আদি দিব লাগে। ট্রেইনিং নোহোৱা ডাক্তৰ সকলক গাওঁ অঞ্চলত অব্যাহতি দি ৰাখিছে। ধাত্রী সহায়কাৰী সকলে চিকিৎসা অব্যাহত ৰাখিব লগা হৈছে, কথাটো হ'ল তেওঁলোকে দৰমহা নাপায়, ৫০ টকাকৈ পুৰস্কাৰহে পায়। এই ৫০ টকাৰে তেওঁলোকে জীৱন নির্বাহ কৰিব নোৱাৰে, চিকিৎসা নকৰিলে বেমাৰীৰ মৃত্যু হয়। সেই কাৰণে চাবলগীয়া হয়। সেই কাৰণে কেওঁলোকক স্থায়ীভাৱে দৰমহা দিয়াৰ ব্যৱস্থা কৰি আটাইতকৈ উন্নয়নমূলক কাম চৰকাৰে কৰিব লাগে। এই ক্ষেত্রত হযতো স্বাস্থ্য মন্ত্রী মহোদয়ে কব যে এইটো কেন্দ্রীয় চৰকাৰৰ আঁচনি। এইটো আমাৰ অসমৰ গাওঁৰ মানুহৰ সমস্যা। দুখীয়া মানুহৰ চাকৰিটো স্থায়ী ভাৱে ৰাখিবৰ কাৰণে চৰকাৰে অতি কমেও ১ (এক) হেজাৰকৈ দৰমহা দি এই সমস্যাটো সমাধান কৰিব বুলি মই আশা ৰাখিলো।

★ ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য হক ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি মই ভাল বুলিয়ে কৈছো। তেখেতে ভাল পৰামর্শই দিছে। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি জানে যে এইটো চাকৰী নহয় এইটো ৰোগীৰ সহায়কাৰীহে তাৰ বিনিময়ত তেওঁলোকক ৫০ (পঞ্চাশ) টকা দিয়া হয়। এই বিষয়ে আগৰ বিধান সভাত ওলাইছিল। মাননীয় সদস্যসকল, মাননীয় মন্ত্রী মহোদয়সকল আৰু মাননীয় মুখ্য মন্ত্রী মহোদয়ে এই বিষয়ে আমালৈ লিখিছিল যে এই ৫০ (পঞ্চাশ) টকাটো কিয় বঢ়াই দিয়া নহয়? এই গোটেই কথাটো আমি কেন্দ্রীয় চৰকাৰক জনাইছো। এই বস্তুটো শতকৰা ১০০ ভাগে হৈছে কেন্দ্রীয় চৰকাৰৰ। যোৱা ৮ চেপ্তেম্বৰত আমি কেন্দ্রীয় চৰকাৰক এখন ৰিমাইনণ্ডাৰও দিছো। আমি চিঠি লিখিছো যে কেন্দ্রীয় চৰকাৰে কিবা এটা ব্যৱস্থা লব আৰু এই বিষয়ে আমাক জনাব।

★ শ্রীআলাউদ্দিন সৰকাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, এই খিনিতে মই উপাধ্যক্ষ মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো যে পৰিয়াল কল্যাণ

★ Speech not Corrected.

আঁচনিৰ নামত ধাত্রী সহায়কাৰী সকলৰ কাৰণে ৩ কোটি টকা পাইছে বুলি স্বাস্থ্য বিভাগৰ সঞ্চালকৰ লগত যোগাযোগ কৰি কথাটো গম পাইছো। তাৰে পৰা তেওঁলোকৰ ৫০ বা ৬০ লাখ কিবা এটা টকা দিছে। তাকে নকৰি তেওঁলোকক বঞ্চিত কৰি ৰাখিছে। এই বিষয়ে কেন্দ্রীয় চৰকাৰলৈ কেতিয়া লিখিছে, মন্ত্রী মহোদয়ে জনাবনে ?

☆ ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) : উপাধ্যক্ষ মহোদয়, আমি যোৱা ৮ চেপ্তেম্বৰ তাৰিখে কেন্দ্রীয় চৰকাৰৰ ওচৰত ৰিমাইনণ্ডাৰ দিছো। মাননীয় সদস্য গৰাকীয়ে কৈছে যে টকা আহিছিল, সেই টকা অন্য কামত খৰছ হৈছে। মই সদনত আশ্বাস দিছো যে যিবিলাকে প্রাপ্যৰ পৰা বঞ্চিত কৰি অন্য কামত খৰছ কৰিছে সেই দোষী সকলৰ ব্যৱস্থা লম।

☆ শ্রীচিত্তেন্দ্র নাথ মজুমদাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, টকাখিনি পূজাৰ আগতে দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

☆ শ্রীআল্লাউদ্দিন সৰকাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, স্বাস্থ্য সহায়কাৰী ব্যক্তি সকলক তেওঁলোকৰ প্রাপ্য টকা পূজাৰ আগতে আগবঢ়াব নে ?

☆ শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, ধাত্রী সহায়কাৰী সকলক যিটো ৫০ টকা দিয়া হয় সেইটো বৃদ্ধি কৰিব লাগে। এই কথাটো আজি ওলোৱা নহয়। ১৯৭৮–৭৯ চনত জনতা চৰকাৰৰ দিনত আছিল। ৰাজ্যিক মন্ত্রী গৌতম ৰবাইও কৈছিল সেইটো মোৰ মনত নাই কাৰণ আমাৰ দেলিগেট ইউনিয়ন অথৰিটি এখন আছে। ৫০ টকাৰ পৰিবর্ত্তে ৫০০ (পাঁচ শ) টকা দিয়াৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে। মিছা-মিছি সদনত আশ্বাস দিব নালাগে। প্রাইমাৰী চাব-চেণ্টাৰ বিলাকত সহায়কাৰী সকলক বেছিকৈ টকা দি এলট কৰিব লাগে নহলে তেওঁলোকক ভালদৰে বুজাই দি ইমানতে ইতি কৰিব লাগে। নতুবা ৫০ টকাৰ পৰা ৫০০ টকা দিব বুলি যেতিয়া আশ্বাস দিছিলে এই প্রস্তাৱটোৰ এটা সিদ্ধান্ত লৈ তেওঁলোকক জনাই দিব লাগে।

☆ ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়ত মই সিদ্ধান্ত লম।

☆ **Speech not Corrected.**

Calling Attention Notice

Mr. Deputy Speaker : I now call upon Shri Ramendra Narayan Kalita to cal the attention of the Minister, Health under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in 'Dainik Asom' dated 22nd August, 1995 under the caption "চৰকাৰী অৱহেলাত মৃত্যুমুখী কৰ্কট প্ৰতিষ্ঠান"

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৫ চনৰ ২২ আগষ্ট তাৰিখৰ "দৈনিক অসম বাতৰি কাকতত" প্ৰকাশিত "চৰকাৰী অৱহেলাত মৃত্যুমুখী কৰ্কট প্ৰতিষ্ঠান" শীৰ্ষক বাতৰি-টোৰ প্ৰতি স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

★ ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, বিগত মাহৰ ২২ আগষ্ট তাৰিখে 'দৈনিক অসম' বাতৰি কাকতত প্ৰকাশিত বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

বিগত মাহৰ ২২ আগষ্টৰ "দৈনিক অসম" কাকতত প্ৰকাশিত "চৰকাৰী অৱহেলাত মৃত্যুমুখী কৰ্কট প্ৰতিষ্ঠান" শীৰ্ষক সংবাদটি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

বাতৰিত উত্থাপিত অভিযোগ কৰাৰ দৰে প্ৰতিষ্ঠানটোৰ প্ৰতি চৰকাৰে অৱহেলা কৰা নাই। উক্ত প্ৰতিষ্ঠানটো বৰ্ত্তমানে অসম চৰকাৰ, উত্তৰ পূৰ্ব পৰিষদ আৰু আনবিক শক্তি আয়োগৰ মাজত হোৱা এক চুক্তি মতে চলি আছে। সেই চুক্তিৰ চৰ্ত্ত অনুযায়ী অনুষ্ঠানটিৰ Recurring Fund ৰ বাবে প্ৰতিটো পক্ষই ⅓ অংশ আৰু Non recurring Fund ৰ বাবে আনবিক শক্তি আয়োগ আৰু উত্তৰ-পূৰ্ব পৰিষদ উভয়ে ৫০ শতাংশ ধনৰ আৱণ্টন দিয়ে। দুৰ্নীতি সম্পৰ্কে চৰকাৰ অৱগত নহয়। কিন্তু মাটি ভৰোৱা ক্ষেত্ৰত কিছু অনিয়মৰ কথা চৰকাৰৰ অৱগত

★ Speech not Corrected.

Calling Attention Notice

হোৱাত ইয়াৰ তদন্তৰ বাবে দুর্নীতি নিবাৰণ শাখাক দায়িত্ব দিয়া হৈছে।

অভিযোগত উল্লেখিত IITV ULTRA SOUND C. T. Scanner, cobalt 60 ইত্যাদি অচল হৈ পৰি থকাৰ কথাটো সঁচা নহয়। যন্ত্রপাতি মাত্রেই বিফল হোৱাটো স্বাভাবিক কিন্তু সেই যন্ত্রপাতি তৎকালে মেৰামতি কৰি কার্য্যক্রম কৰি তোলা হয়। কিন্তু এইটো সত্য যে, GAMA CAMERA টো স্থাপনৰ পাচৰ পৰা বিকল অৱস্থাত আছে। সম্ভৱতঃ ক্রয় কৰাৰ পাচত বহুদিনলৈকে স্থাপন নকৰাৰ বাবে এই অৱস্থা হ'ল। Management Committee ৰ সিদ্ধান্ত মতে এই যন্ত্রটো যি অৱস্থাত আছে, সেই অৱস্থাত বিক্রী কৰি নতুন এটা লবলৈ ব্যৱস্থা কৰিছে।

বাতৰিত উল্লেখ কৰাৰ দৰে চৰকাৰে কর্কট ৰোগৰ চিকিৎসাৰ বাবে উদাসীনতা অৱলম্বন কৰাটো সঁচা নহয়। বি, বৰুৱা কর্কট প্রতিষ্ঠান-টোৰ ওপৰিও চৰকাৰে অসম মেডিকেল কলেজ, শিলচৰ মেডিকেল কলেজ সমূহত 'অৱকল'জী উইং'টো শক্তিশালী কৰিবৰ বাবে আৰু ৰাজ্যখনত কর্কট ৰোগ চিকিৎসাৰ বাবে Cobalt-60, Tele therapy unit আৰু অসম মেডিকেল কলেজৰ বাবে Cobalt-60, 780 C যন্ত্র স্থাপনৰ বাবে ব্যৱস্থা কৰা হৈছে।

এই কর্কট প্রতিষ্ঠানটিৰ সর্বাংঙ্গীন উন্নতিৰ বাবে মুখ্য মন্ত্রীৰ পুজীৰ পৰা ১ কোটি টকা আৰু চৰকাৰৰ ১৯৯৪-৯৫ চনৰ স্বাস্থ্য বিভাগৰ বাজেটৰ পৰা ২০ (বিশ) লাখ টকা মোকলাই দিয়া হৈছে। ইয়াৰ ওপৰিও যোৱা বছৰত ওপৰঞ্চি ২০ বিঘা মাটি বিনামূল্যে আৱণ্টণ দিয়া হয়।

গতিকে বাতৰিত অভিযোগ কৰামতে চৰকাৰৰ অৱহেলা অথবা উদাসী-নতাৰ কথাটো সঁচা নহয়।

এই প্রতিষ্ঠানটো যদিও চৰকাৰে অধিগ্রহণ কৰাৰ কথা আছিল, কিন্তু বর্ত্তমানে উত্তৰ-পূৱ পৰিষদ, ভৱ অটোমিক এনার্জি আৰু অসম চৰকাৰৰ মাজত হোৱা ত্রিপাক্ষিক চুক্তিৰ পৰিপ্রেক্ষিতত চলি আছে। সেয়েহে এই

ত্রিপাক্ষিক চুক্তি বাহাল থকালৈকে অসম চৰকাৰে উক্ত প্ৰতিষ্ঠানটো অধিগ্ৰহণ কৰিব নোৱাৰে ।

★ ডাঃ কমলা কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে যে গামা কেমেৰা এটা ইন্‌ষ্টলদ কৰিছিল যদিও কাৰ্য্যক্ষম হোৱা নাই । মন্ত্ৰী মহোদয়ে কবনেকি যে, গামা কেমেৰাটো কিমান টকাত ইনষ্টলদ কৰা হৈছিল আৰু কিয় আজিলৈকে গামা কেমেৰাটো কাৰ্য্যক্ষম হোৱা নাই জনাবনে ?

★ ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, গামা কেমেৰাটো ১৯৯০ চনতে টাটা মেমোৰিয়েল চেণ্টাৰৰ যোগেদি অনা হৈছিল । প্ৰথমে এইটো বিনা পইচাতে দিয়া বুলি ভবা হৈছিল । কিন্তু তাৰ পিচত যেতিয়া চুক্তি হল তেতিয়া তাৰ দামটো কাটি লোৱা হল । ১৯৯০ চনৰ এপ্ৰিল, মে' মাহৰ ভিতৰতে এই মেচিনটো ইন্‌ষ্টলদ কৰা হল কিন্তু তাৰ পিচত দেখা গল যে, মেচিনটোৱে কাম নকৰে । তাৰ হার্দ দাইচখন বেয়া । এইটো ভাল কৰি দিয়াৰ বাবে কোম্পানীৰ পৰা মানুহ মতা হল তেওঁলোকে হার্দ দাইচখন ভাল কৰিবৰ বাবে লৈ গল আৰু কিছুদিনৰ পিচত ভাল কৰি আনিলে । তাৰ পিচত দেখা গল কাম নহয় । এইটো ১৯৯৪ চনৰ কথা । তেতিয়া তেওঁলোকে কলে যে, 'ভিতৰৰ আয়চ' টপটোও বেয়া গতিকে কাম নহয় । তেতিয়া তেওঁলোকে গোটেই মেচিনটো চেক কৰি পি, এম, টিৰ দিফেক্ট পালে আৰু ভাল কৰাৰ বাবে লৈ গল । ১৯৯৫ চনত তেওঁলোকে আহি কলে যে, এইটো ভাল নহয় । এইটো মেচিন কোম্পানীক ফিৰাই দিবলৈ কলে । তেওঁলোকে কলে যে, আৰু ২০ লাখ টকা দিলে এটা নতুন মেচিন পাব । সেই সময়ত মেনেজমেণ্ট কমিটিৰ চেয়াৰমেন আছিল দেশাই । তেওঁ কলে যে এটা নতুন মেচিন আনিব লাগে । গতিকে এতিয়ালৈকে এই মেচিনটোৰ একো কাম হোৱা নাই ।

★ ডাঃ কমলা কলিতা : উপাধ্যক্ষ মহোদয়, ১৯৯০ চনতে এই গামা কেমেৰাটো এপ্ৰিল মাহত ইনষ্টলদ কৰা হৈছিল আৰু মেচিনটো বিকল অৱস্থাত

★ Speech not Corrected.

আছে। গতিকে এইটো প্রমাণ হৈছে যে, অসমলৈ যিবিলাক যন্ত্রপাতি অনা হয় সকলোবিলাক ২ নম্বৰী। গতিকে গামা কেমেৰাৰ বাবদ কিমান টকা চেয়াবৰ পৰা কাটি লোৱা হৈছে আৰু ভাৰা অটমিক ৰিচাৰ্চ চেণ্টাৰে টাটা মেমোৰিয়েলৰ যোগেদি যিটো বিকল মেচিন পঠালে তাৰ বাবে তেওঁলোকক জগৰীয়া কিয় কৰা হোৱা নাই মন্ত্রী মহোদয়ে জনাবনে ?

☆ ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, কথাটো ময়ো বেয়া পাইছো। অনুসন্ধান কৰিবলৈ দিম আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিম।

☆ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় উপাধ্যক্ষ মহোদয়, গামা কেমেৰা সম্পৰ্কত স্বাস্থ্য মন্ত্রীয়ে উত্তৰ দিওতে এটা কথা কৈছে যে কেন্‌চাৰ হস্পিটেলৰ যন্ত্রপাতিবোৰ মাজে মাজে বেয়া হৈ থাকে আৰু পিচত ভাল কৰা হয়। কিন্তু উপাধ্যক্ষ মহোদয়, ইয়াত যিবোৰ মেচিন আছে সেইবোৰ প্ৰায়েই বেয়া হৈ থাকে আৰু ভাল কৰোতে যথেষ্ট সময় লয়, প্ৰতিষ্ঠানে ইয়াৰ ফলত দুখীয়া ৰোগী সকলৰ যথেষ্ট অসুবিধা হয়। কেন্‌চাৰ ৰোগী সকল ভেলোৰলৈ যাবলগীয়া হয় যথেষ্ট টকা খৰচ কৰি। মন্ত্রী মহোদয়ে বেয়া হৈ থকা মেচিনবোৰ সোনকালে ভাল কৰাৰ বাবে কি ব্যৱস্থা লৈছে ? ১৯৯০ চনত ইনষ্টল কৰা মেচিনটো তেতিয়াৰ পৰাই বিকল হৈ আছে মন্ত্রী মহোদয়ে এই কথাটো ইমান দিনে জনা নাছিলনেকি ? আজি কৈছে তদন্ত কৰা হব বুলি। আগতে কিয় তদন্ত কৰি ব্যৱস্থা লোৱা নহল জনাবনে ? দ্বিতীয় কথা হৈছে ১৯৮৯ চনৰ পৰা ১৯৯৫ চনলৈকে প্ৰত্যেক বছৰেই ৰাজ্য চৰকাৰ, কেন্দ্রীয় চৰকাৰ, পাৰমানবিক আয়োগ আৰু এন, ই, চিৰ পৰা এই কেন্‌চাৰ প্ৰতিষ্ঠানত টকা দি আছে। এই টকাবোৰ ক'ত আৰু কেনেকৈ খৰচ কৰা হৈছে, কিমান টকা পাইছে ইয়াৰ এটা স্পষ্ট উত্তৰ মন্ত্রী মহোদয়ে দিব লাগে। আৰু এটা কথা অসম গণ পৰিষদ চৰকাৰৰ দিনত এই কেন্‌চাৰ প্ৰতিষ্ঠানটো চৰকাৰীকৰণ কৰা হব বুলি ঘোষণা কৰা হৈছিল। ঘোষণা কৰাৰ ইমান বছৰৰ পিছটো এইটো

☆ Speech not Corrected.

কিয় কার্য্যকৰী কৰা হোৱা নাই ? চৰকাৰীকৰণ হলে সকলো ৰোগীয়ে বিনামূলীয়া চিকিৎসা পাব পাৰিলেহেতেন । এতিয়া ইয়াত বিনামূলীয়া চিকিৎসা ব্যৱস্থা প্রত্যাহাৰ কৰা হৈছে। কেৱল শতকৰা ৫ জনকহে বিনা-মূলীয়া চিকিৎসা দিয়া হয় । এ, জি, পি চৰকাৰৰ এই প্রতিষ্ঠানটো চৰকাৰী কৰণ কৰাৰ ঘোষণাটো কিয় প্রত্যাহাৰ কৰা হৈছে সেইটো মন্ত্রী মহোদয়ে জনাব লাগে । লগতে এই প্রতিষ্ঠানটো চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা লবনে ? মন্ত্রী মহোদয়ে এই প্রতিষ্ঠানটোৰ কাৰণে ৩০ বিঘা মাটি লোৱা বুলি কৈছে কিন্তু দাম দিয়াৰ ক্ষেত্রত কিছু খেলি-মেলিৰ সৃষ্টি হৈছে, যিখিনি টকা দিয়া হৈছে সেইখিনি ভালদৰে ব্যৱহাৰ হোৱা নাই । ইয়াত এক কেলেংকৰী হৈছে এই কথা মন্ত্রী মহোদয়ে জানেনে ? যদি জানে তেন্তে ইয়াৰ ওপৰত কি ব্যৱস্থা লৈছে জনাব লাগে । এই কেন্‌চাৰ প্রতিষ্ঠানটোৰ সঞ্চালক জনৰ বিষয়ে এই বিধান সভাত আগতে আলোচনা বিলোচনা চলিছিল । এই সঞ্চালক জনে এই প্রতিষ্ঠানটো ধ্বংসৰ মুখলৈ ঠেলি দিছে । এই সঞ্চালক জনৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে সেইটো স্পষ্ট ভাবে উত্তৰ দিব লাগে ।

ডাঃ ভূমিধৰ বর্মণ (স্বাস্থ্য মন্ত্রী) : উপাধ্যক্ষ মহোদয়, সদস্য জনৰ প্রশ্নৰ উত্তৰত কও যে মাটিৰ সম্পর্কত তেখেতে যিটো কথা কৈছে, এই বিষয়ে আগতে সদনতো আপত্তি উঠিছিল এতিয়া বিষয়টো অনুসন্ধান কৰিবৰ কাৰণে মুখ্য মন্ত্রীৰ ভিজিলেন্স চেলক দিয়া হৈছে । কেন্‌চাৰ প্রতিষ্ঠানত বিনামূলীয়া চিকিৎসাৰ সম্পর্কত কও যে বর্তমান শতকৰা ৪০ জন ৰোগীক বিনামূলীয়া চিকিৎসা দিয়া হয় আৰু বাকী ৬০ জনক মাছুল লৈ চিকিৎসা দিয়া হয় । যি সকল দুখীয়া ৰোগীয়ে মুখ্য মন্ত্রীৰ সাহায্য পুজিৰ পৰা টকা বিচাৰে চিকিৎসাৰ বাবে, এই টকা চিকিৎসা প্রতিষ্ঠানলৈ পঠোৱা হয় ৰোগীৰ চিকিৎসাৰ বাবে । আৰু দুখীয়া ৰোগীক বিনামূলীয়া চিকিৎসা দিয়া হয় ।

প্রতিষ্ঠানটো চৰকাৰীকৰণ সম্পর্কত কও যে ১৯৮৪-৮৫ চনত এখন

এক্‌জিকিউটিভত অর্ডাৰ কৰিব খোজা হৈছিল কিন্তু প্ৰতিষ্ঠানটো ট্ৰাষ্টী সকলৰ পৰা আপত্তি অহাত কৰিব পৰা নগল। তাৰ পিচত এ, জি, পি চৰকাৰ আহিল তেওঁলোকেও চেষ্টা কৰিছিল চৰকাৰীকৰণ কৰাৰ বাবে কিন্তু নহলগৈ। ইয়াৰ পিচত এখন এগ্ৰিমেণ্ট কৰা হ'ল যাৰ ম্যাদ ১৯৯৭ চনলৈকে আছে। গতিকে মাননীয় সদস্য সকলে অনুভৱ কৰিব পাৰিছে যে প্ৰতিষ্ঠানটো চৰকাৰীকৰণ কৰাটো সদ্যহতে অসুবিধা হব। আপোনা-লোকে জানে মই স্বাস্থ্য মন্ত্ৰী হিচাবে মোৰ ক্ষমতা সীমিত। মই চৰকাৰৰ এটা পাৰ্টহে মাত্ৰ। সকলো কাম কৰো বুলিয়েই কৰিব নোৱাৰো। এগ্ৰিমেণ্ট ভায়োলেট কৰাটো সম্ভৱ নহয়।

আজি এটা শক্তিয়ে এই প্ৰতিষ্ঠানটোৰ বিষয়ে বিধান সভাত আলোচনা হোৱাটো বা অন্য কাৰণেই হওক তাৰ ওপৰত অসম চৰকাৰৰ প্ৰশাসনীয় কণ্ট্ৰোল লোপ হোৱাটো বিচাৰিছে। এই কথা গৰ্ভানিং বডিটো ওলাইছে কিন্তু মই চৰকাৰৰ সদস্য হিচাবে ইয়াক অপ'জ কৰিবলৈ বাধ্য। এই প্ৰতিষ্ঠানটো এনেকৈ থকাৰ কাৰণে আমাৰ দুখীয়া ৰোগীখিনিৰ এক বিৰাট সহায় হৈছে। আগলৈ যদি ইয়াতকৈও ভাল প্ৰশাসন চলে তেন্তে আমাৰ কবলগীয়া একো নাই। বাকী টকা পইচাৰ ক্ষেত্ৰত যিটো কথা সদস্য জনে উল্লেখ কৰিছে সেই সম্পৰ্কত বৰ্তমান মোৰ হাতত তথ্য পাতি নাই। চাব লাগিব।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : উপাধ্যক্ষ মহোদয়, মন্ত্ৰী গৰাকীয়ে কৈছে যে শতকৰা ৪০ ভাগ দুখীয়া ৰোগীক কেন,চাৰ প্ৰতিষ্ঠানত বিনামূলীয়া চিকিৎসা দি আছে, মন্ত্ৰী মহোদয়ে জনাবনে যে এই ৰোগী সকলক কেনেকৈ চিলেক্‌চন কৰে ?

★ ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, দুখীয়া লোক সকলক বিনামূলীয়া চিকিৎসা দিয়া হয় গ্ৰীণ কাৰ্ড থকা সকলক আৰু অন্য লোকো।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : উপাধ্যক্ষ মহোদয়, মন্ত্ৰীয়ে কৈছে যে ইতিমধ্যে শতকৰা ৪০ জনক বিনামূলীয়া চিকিৎসা দিয়া হৈছে বাকী ৬০ জনে টকা

★ Speech not Corrected.

Calling Attention Notice

দি চিকিৎসা কৰিব লাগে। কিন্তু চৰকাৰে সকলোৰে কাৰণে বিনামূলীয়া চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰিব নোৱাৰেনে ? শতকৰা শ-জনৰ কাৰণে ?

★ ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ এনে কৰিবলৈ বহুত টকাৰ প্ৰয়োজন হব। তথাপি আমি এই কথাটো চাম বাৰু।

MATTER UNDER RULE 301

Mr. Deputy Speaker : Now I repuest Hon'ble Mamber Shri Hitendra Nath Goswami to draw the attention of the Minister of state, Education by raising the matter under Rule-301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the (Ajir Asom) dtd. 3rd August, 1995 relating to 'Madhyamik Sikshar Udbegjanak Abasta'.

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৯৫ চনৰ ৩ আগষ্ট তাৰিখৰ 'আজিৰ অসম' কাকতত প্ৰকাশিত "মাধ্যমিক শিক্ষাৰ উদ্বেগ জনক অৱস্থা" বিষয়টো উৎথাপনৰ জৰিয়তে এই সম্পৰ্কে শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। আজি অসমৰ মাধ্যমিক শিক্ষাৰ যিটো দুৰৱস্থা হৈছে সেইটো অতিকৈ দুখ লগা হৈছে আৰু সেই কাৰণে এই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি ভঙ্গী কি সেই সম্পৰ্কে মই জানিব খুজিছো। আজি যদি মেট্ৰিকৰ ৰিজাল্ট চায়, তেনেহলে দেখিবলৈ পাব যে শতকৰা ৩০/৪০ জন প্ৰাৰ্থীতকৈ বেছিয়ে কৃতকাৰ্য্য হব নোৱাৰে আৰু তাৰ ফলত আমাৰ ৰাজ্য খনৰ শতকৰা ৬০/৭০ ভাগ লৰা ছোৱালীয়ে প্ৰত্যেক বছৰে অকৃতকাৰ্য্য হোৱাৰ বাবে এটা উদ্বেগ-জনক পৰিস্থিতিৰ উদ্ভৱ হৈছে। এইখিনিতে আমি এটা কথা দেখিছো যে ৰাজ্য খনত যিবোৰ প্ৰাইভেট ইন্‌ষ্টিটিউচন গঢ়ি উঠিছে সেইবোৰৰ

★ Speech not Corrected.

ৰিজাল্ট দিনক দিনে ভাল হৈ আহিছে আৰু আমাৰ চৰকাৰী সাহায্যপ্ৰাপ্ত অনুষ্ঠানবোৰৰ ৰিজাল্ট দিনক দিনে বেয়া হৈ আহিছে। তাৰ ফলত অসমৰ জনসাধাৰণৰ মনত শিক্ষা ব্যৱস্থাটো প্ৰাইভেটাইজেচন হলেই ভাল হব বুলি এটা মনোভাব গা কৰি উঠিছে। কিন্তু এই খিনিতে আমি এটা কথা চাব লাগিব যে আজি যি সকলৰ টকা পইচা আছে তেওঁলোকে যথেষ্ট টকা পইচা খৰচ কৰি প্ৰাইভেট স্কুলত ল'ৰা ছোৱালী পঢ়ুৱাই শিক্ষিত কৰিব পাৰে। কিন্তু যি সকল দুখীয়া লোক, সকলো সময়তে চৰকাৰী সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়, তেওঁলোকৰ অৱস্থা ভবিষ্যতে কি হব ? সেই কাৰণে মই চৰকাৰৰ এটা কথা দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আমি যদি শিক্ষা ব্যৱস্থাটো জনমুখী কৰিব বিচাৰো তেনেহলে চৰকাৰী সাহায্যপ্ৰাপ্ত স্কুল সমূহৰ শিক্ষা ব্যৱস্থাটো উন্নত কৰাৰ কাৰণে যিখিনি ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেইখিনি অতি সোনকালে গ্ৰহণ কৰাৰ প্ৰয়োজন আছে। সেইটো যদি কৰা নহয় তেনেহলে অহা ১০ বছৰ মানৰ ভিতৰত সমগ্ৰ শিক্ষা ব্যৱস্থাটো প্ৰাইভেটাইজেচন হৈ পৰিব আৰু তাৰ ফলত মাত্ৰ এটা শ্ৰেণীৰ লৰা ছোৱালীয়েহে শিক্ষা আহৰণ কৰিব পাৰিব। শিক্ষা ব্যৱস্থাটো উন্নত কৰাৰ কাৰণে প্ৰথমতে শিক্ষক নিযুক্তি ব্যৱস্থাটোত এটা ক্লিয়াৰ কাট পলিচি গ্ৰহণ কৰাৰ কাৰণে মই অনুৰোধ জনাব খুজিছো আৰু ইতিমধ্যে এই ক্ষেত্ৰত বহুতো আলোচনা বিলোচনাও কৰা হৈছে। এই সংক্ৰান্তত মুখ্য মন্ত্ৰী মহোদয়ে এটা কথা কৈছিল যে ৰেগুলেচন ৩ এফ ত নিযুক্তি দিব পৰা যায়। কিন্তু সেই ক্ষেত্ৰত এটা কথা চাব লাগে যে নিযুক্তি পোৱা শিক্ষক জনৰ অৰ্হতা আছে নে নাই। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত মেধা শক্তিৰ প্ৰাথীক প্ৰাধান্য নিদি অন্য শক্তিক প্ৰাধান্য দিয়া কথাটো বন্ধ কৰিব লাগে। সেইটো নকৰাৰ কাৰণে আজি আমাৰ ৰাজ্য খনৰ লৰা ছোৱালীৰ উত্তীৰ্ণৰ হাৰ যি দৰে বৃদ্ধি হব লাগিছিল সেই ধৰণে হোৱা নাই। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত অন্যান্য চৰকাৰী বিষয়া-কৰ্মচাৰী নিযুক্তিৰ কাৰণে যি ধৰণৰ ব্যৱস্থা আছে তেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু তাৰ কাৰণে প্ৰয়োজন হলে এখন শিক্ষা নিযুক্তি আয়োগ গঠন কৰিব লাগে।

Matter Under Rule 301

এই খিনিতে মই এটা উদাহৰণ দিব খুজিছো যে মই জনাত এইখন চৰকাৰে বৰ্ত্তমান পৰ্য্যন্ত ১২০০ হাইস্কুলৰ শিক্ষকক এড্‌হক হিচাবে নিযুক্তি দিছে। যিটো সময়ত সকলো বিষয়া কৰ্মচাৰী বা শিক্ষক নিযুক্তি দিয়াৰ কাৰণে এখন চিলেক্‌চন ব'ৰ্ড কৰি দিয়া আছে তেনে সময়ত এই ১২০০ শিক্ষকক এড্‌হক হিচাবে নিযুক্তি দিয়া ব্যৱস্থাই কি বজাব পাৰে সেইটো সহজে অনুমেয়। চিলেক্টি লিষ্ট থকা স্বত্বেও ১২০০ শিক্ষকক এডহক হিচাবে নিযুক্তি দিয়াত বহুতো ত্রুটি হোৱা বুলি আমি ভাবিবলৈ বাধ্য হৈছো আৰু সেই কাৰণে মই শিক্ষা মন্ত্রী ডাঙৰীয়াক অনুৰোধ কৰিব খুজিছো যে শিক্ষক নিযুক্তিৰ কাৰণে এখন শিক্ষা আয়োগ গঠন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু তাত যাতে কোনো ধৰণৰ ৰাজনৈতিক হেচাঁ নপৰে আৰু মেধা শক্তিক প্ৰাধান্য দি শিক্ষক নিযুক্তি কৰাৰ ব্যৱস্থা কৰে তাৰ ব্যৱস্থা অতি সোনকালে গ্ৰহণ কৰিব লাগে। দ্বিতীয়তে আৰু এটা কথা চাব লাগে আমাৰ শিক্ষা ব্যৱস্থাত বৰ্ত্তমান থকা পৰিবেশ সম্পৰ্কে। আজি উচ্চ মাধ্যমিক স্কুল সমূহ চৰকাৰী কৰণ কৰাৰ জৰিয়তে কেৱল মাত্ৰ স্কুলৰ শিক্ষক সকলকহে চৰকাৰী কৰণ কৰা হল। তাৰ বাহিৰে অন্য পৰিবেশ তাত সৃষ্টি কৰাৰ কাৰণে চিন্তা কৰা হোৱা নাই। স্কুল সমূহত যিবোৰ সা-সৰঞ্জাম বা আচঁবাব পত্ৰ দিব লাগে তাৰ কোনো ব্যৱস্থা হাতত লোৱা নাই। হাইস্কুল সমূহৰ কনটিজেন্সিৰ টকা খিনিও দিব পৰা নাই। স্কুল সমূহৰ মেৰামতিৰ অভাৱত জৰাজীৰ্ণ অৱস্থা হৈ পৰিছে। এতিয়া শেহতীয়াকৈ আৰু এটা কথা ওলাইছে চৰকাৰে স্কুল মেৰামতিৰ বাবে প্ৰত্যেক ছাত্ৰ ছাত্ৰীৰ পৰা ২০ টকাকৈ লোৱাৰ কাৰণে ব্যৱস্থা কৰিছে। সেই কাৰণে মই এটা কথা কব খোজো যে শিক্ষাৰ পৰিবেশ উন্নত কৰাৰ কাৰণে ১৯৭৫ চনৰ আগৰ যিটো ব্যৱস্থা আছিল সেই ব্যৱস্থালৈ ঘূৰি যাব লাগে আৰু তাত জন সাধাৰণক জড়িত কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ কাৰণে সেই সময়ত মেনেজিং কমিটি কৰাৰ যিটো ব্যৱস্থা আছিল সেইটো পুনৰ প্ৰচলন কৰাৰ কাৰণে ব্যৱস্থা লব লাগে।

এইটো নহলে শিক্ষাৰ পৰিবেশ উন্নত কৰিব পৰা নেযাব। প্ৰতিটো কথাতে চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা অৱস্থাই শিক্ষাৰ যিটো

মানদন্দ সেইটো আজি মৃত্যু মুখলৈ ঠেলি দিছে, আনহাতে আৰু ২/৩ টা কথাৰ বাবে শিক্ষাৰ ক্ষেত্ৰত উদ্বেগজনক অৱস্থাৰ সৃষ্টি হৈছে। শিক্ষক সকলৰ যিটো ট্ৰেইনিংৰ ব্যৱস্থা আছে সেইটো ত্ৰুটিপূৰ্ণ হৈছে। এই শিক্ষক সকলক ট্ৰেইনিংত পঠোৱাৰ কাৰণে বিধায়ক সকলৰ পৰা চহী নিব লাগে। আমি আচৰিত হৈছো উপাধ্যক্ষ মহোদয়, সমষ্টি এটাত প্ৰাইমাৰী পৰ্য্যায়ৰ মাত্ৰ ৭ জন শিক্ষকক ট্ৰেইনিংত পঠোৱাৰ কাৰণেও বিধায়ক সকলৰ পৰা অনুমোদন কিয় প্ৰয়োজন, এই ট্ৰেইনিংটোনো কি ? প্ৰাইমেৰী স্কুলৰ শিক্ষকসকলে নিযুক্তি পোৱাৰ পিছত বৰ্ত্তমান অৱস্থাত তেওঁলোকে ৯০০ টকাকৈ দৰমহা পায়। ট্ৰেইনিংটো পাচ কৰাৰ পিচত তেওঁলোকে ২২০০ মান দৰমহা পাব তাৰ বাবেই তেওঁলোকৰ ট্ৰেইনিং। ছাত্ৰক পঢ়ুৱাৰ ক্ষেত্ৰত আহৰণ কৰিব লগা শিক্ষাৰ প্ৰতি মনোযোগ এই সকলৰ নাই। ট্ৰেইনিংৰ ব্যৱস্থাটো ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত কৰাৰ কাৰণে আপোনাৰ জৰিয়তে আজি এই বিধান সভাত চৰকাৰক অনুৰোধ কৰিলো।

উপাধ্যক্ষ মহোদয়, মই স্কুল পৰিদৰ্শকৰ কথা কওঁ। আজি স্কুল পৰিদৰ্শক সকলে স্কুললৈ গৈ স্কুল পৰিদৰ্শন কৰা নাই। তেওঁলোক প্ৰশাসনিক বিষয়া হৈ পৰিছে। আগতে এটা অঞ্চলত এজন স্কুল পৰিদৰ্শকেই গোটেই স্কুল বিলাক পৰিদৰ্শ কৰিছিল। কিন্তু আজি কালি প্ৰতি জিলাতেই স্কুল পৰিদৰ্শক হ'ল, তথাপিটো আজি স্কুল পৰিদৰ্শক সকলে স্কুল পৰিদৰ্শন নকৰে। তাৰ ফলত শিক্ষাৰ অৱস্থা অৱনতি ঘটিছে। এই ক্ষেত্ৰত বিহিত ব্যৱস্থাৰ প্ৰয়োজন।

উপাধ্যক্ষ মহোদয়, মই এইখিনিতে আৰু এটা কথা কব বিচাৰিছো কামৰূপ জিলাৰ স্কুল পৰিদৰ্শকজনৰ ঘৰত ৭ লাখ টকা 'ফিক্স-ডিপোজিত্' পোৱা গৈছে। এইবিলাক কিয় হবলৈ পাইছে। যোৱা ১৫ তাৰিখে মুখ্যমন্ত্ৰী মহোদয়ৰ লগত ৰঙিয়াৰ শিক্ষক অত্যাচাৰৰ সম্পৰ্কে মিটিং হওঁতেও এজন স্কুল পৰিদৰ্শকে যিখিনি কথা কৈছে সেইখিনি কথা কবলৈ তেওঁ ক'ত সাহস গোটালে ? পৰিদৰ্শক সকলে ৰাজনীতিত জড়িত হোৱাতকৈ স্কুলৰ শিক্ষা কেনেকৈ উন্নত কৰিব পৰা যায় সেইটোহে চিন্তা কৰিব লাগে।

আৰু এটা লাগতিয়াল কথা যে বিদ্যালয় সমূহৰ বিভিন্ন পর্য্যায়ৰ পাঠ্যপুথি বিলাকৰ কোনো সমন্বয় নাই। এল-পি স্কুলত যিখিনি পঢ়ি যায় সেইখিনি এজন ছাত্রই এম-ই স্কুল বা হাইস্কুলত পুনৰ পঢ়ে কাৰণ পাঠ্যক্রম তৈয়াৰ কৰাত কোনো সমন্বয় নাই। ইটো পর্য্যায়ৰ লগত সিটোৰ কোনো সমন্বয় নাই। আগৰ দিনত ভূগোল, বুৰঞ্জী, সংস্কৃত আদি যিটো গুৰুত্ব দিয়া হৈছিল আজি কালি কিন্তু সেইটো নাই। মাত্র সমাজ অধ্যায়ণ নামৰ কিতাপতেই সকলো শেষ কৰিছে। ইয়াৰ ফলত ছাত্রই শিক্ষাৰ অহ'তা অনুসৰি ইটোৰ লগত সিটোৰ সমন্বয় বিচাৰি নেপায়। আগৰ যিটো 'মেথদ' আছিল সেইটো আজি আৰু নাই।

গভিকে শিক্ষাৰ যিটো সমন্বয় সেইটো নোহোৱাৰ কাৰণে যথেষ্ট অসুবিধা হৈছে। শিক্ষা বিভাগৰ অধীনত থকা 'চেবা (SEBA)' SCERT, 'পাঠ্যপুথি নিগম' আদি যি সমূহ অনুষ্ঠান আছে তাৰ মাজত পঠ্যক্রম তৈয়াৰ কৰাৰ ক্ষেত্রত সমন্বয় হব লাগে। তেতিয়াহে ছাত্রৰ উপকাৰ হব।

উপাধ্যক্ষ মহোদয়, আৰু এটা কথা মন কৰিব লগীয়া যে 'মার্কচিট'ৰ খেলি-মেলি। আজি বহুতো 'ভুৱা' মার্কচিট বাহিৰ হৈছে। শিক্ষাৰ যিটো মূল্যায়ন তাৰ ত্রুটিপূর্ণ হৈছে। এজন ছাত্রই পৰীক্ষা দিয়াৰ পিচত ভাল হলেও তেওঁ কব নোৱাৰে যে তেওঁ কিমান নম্বৰ পাব। সেইটো বিশ্বাস আজি হেৰাই গৈছে। ভুৱা মার্কচিট দিয়াৰ ক্ষেত্রত যদি উপযুক্ত শাস্তিমূলক ব্যৱস্থা নকৰে তেতিয়াহলে শিক্ষাৰ মানদণ্ড আৰু বেয়াৰ ফালে গতি কৰিব। আমাৰ যিখন হায়াৰ চেকেণ্ডাৰী বোর্ড আছে সেইখন গোটেই অসমত ৩/৪ টা 'খণ্ড' (Zone) কৰিব লাগে। নহলে আজি মার্কচিটৰ যিটো জালিয়তীৰ চক্র গা কৰি উঠিছে তাৰ দ্বাৰা শিক্ষাৰ ব্যৱস্থা আৰু ধ্বংসৰ মুখলৈ ঠেলি দিয়াহে হব। ১৯৯৩ চনতে মুখ্যমন্ত্রীয়ে আমাক কৈছিল যে শিক্ষাৰ সংস্কাৰৰ বাবে এখন আয়োগ গঠন কৰা হব। কিন্তু এতিয়ালৈকে এই ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰিলে নে নাই আমি গম পোৱা নাই। শেষত পুনৰ কব বিচাৰো যে আজি প্রাইভেট স্কুলৰ প্রতি মানুহৰ মোহ বেচি হৈ গৈছে। কিয়নো সেই স্কুল বিলাকত

ৰিজাল্ট ভাল হয়। আমাৰ ৰাজ্যত শতকৰা ৮০ ভাগ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। গতিকে দুখীয়া জনসাধাৰণৰ উপকাৰ হোৱাকৈ চৰকাৰী সাহায্যপ্ৰাপ্ত স্কুল সমূহৰ শিক্ষা ব্যৱস্থা উন্নত কৰাৰ কাৰণে চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিবই লাগিব। গণমুখী শিক্ষা ব্যৱস্থাৰ স্বাৰ্থতেই অতি প্ৰয়োজন অন্যথাই এই চৰকাৰৰ শিক্ষা সংকোচন নীতি গ্ৰহণ কৰাৰ অপৰাধত অপৰাধী হ'ব। এইখিনি কৈ মোৰ বক্তব্য সামৰিলো।

★ দেৰান জয়নাল আবেদিন : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় গোস্বামী ডাঙৰীয়াৰ লগতে মই আৰু কেইটামান কথা সংযোজন কৰিব বিচাৰিছো যে আমাৰ মাধ্যমিক স্তৰত ইংৰাজী বিষয়টোত কম গুৰুত্ব দিয়া হৈছে। আগতে মাধ্যমিক স্তৰত ইংৰাজী বিষয়ত তিনিখন কাকত আছিল আৰু তেতিয়া ছাত্ৰ-ছাত্ৰী সকলক বেচিক 'নলেজ' খিনি দিয়া হৈছিল। আজি-কালি মাত্ৰ ডেৰখন পেপাৰ ১৫০ নম্বৰৰ। তাৰ ফলত ল'ৰা-ছোৱালী বিলাকে বেচিক নলেজ খিনি নাপায় আৰু পিছত হাইচেকেণ্ডাৰী পৰ্য্যায়ত বা কলেজ পৰ্য্যায়ত গ্ৰেমেটিকেল চেন্‌চখিনি নাথাকে, সকুসুৰা ট্ৰেনচলেচন এটাও কৰিব নোৱাৰে। অৰ্থাৎ মিনিমাম 'নলেজ' খিনিও নাথাকে। এনেধৰণৰ কৰাৰ কোনো যুক্তি নাই। যদি ইংৰাজী ভাষাটো ৰখা হয় ভালকৈ ৰখা হওঁক যাতে বেচিক 'নলেজ' খিনি ল'ৰাছোৱালী বিলাকৰ থাকে। আজি এফালে মাতৃ ভাষাৰ নামত ইংৰাজী ভাষাৰ গুৰুত্ব কমি আহিছে আনফালে য'তে ত'তে ইংৰাজী মাধ্যমৰ স্কুলবিলাক গঢ়ি উঠিছে। সেই স্কুল বিলাকৰ ৰিজাল্ট আমাৰ চৰকাৰী স্কুল বিলাকতকৈ বহুত ভাল কৰিছে। গতিকে চৰকাৰে এই বিষয়ত অলপ গুৰুত্ব দিব লাগে। আমাৰ গোস্বামী ডাঙৰীয়াই এটা কথা কৈছে, আজি বুৰঞ্জী, ভূগোল আদি বিষয়বো গুৰুত্ব কমি আহিছে যাৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলৰ এই বিষয়ত সাধাৰণ জ্ঞান খিনি নোহোৱা হৈছে। এইবিলাক বিষয়ৰ গুৰুত্ব বঢ়াব লাগে। আমাৰ স্কুল বিলাকৰ পৰিচালনা গণতান্ত্ৰিক কৰিব লাগে। সদস্য সকলৰ নিৰ্বাচন,

★ Speech not Corrected.

পৰিচালনা সকলো গণতান্ত্রিক পদ্ধতিৰ কৰিব লাগে। বুকক্রেটিক ব্যৱস্থা চলিব দিব নালাগে। এচকিজুম চলি থকাৰ ফলত মাধ্যমিক শিক্ষা ব্যৱস্থাৰ সর্বনাশ হৈছে। গতিকে এই মাধ্যমিক শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে উক্ত পৰামর্শ কেইটা আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্রীহেম প্রকাশ নাৰায়ণ (ৰাজ্যিক শিক্ষা মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৩ আগষ্ট তাৰিখৰ 'আজিৰ অসম' কাকতত প্রকাশিত "মাধ্যমিক শিক্ষাৰ উদ্বেগজনক অৱস্থা" শীর্ষক বাতৰিৰ সম্পর্কত মাননীয় সদস্য শ্রীগোস্বামী ডাঙৰীয়াই ভালেখিনি মূল্যবান পৰামর্শ আগবঢ়াইছে, সেইখিনি আমি গুৰুত্ব সহকাৰে লৈছো, যদিও আমাৰ বিভাগৰ ফালৰ পৰা কম গুৰুত্ব দিয়া হোৱা নাই। তেখেতে কিছু কিছু ক্ষেত্রত উদ্বেগ প্রকাশ কৰিছে যে আমাৰ ছাত্র-ছাত্রী সকলৰ পৰীক্ষাৰ ফলাফল বেয়া হৈছে। চৰকাৰীকৰণ কৰা স্কুল বিলাকতকৈ প্রাইভেট স্কুল বিলাকৰ ৰিজাল্ট ভাল হৈছে। তেখেতে সমগ্র অসমৰ শিক্ষাক ব্যক্তিগত কৰিলে ভাল হব নেকি বুলি যি কথা কৈছে তেনে কোনো কথা নাই। আৰু চৰকাৰৰ পৰিচালনাত থকা বিদ্যালয় বিলাকত সা-সুবিধা পোৱা নাই বুলি কৈছে আৰু শিক্ষা ব্যৱস্থাৰ সংকোচন ঘটোৱা বুলি কৈছে আমাৰ চৰকাৰে শিক্ষা ব্যৱস্থাৰ কোনো সংকোচন ঘটোৱা নাই। আজি অসমত ৩৫ হাজাৰ এল.পি স্কুল, ৫ হাজাৰ মাধ্যমিক স্কুল আৰু তিনি হাজাৰ উচ্চতৰ মাধ্যমিক স্কুল চলি আছে। তেখেতে বর্ত্তমান শিক্ষাৰ পৰিবেশ বিনষ্ট হোৱা বুলি কৈছে কিন্তু আমি জনাত শিক্ষাৰ পৰিবেশ বিনষ্ট হোৱা নাই। আমাৰ আবেদিন ডাঙৰীয়াই ইংৰাজী বিষয়ৰ গুৰুত্ব বঢ়োৱাৰ বাবে পৰামর্শ আগবঢ়াইছে, তেখেতৰ পৰামর্শ আমি গুৰুত্ব সহকাৰে লৈছো। আৰু শিক্ষকৰ চিনিয়ৰটিৰ ক্ষেত্রত খেলিমেলি হোৱাৰ কথা কৈছে, চিনিয়ৰটিৰ ক্ষেত্রত কোনো খেলিমেলি হোৱা নাই, ট্রেইনিং কৰি অহা শিক্ষকৰ জ্যেষ্ঠতাৰ ভিত্তিত চিনিয়ৰটি নিৰূপন কৰা হৈছে। আজি মাননীয় সদস্য কেইজনে বহুখিনি মূল্যবান পৰামর্শ আগবঢ়াইছে, তাৰ বাবে

★ Speech not Corrected.

তেখেত সকলক মই ধন্যবাদ জনাইছো আৰু ইয়াৰ লগতে মাননীয় সদস্য সকলৰ জ্ঞাতার্থে আৰু কেইটামান কথা জনাব বিচাৰিছো—

১৯৯৫ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকর্ষিত হৈছে। এনে ফলাফলৰ কাৰণ সম্পর্কে শিক্ষা বিভাগে বিশ্লেষণ কৰি চাইছে।

যোৱা প্ৰৱেশিকা পৰীক্ষাৰ ফলফল ঘোষণা কৰাৰ পিচৰ সময় ছোৱাত গুৰুত্ব সহকাৰে শিক্ষা বিভাগৰ লগত জড়িত সকলো শাখাৰে মুখ্য বিষয়া সকলৰ লগত আনকি জিলা আৰু মহকুমা পর্য্যায়লৈকে থকা শিক্ষা বিষয়া সকলৰ লগত, শিক্ষাবিদ সকলৰ লগত, শিক্ষক সন্থাৰ লগত ইতিমধ্যে কেইবালানিও আলোচনা কৰা হৈছে আৰু এই পৰীক্ষা সমূহ নিম্নগামী ফলাফলৰ কাৰণ সমূহ মুকলিকৈ বিশ্লেষণ কৰি চোৱা হৈছে। সঁচা অর্থত শিক্ষাক কেনেকৈ জীৱন মুখী, জনমুখী আৰু সমাজমুখী কৰি গঢ়ি তুলি ভৱিষ্যতৰ প্ৰজন্মক প্ৰকৃত মানৱ সম্পদৰূপে অর্থবহ ৰূপত গঢ়ি তুলিব পাৰি। শিক্ষা বিভাগে এই সকলো প্ৰচেষ্টাকে গুৰুত্ব সহকাৰে লৈছে।

সামগ্ৰীক ভাবে শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলৰ নিজৰ নিজৰ দায়-দায়িত্ব পালন কৰিবলৈ শান্তিপূর্ণ শৈক্ষিক পৰিবেশ এটা পূর্ণ প্ৰতিষ্ঠা কৰাৰ চৰকাৰৰ ঐকান্তিক প্ৰচেষ্টাৰ লগত সমাজখনেও আন্তৰিক সহায় সহ-যোগিতাৰ হাত আগবঢ়ালে শিক্ষা বিভাগৰ এই প্ৰচেষ্টা সফল হব ই নিশ্চিত। প্ৰাথমিক আৰু মজলীয়া পর্য্যায়ত পঠন-পাঠন কৰা বিষয় সমুহৰ জ্ঞান আৰু ইয়াৰ তত্বসমূহ ছাত্ৰ-ছাত্ৰীয়ে ভালধৰণে বুজি উঠিব পাৰিলেহে হাইস্কুল পর্য্যায়ত পাৰদর্শিতা দেখুৱাব পাৰে। প্ৰাথমিক পর্য্যায়ত গণিত, ভাষাজ্ঞান আৰু সাধাৰণ বিজ্ঞানৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক বুজিব পৰাকৈ পাঠদান দিবৰ বাবে শিক্ষক-শিক্ষয়ত্রী সকলৰ প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীক উপলব্ধি কৰাবৰ বাবে উপযুক্ত। শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে, সেই ধৰণে বেচিক ট্ৰেইনিং কোর্চৰ শিক্ষকৰ প্ৰশিক্ষণৰ পাঠ্যক্ৰম বদলাই

ইয়াক প্ৰাথমিক শিক্ষাৰ অধিক উপযোগী কৰিবৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও বৰ্ত্তমানে চলিথকা পাঠ্যক্ৰম সমূহ পুনৰ নিৰিক্ষণ কৰি ছাত্ৰ-ছাত্ৰীৰ পৰিবেশৰ লগত খাপ খুৱাই সময় উপযোগী কৰি বুজি উঠাৰ ওপৰত গুৰুত্ব দি নতুন ৰূপত সজাই পৰাই তুলিবলৈ বাঞ্ছিক শিক্ষা আৰু গৱেষণা প্ৰশিক্ষণ পৰিষদক দায়িত্ব দিয়া হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ শ্ৰেণী কোঠাত যাতে ৰং মনেৰে শিক্ষা লাভ কৰিব পাৰে সেই উদ্দেশ্যেৰে শৈক্ষিক কাম কাজ সংলগ্ন কৰি ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব বিচৰা হৈছে। শিক্ষণ সামগ্ৰীৰ যোগান আৰু ব্যৱহাৰ দুইটাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীয়ে বুজি উঠাৰ ওপৰত বেছি গুৰুত্ব দিয়া হৈছে।

এই অনুৰূপে মজলীয়া পৰ্য্যায়টো ছাত্ৰ-ছাত্ৰীৰ উপলব্ধিৰ ওপৰত গুৰুত্ব দি শিক্ষাদানৰ বাবে প্ৰচেষ্টা কৰা হৈছে। বিশ্ব বেঙ্কৰ সাহায্যত কৰা জিলা প্ৰাথমিক শিক্ষা আঁচনিৰ যোগেদি জিলা সমূহত শৈক্ষিক দিশৰ সামগ্ৰীক উন্নতি কৰি ৰাইজৰ সহায় সহযোগেৰে কাম কৰিবলৈ চেষ্টা কৰা হৈছে। মজলীয়া পৰ্য্যায়লৈকে শিক্ষাৰ ন্যূনতম মানদণ্ড অনুযায়ী পাঠ্যপুথি, পঠন-পাঠনৰ ব্যৱস্থা আৰু তত্ব সমূহৰ উপলব্ধিৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

আশাকৰা হৈছে, এনে ধৰণে প্ৰাথমিক আৰু মজলীয়া পৰ্য্যায়ত শিক্ষাৰ ভেটি সুদৃঢ় হলে হাইস্কুল পৰ্য্যায়ত ছাত্ৰ-ছাত্ৰী সকলে অধিক কৃতকাৰ্য্যতা দেখুৱাব পাৰিব। ১৯৯৫ চনৰ পৰীক্ষাৰ ফলাফল বিশ্লেষণ কৰি দেখা যায় গণিত আৰু ইংৰাজী বিষয়ত অকৃতকাৰ্য্যতা বেছি হৈছে। ইয়াৰ উন্নতিকল্পে শিক্ষক-শিক্ষয়ত্রী সকলক গণিত আৰু ইংৰাজী প্ৰশিক্ষণৰ বাবে প্ৰচেষ্টা হাতত লৈছে। মাধ্যমিক শিক্ষা পৰিষদেও এই ক্ষেত্ৰত নিজাববীয়াকৈ আঁচনি গ্ৰহণ কৰিছে। পাঠ্যপুথি আৰু পাঠ্যক্ৰমৰ নবি-কৰণৰ বাবেও তেখেত সকলে কাম হাতত লৈছে।

ইয়াৰ উপৰিও শিক্ষা বিভাগে বিদ্যালয় পৰিদৰ্শক সকলৰ যোগেদি প্ৰতিখন হাইস্কুল তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শৈক্ষিক দিনপঞ্জী প্ৰস্তুত

কৰিবলৈ কোৱা হৈছে। বিদ্যালয় সমূহৰ পাঠদানৰ দিন বঢ়াবৰ বাবে বিভিন্ন ধৰণৰ সভা-সমিতি, প্ৰতিনিধি শিবিৰ আদি পাতি স্কুল বন্ধ ৰখাৰ পৰা বিৰত হ'বলৈ প্ৰধান শিক্ষক সকলক কঠোৰ নিৰ্দ্দেশ দিয়া হৈছে। আশাকৰা হৈছে যে ইতিমধ্যে লোৱা প্ৰচেষ্টাৰ ফলত শিক্ষাৰ মানদণ্ড উন্নীত হ'ব আৰু পৰীক্ষাৰ ফলাফলো সন্তোষজনক হ'ব।

শ্ৰীনগেন শৰ্মা ঃ উপাধ্যক্ষ মহোদয়, যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত কিমান কেইখন হাইস্কুলৰ বা কিমানখন মাদ্ৰাছা স্কুলৰ পৰা এজনো ল'ৰা ছোৱালী পাচ কৰিব পৰা নাই সেইটো বিচাৰ কৰি উলিয়াব লাগে। কিয়নো মাধ্যমিক শিক্ষাৰ সমস্যাটো অতি দুৰ্ভাগ্যজনক হৈ পৰিছে। ইয়াৰ কাৰণে অসমৰ সাধাৰণ মানুহো হতাশ হবলগীয়া হৈছে। উচ্চপদস্থ বা-বিষয়া সকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক ডন্ বস্ক, কন্ভেণ্ট আদি ইংৰাজীত পঢ়ুৱায় আৰু সেই বিলাকৰ পৰা এটা সমীক্ষা কৰি যোৱা সময় ছোৱাত দেখা গৈছে যে শতকৰা এশ ভাগ ষ্টেণ্ড কৰা ছাত্ৰ-ছাত্ৰীৰ ৮০ ভাগ তেনে ইংৰাজী মাধ্যমৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়া। তাৰ ভিতৰত শতকৰা আশী ভাগেই প্ৰথম বিভাগ লৈ পাছ কৰে আৰু বাকী মাত্ৰ বিশ ভাগ ছাত্ৰ-ছাত্ৰীয়েহে অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰা প্ৰথম বিভাগ পায়। ইয়াৰ কেৰোণ ক'ত সেইটো উলিয়াব লাগে। নহলে ভবিষ্যত অসমীয়া সাধাৰণ মানুহৰ বিপদজনক হৈ পৰিব। এতিয়া এই বাবেই গাঁৱে ভুঞে ইংৰাজী মাধ্যমৰ স্কুল গঢ়ি উঠিছে। আনকি হাজোৰ ওচৰৰ গাওঁতো কেনেডি একাডেমি নামেৰে ইংৰাজী মাধ্যমৰ স্কুল গঢ়ি উঠিছে। গাওঁৰ মানুহেও এতিয়া চিন্তা কৰিবলৈ লৈছে যে ইংৰাজী মাধ্যমৰ ল'ৰা-ছোৱালীয়েহে ভাল ফলাফল কৰিব পাৰে। যদি অসমীয়া মাধ্যমৰ বিদ্যালয় বিলাকত ইংৰাজী বিষয়ৰ ওপৰত গুৰুত্ব দিয়া নাযায় তেনেহলে সেইবিলাক বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীৰ ভাল ফলাফল আশা কৰিব পৰা নাযায়। আমি বাস্তৱ সত্যটোৰ প্ৰতি লক্ষ্য কৰিব লাগিব। এই ক্ষেত্ৰত শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো অন্ততঃ গৰমৰ বন্ধৰ দিন কেইটাত ইংৰাজী বিষয়ৰ শিক্ষক সকলৰ কাৰণে ৰিফ্ৰেচাৰ্ ক্লাচৰ

ব্যৱস্থা কৰিলেও কিছু সুফল পোৱা হব বুলি মোৰ ধাৰণা। মাননীয় সদস্য দেৱান জয়নাল আবেদীনে কমিটিৰ ৰিপোৰ্টৰ কথা কৈছে। আগতে ইংৰাজী বিষয়ত তিনিশ মার্কৰ সলনি এতিয়া ১৫০ কৰিছে এইটো ফলাফল ভাল কৰিবলৈ হলে পুনৰ তিনিশ কৰিব লাগে আৰু ইংৰাজীৰ লগতে মেথামেটিকচ্‌ৰ ওপৰত অধিক গুৰুত্ব দিয়া হলেহে অসমীয়া মাধ্যমৰ স্কুল বিলাকৰ পৰা শিক্ষান্ত পৰীক্ষাত ভাল ফলাফল আশা কৰিব পৰা যাব। এতিয়া যোৱা সময় ছোৱাত শিক্ষান্ত পৰীক্ষাত যিবিলাক হাইস্কুল বা হাই মাদ্ৰাচাৰ পৰা এজনো ছাত্ৰ-ছাত্ৰী পাচ কৰিব পৰা নাই সেই বিলাক স্কুল বাচি উলিয়াই সেইবিলাক ডি-ৰিকগনাইজ কৰাব লাগে অথবা ডি-এ আদি কৰ্ত্তন কৰাৰ নিচিনা ব্যৱস্থা লব লাগে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয়ত ইউ-জি-চি নৰ্মচ্‌ লাগে, হাইস্কুলৰ কাৰণে গ্ৰেজুৱেট ডিগ্ৰী লাগে। কলেজ বা হাইস্কুলৰ বিষয় শিক্ষকৰ কাৰণে সেই বিষয়ত এম-এ হব লাগে। বিশ্ববিদ্যালয়ত ডক্টৰেট, পি-এইচ-ডি আদি ডিগ্ৰী লাগে। ইত্যাদি নৰ্মচ্‌ আছে। কিন্তু এম-ই-এল-পি বিলাকতেই ভেটি ঠিক কৰিব নোৱাৰিলে কলেজ বা বিশ্ববিদ্যালয় বা হাইস্কুল পৰ্য্যায়ত সেইবিলাক ঠিক কৰিব পৰা নাযাব। আচল ভেটিটো তৈয়াৰ কৰিব লাগিব এল-পি বা এম-ই পৰ্য্যায়ত, সেই কাৰণে গাওঁত বসবাস কৰা মধ্যবিত্ত মানুহ খিনিয়েও ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত হৈছে আৰু ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ফলাফলৰ বিষয়ত আকৃষ্ট হৈ নিজৰ ল'ৰা-ছোৱালীকো তেনে ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ পঠাবলৈ লৈছে। আমাৰ ইয়াত অন্ততঃ এল-পি, এম-ই বিদ্যালয় সমূহৰ শিক্ষাদান উন্নত কৰাৰ কাৰণে বিশ্ববিদ্যালয়ৰ হাইস্কুলৰ শিক্ষকৰ মানদণ্ডলৈ লক্ষ্য ৰাখি আগৰ মেট্ৰিকুলেটৰ সলনি প্ৰি-ইউনিভাৰ্চিটি কৰিব লাগে। ইয়াৰ উপৰিও ৰাজনৈতিক ভাবে নিযুক্তি দিয়া বন্ধ কৰিব লাগিব। এল-পি স্কুলত নিযুক্তি পোৱা বহুতেই ঠিকা দিছে। অৰ্থাত মাহেকৰ মুৰকত ২৬০০ টকা দৰমহা পাব বুলি জানিয়েই নিযুক্তি পোৱাজনে আন কিবা কাম কৰি তেওঁৰ সলনি

Matter Under Rule 301

এজনক স্কুলত উপস্থিত থাকিবলৈ ছশ টকাত ঠিকা দি থকা কথাও ঘটি আছে। এল-পি, এম-ই "স্তৰৰ পৰা যদি ব্যৱস্থা হাতত লোৱা নহয় তেতিয়া-হলে পিচলৈ কোনো ব্যৱস্থাই কার্য্যকৰী ফল দিব নোৱাৰিব। গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ মাজতো শিক্ষাৰ ক্ষেত্রত তফাড্ আছে। কিয়নো গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীয়ে যিমান কিতাপ পঢ়িব লাগে তাতকৈ বেছি কিতাপ ডিব্রুগড় বিশ্ববিদ্যাল ছাত্র-ছাত্রীয়ে পঢ়িব লাগে। এইটো এটা সমকক্ষ ব্যৱস্থা কৰিব লাগে। অলপতে এজনা ডিব্রুগড় বিশ্ববিদ্যালয়ৰ প্রফেচৰে কৈছিল যে এই বিষয়ত আলোচনা-বিলোচনা চলি আছে। বিহাৰ বা ইউ-পিৰ পৰা আহি ইংৰাজীৰ ফার্ষ্ট ক্লাচ ফার্ষ্ট লোক আহি আমাৰ ইয়াত চাকৰি কৰি আছে অথচ আমাৰ অসমত তেনে লোক নোলায়। বিহাৰ ইউ-পিৰ পৰা ফার্ষ্ট ক্লাচ লোক আহি বিশ্ববিদ্যালয় বা নেহুত কাম কৰি আছে। অসমীয়া ল'ৰা-ছোৱালীৰ মাজত ফার্ষ্ট ক্লাচ ফার্ষ্ট কিয় নোলায়। গুৱাহাটীয়েই হওক বা ডিব্রুগড়েই হওক ইংৰাজীত ফার্ষ্ট ক্লাচ নোলায় কিয় ? অথচ আমাৰ অসমীয়া ল'ৰা ডঃ হীৰেণ গোহাঁই ইংৰাজীত ৰেকর্ড ব্রেক কৰি পাচ কৰি ওলাই আহিছে আৰু আজিলৈকে তেখেতৰ ৰেকর্ড ভঙ্গ কৰিব পৰা নাই। শিক্ষা বিভাগে ফৰমুলা উলিয়াব লাগিব কিয় আমাৰ ল'ৰা ছোৱালীয়ে ইয়াত ফার্ষ্ট ক্লাচ পাব নোৱাৰে, কিয় নাপায়। অথচ আমাৰ অসমীয়া ল'ৰা ছোৱালীৰ বুদ্ধি মেধা নোহোৱা নহয় বুলি ডঃ গোহাঁইৰ দৰে আৰু বহুতে প্রমাণ কৰি থৈছে। এতিয়া আমাৰ অসমীয়া মাধ্যমৰ স্কুলৰ প্রতি আনকি গাওঁৰ খেতিয়ক সকলোৰো বিতৃষ্ণা হৈছে। গাৱঁৰ ল'ৰা ছোৱালীয়েও এতিয়া ইংৰাজী স্কুলত পঢ়া আৰম্ভ কৰিছে। এল-পি, এম-ই পর্য্যায়ৰ শিক্ষা ব্যৱস্থাত বিতুষ্ট হৈছে আৰু ইয়াৰ সুযোগ লৈছে খ্রীষ্টিয়ান মিছনাৰি সকলে। তেওঁ বিলাকে গাৱেঁ ভুঞে ইংৰাজী মাধ্যমৰ স্কুল খুলিবলৈ আৰম্ভ কৰিছে। মই উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে এই বিষয়টো মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো আৰু শিক্ষা ব্যৱস্থা যাতে উন্নীত কৰিব পৰা যায় তাৰ কাৰণে এটা ফৰমুলা উলিয়াই কার্য্যসূচী লৈ আগবাঢ়িব লাগে। নহলে অসমৰ ভবিষ্যত আৰু অন্ধকাৰ হৈ পৰিব।

Matter Under Rule 301

শ্রীশশকমল সন্দিকৈ : উপাধ্যক্ষ মহোদয়, মই মাননীয় গোস্বামী ডাঙৰীয়াৰ লগত একমত। প্ৰাথমিক পৰ্য্যায়ৰ পৰাই চিলেবাচ সঠিক ৰূপত নিৰ্দ্ধাৰণ কৰি পাঠ্যপুথি প্ৰস্তুত কৰিব লাগিব নহলে শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ আশা কৰিব নোৱাৰি। অসমীয়া ভাষা এল-পি স্কুলতে আদিশিক্ষা আৰম্ভ কৰা হয় যদিও সঠিক ৰূপত আৰম্ভ নকৰিলে বিশ্ববিদ্যালয়ত সংশোধন কৰিবলৈ আৰু সময় নাথাকে। আমি সৰুতে স্বৰ্গীয় পানীৰাম গগৈৰ কিতাপ পঢ়িছিলো। ল'ৰা শিক্ষা আগছোৱা তেখেতৰ ৰচনাত আছিল। হাতীত উঠি পানীৰাম ঘৰলৈ যায়, বাটৰ কাষৰ মানুহে ঘূৰি ঘূৰি চায়। এই ধৰণৰ কথাৰে শিক্ষা আৰম্ভ হৈছিল। আকৌ তেখেতৰে ৰচনা ল'ৰাশিক্ষা মাজছোৱাত "শংখধৰে অংক কৰে আস্ক আস্ক গাই ফুৰে" ইত্যাদি সুৰীয়া আৰু অৰ্থবহ পদ্য আছিল। এতিয়া কিন্তু 'হলৌ উঠিল টকৌ গছত, লগাই খদৌ মদৌ' ধৰণৰ পদ্যহে গোটেই ছাত্ৰক হলৌ কৰি পেলাইছে। আমাক আচলতে বিজতালসম চিলেবাচ লাগে। সমাজ অধ্যয়নত সূৰ্য্য সম্পৰ্কে ব্যাখা আছে এনেধৰণে 'সূৰ্য্য এটা গোলাকাৰ বস্তু'। জাতিৰ প্ৰতি ভাষাৰ প্ৰতি বিদ্বেষ ভৰা কথা কিছুমান পদ্য ছপা কৰা হৈছে। আগতে পণ্ডিত লোকে বা মেধাবান লোকেহে কিতাপ লিখিছিল। এতিয়া তেনে পৰীক্ষা-নিৰীক্ষা কৰা হয় নে? আজি অসমীয়াই হওক বা ইংৰাজীয়েই হওক এটা স্তৰৰ পিচত আৰু আগলৈ যাব নোৱাৰে। মাধ্যমিক পৰীক্ষাত বেছি ভাগেই চাইন্সত ফেল কৰে। কিয়নো চাইন্সৰ বিদ্যালয় সমূহ এপাৰেটাচ নাই। শিক্ষক থাকিলেও শিক্ষাৰ কাৰণে সা-সজুলি নাই। উপাধ্যক্ষ মহোদয় :

মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ যদি এটা আমূল পৰিবৰ্ত্তন কৰিবলৈ বিচাৰিছে তেতিয়াহলে ইয়াক যধে মধে প্ৰয়োগ কৰিলে নহব। চিলেবাচ খন আমি প্ৰাথমিক অৱস্থাৰ পৰা চাইন্টিফিক ওৱেত প্ৰস্তুত কৰিব লাগিব। যিখন চিলেবাচৰ পৰা এজন ছাত্ৰই জাতিটো সম্পৰ্কে, সমাজ সম্পৰ্কে, পৃথিবী সম্পৰ্কে এটা ধাৰণা কৰিব পাৰে তেনেকুৱা এখন চিলেবাচ তৈয়াৰ কৰিব লাগে। আজি এনেকুৱা এটা অৱস্থা হৈছে যে উজনি অসমৰ

ল'ৰা এজনক যদি সোধা যায় যে চয়গাওঁ ক'ত তেওঁ কব নোৱাৰিব। কাৰণ তেওঁৰ ভূগোল সম্পৰ্কে ধাৰণা নাই। গতিকে চিলেবাচখন চাইন্টিফিক হোৱাটো দৰকাৰ। চিলেবাচ সম্পৰ্কত এটা গভীৰ অধ্যয়নৰো দৰকাৰ। উপাধ্যক্ষ মহোদয়, আজি দেখা গৈছে যে ৰাজাখনৰ বেচিভাগ এল-পি, স্কুল ১১ বজাৰ আগতে নবহে আৰু দুই বজাৰ পিচলৈ নাথাকে। এই-বিলাক সংক্ৰান্তত কোনো ধৰণৰ ইনষ্ট্ৰাকচন নাই। কোনোবা শিক্ষকৰ বিৰুদ্ধে অভিযোগ কৰিলে ডি, আইৰ লগত লগ লাগি সকলোবিলাক থিক থাক কৰি লয়। সেই কাৰণে ক্ৰিমিনেল শিক্ষকেও আজি বাহাল তবিয়তে কাম কৰি আছে। গতিকে এনেকুৱা শিক্ষকো যদি নিযুক্তি হৈ থাকে তেতিয়াহলে সেই শিক্ষকে ল'ৰা-ছোৱালীক কি শিকাব। এইটো এটা বাস্তৱ কথা। সেই কাৰণে এইবিলাক নিয়ন্ত্ৰণ কৰাৰ কাৰণে এটা শক্তি-শালী ব্যৱস্থা লব লাগে। আগতে আমি জনা শিক্ষক সকলক এচ, আইয়ে ট্ৰেইনিং দিছিল কেনেকৈ ল'ৰা-ছোৱালীক শিক্ষা দিব লাগে। কিন্তু আজি কালি ট্ৰেইনিং দিয়ে বিল কেনেকৈ বনাব লাগে। টকা-পইচা কেনেকৈ লগ লাগে। যদি স্কুলৰ সম্পাদক হয় তেতিয়া হলেতো তেওঁ স্কুল কৰিবই নালাগে। তেওঁৰ সাতগুণ মাফ। দৰমহা দিয়াৰ ব্যৱহাৰ পৰিবৰ্ত্তনৰ দৰকাৰ যদি পোষ্ট অফিচ আৰু বেঙ্কৰ যোগেদি দৰমহা আদায় দিয়াৰ দৰমহা যাতে শিক্ষক সকলে স্কুল খতি কৰি দৰমহা আনিব নালাগে আজি-কালি বহু দুৰলৈ দৰমহা আনিবলৈ যাব লাগে যাৰ কাৰণে স্কুল খতি হয়। গতিকে এনেকৈও স্কুলৰ লৰা-ছোৱালীৰ পঢ়াত ক্ষতি সাধন হয়। যি সকল শিক্ষকে স্কুল খতি কৰে তেখেতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লব লাগে। আগৰ দৰে মেনেজিং কমিটি বা ডেভেলপ্‌মেণ্ট কমিটিত যিবিলাক শিক্ষক উপস্থিত নাথাকে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ কাৰণে অধিকাৰ আছিল আজি এই কথা বিলাক অপ্ৰয়োজনীয় হৈছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে কথা হ'ল শিক্ষা বিভাগ সম্পৰ্কে যিখিনি কথা আলোচনা হৈছে সেই সম্পৰ্কত

★ Speech not Corrected.

Matter Under Rule 301

মই এতিয়া বিশেষ নকও। উত্তৰ দানৰ সময়ত মই কবলগীয়খিনি কম। মূলতে এতিয়া শিক্ষা বিভাগটো এটা চাকৰী তৈয়াৰ কৰা ইন্‌ডাষ্ট্রীত পৰিণত হৈছে আজি শিক্ষাৰ কোনো মানদণ্ড নাই। উপাধ্যক্ষ মহোদয় মই তিনিটা উদাহৰণ দিম চাকৰী তৈয়াৰ ইন্‌ডাষ্ট্রী সম্পৰ্কত য'ৰ পৰা মন্ত্রী মহোদয়ে শিক্ষা গ্রহণ কৰিব পাৰিব। এই মাহৰ আৰম্ভনিতে (নলবাৰীৰ আই, এচক ডাৰ্লিউ, টি দিলে গম পাব) নলবাৰী জিলাৰ বনগাওঁত এখন হায়াৰ চেকেণ্ডাৰী স্কুল আছে, যিখন অসমৰ ভিতৰতে ফেমাচ। সেইখন স্কুলত এজন কেণ্ডিডেতক শিক্ষক নিযুক্তি দিছে। এজন অপদৰ্থক সেই স্কুলত নিযোগ কৰিছে। হয়টো মন্ত্রীৰ লগত ফুৰা মানুহ মন্ত্রীৰ চিফাৰিচতে হৈছে। তেওঁ কি শিকাইছে সেইটো নকওৱেই। কি কি শিকাইছে সেই পৃথিবীৰ কতো বিচাৰি পাবলৈ নাই। ল'ৰা-ছোৱালীৰ অৱস্থা কি হৈছে গম পাইছেই। গতিকে ৰাইজে ৰাজহুৱা সভা পাতিছে। ৫০০০ মানুহ উপস্থিত থকা ৰাজহুৱা সভাত ৰাইজে সিদ্ধান্ত লৈছে যে অমুক নামৰ মাষ্টৰ জনক যিহেতু চৰকাৰে নিয়োগ কৰিছে তেওঁক খেদিব নোৱাৰি গতিকে ৰাইজে সভাত সৰ্বসম্মতিক্রমে সিদ্ধান্ত গ্রহণ কৰে যে শিক্ষক গৰাকীয়ে দৰমহা খিকেই লৈ থাকিব কিন্তু ঘৰতে বহি থাকিব। স্কুললৈ আহিব নালাগে। -ইংৰাজীত- গতিকে উপাধ্যক্ষ মহোদয়, যিখন স্কুলত ল'ৰা-ছোৱালীয়ে মেট্রিকত ষ্টেণ্ড কৰে তেনেকুৱা এখন স্কুলত এনেকুৱা শিক্ষক নিয়োগ কৰাটো থিক নহব। দ্বিতীয় কথাটো হৈছে যে আপোনালোকে সদায় কৈ আহিছে যে মেৰিট ভিত্তিত চাকৰী দিছে। পইচা লৈ দিয়া নাই। আপোনালোকৰ এজন মন্ত্রীয়ে কৈছিল যে আমি ৩০ হাজাৰ চাকৰী দিছো আৰু এইটোত আমি গৌৰৱ অনুভৱ কৰো। কিন্তু তেওঁ এতিয়া কৈছে যে আমি এতিয়া গৌৰৱ নকৰো কাৰণ যেতিয়া মিটিংত বহি থাকো তেতিয়া কোৱা কুই কৰা শুনো যে চাকৰী দিলে নে চাকৰী বিক্রী কৰিলে। উপাধ্যক্ষ মহোদয়, চাকৰী বিক্রী হোৱাৰ প্রমাণ হৈছে যে শিক্ষা বিভাগৰ মূৰব্বীয়ে নির্দেশ দিয়াৰ পিচতো নলবাৰী জিলাৰ ষ্টেণ্ড কৰা কেণ্ডিডেট এগৰাকীক আজি ৪ বছৰেও

চাকৰী নিদিলে। গতিকে চৰকাৰে কি ধৰণে মেৰিট পালন কৰিছে জনা আছে। তৃতীয় বিভাগত বা চাপ্লিমেণ্টৰীত পাচ কৰা লৰা-ছোৱালীয়েও মাষ্টৰ চাকৰী কৰি আছে। গতিকে শিক্ষা ব্যৱস্থাৰ ওপৰত আলোচনা কৰি কি লাভ হব। মেৰিটত দিয়ক। তৃতীয়তে হৈছে এজন মাষ্টৰক নিয়োগ কৰিছে (কাক দিছে ডি, ই, ই, ওৰ পৰা গম পাব) সেই মাষ্টৰ জনক ল'ৰাই সুধিলে চাৰ তিনিখন মহাসাগৰৰ নাম লিখিব দিছে গতিকে কি কি লিখিম চাৰ। মাষ্টৰে কলে যে প্ৰশ্নটো ভুল আছে। ছাত্ৰই সুধিলে কি ভুল আছে চাৰ প্ৰশ্নটোৰ। শিক্ষকে কলে যে মহাসাগৰ ক'ত অনমত নে বিহাৰত নে ক'ত সেইটোতো কোৱা নাই। এইটো এটা উদাহৰণহে চাৰ। চতুৰ্থতে হৈছে এজনী ছোৱালী, মেট্ৰিকত ষ্টেণ্ড কৰিছে, পি, উত ষ্টেণ্ড কৰিছে, বি, এত ফাৰ্ষ্ট ক্লাচ ফাৰ্ষ্ট আৰু এম, এ ত ও ফাৰ্ষ্ট। কিন্তু তেওঁ চাকৰী পোৱা নাই। কমিচনাৰে ৰিকোমেণ্ড কৰাৰ পিচতো পোৱা নাই। লাগিলে মই এতিয়াই দৰ্খাষ্ট দিব পাৰো। মই নিজে দৰ্খাষ্ট লৈ আহিছো। কমিচনাৰে লিখি দিছে। তথাপিও পোৱা নাই। গতিকে কমিচনাৰ এজেনে লিখি দিয়াৰ পিচতো যেতিয়া পোৱা নাই সেই কাৰণে মই কৈছো যে মই আৰু তোমাৰ কাৰণে নিলিখো। ডি,এচ,ই কাৰ্য্যলয়লৈ মই আজিলৈ যোৱা নাই। এতিয়া প্ৰতিটো সমষ্টিতে ২০ টাকৈ নিয়োগ কৰিব বুলি ওলাইছিল। সেইটো হাই কোৰ্টে বন্ধ কৰিছে। সেইটোত মই আটাইতকৈ সুখী হৈছো। এইবিলাক কথাৰ পৰা আমাৰ মাননীয় শিক্ষা মন্ত্ৰীয়ে যদি অলপ শিক্ষা গ্ৰহণ কৰে। এইবিলাক কোৱাৰ উদ্দেশ্য এইটোৱেই। এতিয়াৰ শিক্ষা মন্ত্ৰীজন বেয়া নহয় বুলি ভাবিছো। ইতিমধ্যে শিক্ষা বিভাগটো গেলি গৈছে। আৰু যাতে বেচিকৈ নেগেলে সেই কাৰণে এই বিলাক উদাহৰণ দিছো। এইখিনি কৈ সামৰিলো।

★ শ্ৰীলক্ষী প্ৰসাদ বৰগোহাই : মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়াৰ আগতে দুটামান কথা উল্লেখ কৰিব খুজিছো।

★ Speech not Corrected.

বৰ্ত্তমান বিদ্যালয় বিলাকত ভূগোল আৰু বুৰঞ্জীক বাদ দিছে । ভূগোল আৰু বুৰঞ্জী এই দুইটা বিষয়ক শিক্ষা বিভাগে গুৰুত্ব দিয়া হোৱা নাই । এইটো কাৰণতে কোনো এজন ছাত্রই ভূগোল বা বুৰঞ্জীৰ বিষয়টো নললে সেই জন ছাত্রৰ ভূগোল বা বুৰঞ্জীৰ জ্ঞান নাথাকে । তেওঁলোকৰ এই বিষয় দুটাৰ ওপৰত অলপো জ্ঞান নাথাকে । মই সেই কাৰণে শিক্ষা মন্ত্রী মহোদয়ক জনাব বিচাৰিছো যে এই দুটা বিষয় বাধ্যতামূলক হব লাগে তাৰ বাবে মই আহ্বান জনাইছো ।

মাননীয় উপাধ্যক্ষ মহোদয়, তাৰ পিচত মই কবলৈ বিচাৰিছো কলেজ বিলাকত দেখা গৈছে যে বিহাৰ, ই-উ পি আৰু উৰিষ্যাৰ পৰা ইংৰাজী বিষয়ৰ শিক্ষক শই শই আহি ভৰি পৰিছে । ইয়াৰ পৰা দেখা গৈছে যে আমাৰ অসমীয়া ল'ৰাই শতকৰা ৫০ শতাংশ নম্বৰ পাই নিযুক্তি পোৱা নাই । বিহাৰ উৰিষ্যাৰ মানুহ নিযুক্তি পাইছে । কিন্তু দেখা যায় শতকৰা ৫০ ভাগ নম্বৰ পোৱা অসমীয়া ল'ৰাৰ ইংৰাজী জ্ঞান যিমান সেই বাহিৰৰ নিযুক্তি পোৱা শিক্ষক সকলৰ জ্ঞান ইয়াৰ তুলনাত একেবাৰে নিম্ন স্তৰৰ । লগতে এইটো বিচাৰ কৰিলে গম পাব যে বাহিৰৰ ইংৰাজী শিক্ষক সকলৰ বহুতো ভুৱা 'চার্টিফিকেট' আছে । সেয়ে মই আজি কবলৈ গৈছো যে শিক্ষা বিভাগে অন্ততঃ এই নিযুক্তিৰ ক্ষেত্রত আমাৰ অসমীয়া ল'ৰাৰ ক্ষেত্রত শতকৰা ৫০ বা ৫৫ নম্বৰ পোৱা ল'ৰাক নিযুক্তিৰ ক্ষেত্রত অগ্রাধিকাৰ দিয়াৰ ব্যৱস্থা গ্রহণ কৰিব লাগে । ইয়াৰ বাবে অসম চৰকাৰে এটা সু-চিন্তিত ব্যৱস্থা গ্রহণ কৰিব লাগে ।

★ শ্রীহিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্রত মই এটা কথা কবলৈ বিচাৰিছো যে শিক্ষাৰ সমস্যাৰ কথা কবলৈ গলে প্রাথমিক পর্য্যায়ৰ পৰা বিশ্ববিদ্যালয়লৈকে বহুতো কথা কব পৰা যায় । বৰ্ত্তমান শিক্ষা ব্যৱস্থাটো যি অৱস্থা হৈছে সেই বিষয়ে মাননীয় শিক্ষা মন্ত্রীয়ে উপলব্ধি কৰিব পাৰে । বৰ্ত্তমানে আমি দেখা পাইছো যে হাইস্কুল বিলাক আৰু হায়াৰ চেকেণ্ডাৰী স্কুল বিলাক এনেকুৱা কৰিছে যে এই স্কুল বিলাকৰ শিক্ষাৰ

★ Speech not Corrected.

মাজত এখন অদৃশ্য দেৱালৰ সৃষ্টি হৈছে। এই কথাটো স্বীকাৰ কৰে নে নকৰে নাজানো। এই শিক্ষক সকলৰ ৯০ শতাংশ শিক্ষকে একেলগে নবহে আনকি একেলগে চাহ নেখায়। ভাতোকৈ ডাঙৰ কথা হৈছে ক্লাচ কৰিবলৈ নিবিচাৰে। হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ ক্ষেত্ৰত হাই কোৰ্টৰ নির্দ্দেশ আছে। মাননীয় মুখ্য মন্ত্রীয়ে কৈছিল যে ২০ খন জুনিয়ৰ কলেজ কৰিম, এতিয়ালৈকে ৩৯ খনৰ 'ৰিকগনেশ্যন' দিয়া হৈছে। ১০০ খনৰ অধিক জুনিয়ৰ কলেজ স্থাপন কৰা হৈছে। ১২৫ খন হায়াৰ চেকেণ্ডাৰী স্কুল দিয়াৰ কথা কৈছে। নতুন শিক্ষা নীতিৰ মতে ২ টা চেক্‌শ্যন ডিলিত কৰিছে হয় হায়াৰ চেকেণ্ডাৰী কৰিছে নহয় জুনিয়ৰ কলেজ কৰিব লাগে। এই শিক্ষা ব্যৱস্থাটো কেৱল শিক্ষাৰ উন্নতিৰ হকে কৰিব লাগে। ৰাজনৈতিক উদ্দেশ্য ইয়াত থাকিব নেলাগে। ইয়াৰ এটা স্পষ্ট ভাবে উদাহৰণ দিব পাৰো, স্কুলখনৰ নাম মই উল্লেখ কৰিব পাৰো কৰৰা হায়াৰ চেকেণ্ডাৰী স্কুল ইয়াত ১২ জন শিক্ষক নিযুক্তি দিছে, বিজ্ঞান বিভাগত তাত এজনো ছাত্র নাই কিন্তু ১২ জন শিক্ষকে প্রতি মাহে ৩ হেজাৰ কৈ দৰমহা পালেও মুঠ ৪৮ হেজাৰ টকা দৰমহা দিব লগা হয়। ৰাজ্যখনৰ শিক্ষা বিভাগত সমস্যাৰ সৃষ্টি হৈছে। কিন্তু শিৱ চকু মুদি আমি কৈ দিব পাৰো কোনো এখন স্কুল হায়াৰ চেকেণ্ডাৰীলৈ উন্নিতকৰণ কৰিব লাগে নে নেলাগে।

উপাধ্যক্ষ মহোদয়, আৰু এটা কথা মই কবলৈ বিচাৰিছো-হাইস্কুল আৰু এম-ই, স্কুলৰ কথা। এই দুয়োটা চেকচন একেলগে থাকে এম-ই, স্কুলৰ বেল পৰে ১২ টা বজাত আনহাতে হাইস্কুলৰ বেল পৰে ১২-৪০ বজাত। সেই সময়ত বহুত খেলি-মেলি হয়। যদি এমালগেমেনেশ্বনৰ প্রস্তাব কৰিব নোৱাৰে তেতিয়া হলে কি শিক্ষা চলিব। হাইস্কুল আৰু হায়াৰচেকেণ্ডাৰী দুয়োটা একেলগে থাকে, কথাটো দেখাত অতি সৰু, কিন্তু গুৰুত্বপূর্ণ কথা। মুখ্য মন্ত্রী মহোদয়ে ষ্টেটমেন লিখিত ভাবে দিয়াটো সহজ, অসমৰ কিমানখন হায়াৰচেকেণ্ডাৰীৰ ইন্‌চার্জ প্রিন্সিপাল, ভাইচ-প্রিন্সিপাল আছে, ৮১ খন কলেজৰ প্রিন্সিপাল নাই। চাকৰী কিমানক

দিলে সেইটো কাউণ্টেবল নহয় । ইণ্টাৰভিউ লবলৈ ছমাহ হৈ গল, কিন্তু দিয়া নাই । যিসকল যোগ্য সেইসকলে পাবই । যিবিলাক হাইস্কুল হাযাৰচেকেণ্ডাৰীলৈ উন্নীত হ'ল তাত আগৰ হাইস্কুলৰ মানুহখিনিয়ে কৈছে এইটো আমাৰ ঘৰ । এই কথা বিলাক বাস্তৱ আলোচনা নকৰিলে সমস্যাৰ সমাধান নহব । যদি এই তিনিওটা দিশ বাস্তৱত আলোচনা হয় তেতিয়া হলে ধৰি লম সমস্যা সমাধান হব ।

★ শ্রীহেম প্রকাশ নাৰায়ণ (মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, আজি শিক্ষা বিভাগৰ ৩০৯ ধাৰা অনুযায়ী যি আলোচনা হৈছে তাত মাননীয় সদস্য শ্রীগোস্বামী ডাঙৰীয়াই উত্থাপন কৰা বিষয়ত মাননীয় সদস্য শ্রীপাটোৱাৰী শ্রীডেকা, শ্রীশইকীয়া, শ্রীসন্দিকৈ, শ্রীবুঢ়াগোহাঁই ডাঙৰীয়াই গুৰুত্বপূর্ণ কিছু পৰামর্শ আগ বঢ়োৱাৰ কাৰণে তেখেত সকলক ধন্যবাদ দিছো । শিক্ষা মনস্তাত্ত্বিক বিষয়ৰ লগত জৰিত । প্রৱেশিকা পৰীক্ষাৰ ফলফলৰ ক্ষেত্রত তিনি হেজাৰ ৫৮ খন হাইস্কুলৰ ফলাফলৰ ৰিপোর্ট'ত দেখা গৈছে যে ৩০ পাৰচেণ্টৰ তলত প্রায় ১৫ শ, ০ ৰ পৰা শতকৰা ৫ ভাগ ১৭২, মুঠতে ১৯৫ খন স্কুল আছে । সর্ব্বভাৰতীয় নর্মচ হ'ল ৩০ পাৰচেণ্ট, ৩০ পাৰচেণ্টৰ যিখিনি স্কুলৰ ফলাফল নিম্নগামী হৈছে ০ ৰ পৰা ২৫/২৯ লৈ গৈছে সেই সমূহক ৰিকোমেণ্ডেচন কৰা নহব । এই ক্ষেত্রত শ্ব-কজ ন'টিচ দিয়া হৈছে আৰু গুৰুত্ব সহকাৰে চাবলৈ দিয়া হৈছে আৰু গুৰুত্ব সহকাৰে চোৱাও হৈছে । দৈনন্দিন হাৰ যে নিম্নগামী হৈছে এই অভিযোগৰ কথা কব বিচাৰিছো ।

★ শ্রীহিতেশ্বৰ ডেকা : উপাধ্যক্ষ মহোদয়, ৰেচপনচিবিলিটি ফিক্স কৰাৰ কাৰণে নে নাই ?

★ শ্রীহেম প্রকাশ নাৰায়ণ (মন্ত্রী) : যি সমূহ বিদ্যালয়ৰ পৰীক্ষাৰ হাৰ ৩০ পাৰচেণ্টৰ তলত সেই সকলক অহা বছৰ কিয় হাৰ কম হৈছে কৈফিয়ৎ বিচৰা হব । এই বিলাক নোচোৱাকৈ শ্ব-কজ ন'টিচ কৰা নহব ।

★ Speech not Corrected.

★ শ্রীচন্দ্রমোহন পাটোৱাৰী : শিক্ষক সকলক ৰিফ্রেচার্চ কোর্চ দিব নোৱাৰি নেকি, ইয়াৰ কাৰণে কি লোকচান হব। এইটো দিয়া হব নে নহয় কব লাগে।

★ শ্রীহেম প্রকাশ নাৰায়ণ (মন্ত্রী) : প্রাথমিক বিদ্যালয়তো অহ'তাৰ ভিত্তিতে হৰ লাগে। এডুকেশ্বন কুৱালিফিকেশ্বন হায়াৰচেকেণ্ডাৰী হব লাগে। মাননীয় সদস্য শ্রীসন্দিকৈ ডাঙৰীয়াই চিলেবাচৰ সম্পার্কে কৈছে। বছৰটোত ৩৬৫ দিনৰ ভিতৰত যি কেইটাদিন শিক্ষাদান কৰা হয় সেই মতে পঢ়াব পৰাকৈ চিলেবাচ পাথ্যপুথি নিগমে প্রণয়ন কৰিব দিয়া হৈছে। এই ক্ষেত্রত এন, চি, ই, আৰ, টি, ক চিলেকচন কৰিবলৈ দিয়া হৈছে। মাননীয় সদস্যই শিক্ষকৰ বিষয়ে যি কৈছে মইও একমত। এতিয়া শিক্ষক সকলে দৰমহাৰ কাৰণে যিখিনি অসুবিধা পাই আছে বর্ত্তনান তেওঁলোকক দৰমহা দিয়াৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। মাননীয় মুখ্য মন্ত্রী ঘোষণা কৰিছে যে শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে নতুন নীতি গ্রহণ কৰিব লাগে। এই সম্পার্কে মাননীয় মুখ্য মন্ত্রী মহোদয়ে বহুত বাৰ কৈছে। ওৱার্ড পর্য্যায়ৰ পৰা ভিলেজ লেভেল এডুকেশ্বন কমিটিলৈকে পৰীক্ষাত্ত বহা নবহা বিষয় দিব বিচৰা হৈছে, সেই সকলক চৰকাৰে ব্যৱস্থা লবলৈ কৈছে।

মাননীয় সদস্য শ্রীবৰগোহাই, আবেদিন চাহাব ডাঙৰীয়াই ইংৰাজী বিষয়ত নিযুক্তিৰ ক্ষেত্রত গুৰুত্ব দিয়াৰ কথা কৈছে লগতে ভূগোল, বুৰঞ্জী বিষয় দুটা কম্পালচৰী বিষয় হিচাবে লবলৈ কৈছে। এই বিষয় বাধ্যতা-মূলক কৰাৰ ব্যৱস্থা লৈ থকা হৈছে। হাইস্কুল আৰু এম-ই, স্কুলৰ এমালগেমেশ্বনৰ ক্ষেত্রত কমপ্লিকেচি আছে। এইটো কনট্রোভাৰচিয়েল যাতে নহয় ইতিমধ্যে সিদ্ধান্ত লোৱা হৈছে। এম, ই, স্কুলৰ বা হাইস্কুলৰ হেডমাষ্টৰ থাকিব যে সেইটো কথা নহয়। হায়াৰচেকেণ্ডাৰী প্রিন্সিপালৰ ক্ষেত্রত ইতিমধ্যে চিলেকচন কমিটিৰ দ্বাৰা চিলেকচন কৰা হৈছিল, কামৰূপত নিযুক্তি হৈছে, বহুতো দিবলৈ আছে। এই ক্ষেত্রত হাই কোর্টৰ পৰা এটা ইন্‌জাঙচন আছিছে. হাই কোর্টৰ ষ্টে অর্ডাৰ মুকলি কৰিবলৈ ব্যৱস্থা কৰি

★ Speech not Corrected.

থকা হৈছে । মাননীয় সদস্য সকলৰ আৰু বহুতো পৰামৰ্শ আছে । মাননীয় সদস্য শ্রীডেকা ডাঙৰীয়াই কৰৰা হায়াৰচেকেণ্ডাৰী স্কুলত বিজ্ঞান শাখাত ১২ জন শিক্ষক আছে বুলি কৈছে আৰু বিজ্ঞানৰ ছাত্র নাই বুলি কৈছে । এইটো আমাৰ দৃষ্টি গোচৰত অহা নাই, যদি আহে ব্যৱস্থা লোৱা হব । কন্‌টিনজেনচি, এড হক এনছহন্স কৰা হৈছে । মেৰিট সদায় ওপৰত থাকে । নিয়মৰ ভিত্তিত পাৰৰ কাৰণে ব্যৱস্থা কৰা হৈছে ।

☆ শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, কমিশ্বন্যাৰ লেভেলত কৰিব নেকি ? মেৰিটৰ ক্ষেত্রত অগ্রাধিকাৰ দিব নে নিদিয়ে ?

মাননীয় উপাধ্যক্ষ : এইটো ৩০৯, আলোচনা ইমান কৰিব নালাগে, এতিয়া মুখ্য মন্ত্রীয়ে উত্তৰ দিব ।

শ্রীযুত হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিখিনি কথা আৰু পৰামৰ্শ আগবঢ়াইছে সেই সম্পর্কত মাননীয় বাজ্যিক শিক্ষামন্ত্রী মহোদয়ে প্রশ্নৰ উত্তৰ দি গৈছে মই মাত্র তিনিটামান কথাহে কবলৈ ওলাইছো । মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই প্রাদেশিকীকৰণৰ কথা কৈছে, ১৯৭৮ চনত যেতিয়া মই শিক্ষা মন্ত্রী আছিলো তেতিয়া চৰকাৰী হাইস্কুল আৰু চৰকাৰী স্কুল বিলাকৰ দা-দর্মহায় অন্যান্য বেচৰকাৰী হাইস্কুল বা অন্যান্য বেচৰকাৰী স্কুল বিলাকতকৈ বৈচি দর্মহা আছিল । ডেফিচিট স্কুল বিলাকৰ দর্মহা চৰকাৰী স্কুল বিলাকতকৈ বহু কম আছিল আৰু সেই সম্পর্কতে শিক্ষক সকলৰ আন্দোলন হৈছিল । তেতিয়া বহু আলোচনা-বিলোচনাৰ অন্তত ১৯৭৮ চনত সিদ্ধান্ত কৰা হ'ল যে চৰকাৰী হাইস্কুল বিলাকক যি দা-দর্মহা দিয়া হৈছিল সেই একে হাৰতে ডেফিচিট স্কুল বিলাকৰ শিক্ষক সকলকো দা-দর্মহা দিয়া হব । তেতিয়া ডেফিচিট স্কুল বিলাকক গ্রেণ্ট দিয়া হৈছিল । কিন্তু সেই সময়ত ডেফিচিট স্কুলবিলাক প্রাদেশিকীকৰণৰ ক্ষেত্রত কিছুমান অসুবিধা আছিল । ডিষ্ট্রিক্ট হেডকোৱার্টাৰ আৰু চাবডিভিজন হেডকোৱার্টাৰ স্কুলহে চৰকাৰী হব আৰু সেই ব্যৱস্থাই কিছু দিনলৈ চলি থাকিল আৰু স্কুলৰ শিক্ষক

☆ Speech not Corrected.

সকল তেতিয়া হাউচ বেণ্টকে ধৰি দুই এটা সুবিধা পাইছিল। তাৰ পাচতেই এখন ডেভোলপমেণ্ট কমিটি কৰি দিয়া হ'ল কিন্তু এই কমিটি বিলাকৰ টকা-পইচা কম হোৱাৰ কাৰণে তেওঁলোকে একো কাম কৰিব পৰা নাছিল। ১৯৭৮ চনৰ আগত মেনেজিং কমিটিৰ যথেষ্ট দায়িত্ব আছিল, শিক্ষক নিয়োগকে ধৰি স্কুল এক্সপানচ্য বিল্ডীং ইত্যাদিৰ দায়িত্ব মেনেজিং কমিটিৰ আছিল কিন্তু প্ৰাদেশিকীকৰণ কৰাৰ পাচত তেওঁলোকৰ দায়িত্ব নোহোৱা হ'ল, নিয়োগৰ দায়িত্বও নোহোৱা হ'ল। তাৰোপৰি ডেভোলপমেণ্ট কমিটিৰো কোনো কাম নোহোৱা হ'ল। এনেকিলাক কথা বিবেচনা কৰি 'ওৱলর্ড' বেঙ্কৰ পৰা যোৱা বছৰ ধুবুৰী, মৰিগাওঁ, দৰং আৰু কাৰ্বীআংলং ঠাইলৈও স্কুল বিলাকক ২ লাখ ২৫ হাজাৰকৈ টকা দিয়া হৈছে আৰু তাত ভিলেজ ইডুকেশ্যন কমিটি কৰি দিয়া হৈছে আৰু এই কমিটিয়ে স্কুলৰ ডেভোলপমেণ্টকে ধৰি লকলো ধৰণৰ ডিচিপ্লিন ইত্যাদি কথাবিলাক চাব, এতিয়া এই ব্যৱস্থা ৪ খন জিলাতহে আৰম্ভ কৰা হৈছে। যিবিলাক স্কুলৰ অৱস্থা আধা ভঙা সেই বিলাকত ৫০ হাজাৰকৈ দিয়া হৈছে। তদৰূপ হাইস্কুল বিলাকতো একেই ব্যৱস্থা লোৱা হৈছে। অসমৰ ৭ খন জিলাত যেনে- শিৱসাগৰ, গোলাঘাট, পোৱালপাৰা, কোকৰাঝাৰ, শিলছৰ, হাইলাকাণ্ডী আৰু কামৰূপৰ এই ৭ খন জিলাত প্ৰত্যেকখন হাইস্কুলত ৯০ হাজাৰ টকাকৈ চায়েন্সগ্ৰাণ্ট দিয়া হৈছে আৰু ১৮ হাজাৰ টকাকৈ লাইব্ৰেৰী গ্ৰাণ্ট দিয়া হৈছে আৰু এম-ই স্কুল বিলাকত ২৪০০ টকাকৈ চায়েন্সগ্ৰাণ্ট দিয়া হৈছে। এম-ই চেকশ্যনৰ পৰাই চায়েন্স ইনস্কুড কৰা হৈছে। অহা বছৰত তেনেদৰে নতুনকৈ আৰু স্কুল লোৱা হব। ১৯৭৮ চনৰে পৰা প্ৰাইমাৰী, হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী প্ৰাদেশিকীকৰণ কৰা হ'ল। হাইস্কুল বিলাকত ৯০ হাজাৰকৈ দিয়া হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, দ্বিতীয়তে শ্ৰীডেকা ডাঙৰীয়াই এম-ই স্কুল হাইস্কুলৰ লগত এমালগেমেট কৰাৰ কথা কৈছে। মই এইক্ষেত্ৰত কবলৈ বিচাৰিছো যে মই নিজেও স্কুলৰ চেক্ৰেটাৰী আছিলো। আমাৰ এটা নিয়ম আছে যে এমালগেমেট কৰিবলৈ হলে এম-ই স্কুল আৰু হাইস্কুলৰ

Matter Under Rule 301

মেনেজিং কমিটি দুখনে মতামত দিব লাগে মেনেজিং কমিটি দুখনে এইখিনি অৱগেনাইজ কৰে। দুয়োখন কমিটিয়ে মতামত দিলেহে এম-ই স্কুল হাইস্কুলৰ লগত মাৰ্চ হৈ যায়। আমি এই ব্যৱস্থাটো বন্ধ কৰি দি চৰকাৰে নিজে এমালগেমেট কৰাৰ ব্যৱস্থা কৰিবলৈ স্থিৰ কৰিছো। নহলে কেতিয়াবা এমালগেমেছনৰ ক্ষেত্ৰত কোৰ্টলৈ যাব লগা হয়। ফলত এমালগেমেট নহয়। আকৌ হাইস্কুল হায়াৰচেকেণ্ডাৰী স্কুললৈ উন্নীত কৰাৰ কথাটো হৈছে যিবিলাক ঠাইত কলেজ নাই সেইবিলাক ঠাইত হাইস্কুল বিলাক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিব। কিন্তু চৰকাৰ বদলি হলে এইবিলাক বদলি যায়। উপাধ্যক্ষ মহোদয়, আন এটা কথা হৈছে শিক্ষাৰ মানদণ্ড। এই বিষয়টো মাননীয় সদস্য শ্ৰীশৰ্মা ডাঙৰীয়াই উত্থাপন কৰিছে। ১৯৭২ চনত ছাত্ৰসকলে আন্দোলন কৰিছিল শিক্ষাৰ মাধ্যম অসমীয়া কৰক। তেতিয়া মই ৰাজ্যিক শিক্ষা মন্ত্ৰী আছিলো। শিক্ষাৰ মাধ্যম অসমীয়া কৰক। মাতৃ ভাষা মাধ্যম হব লাগে। ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষাত পঢ়িবলৈ পাব। কিন্তু আমি দেখিছো ১৯৭২ চনতো মেট্ৰিক পাছ কৰিছিল ২৯ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে আৰু এতিয়া অসমীয়া মাধ্যম হোৱাৰ পিছতো ২৯ শতাংশই পাছ কৰিছে। শিক্ষাৰ মানদণ্ড উন্নত নহ'ল। আজি সকলোৱে কৈছে ইংৰাজী মাধ্যমৰ স্কুলৰ বাবে অসমীয়া ভাষা সাহিত্যৰ সংকট আহিছে। এই সংক্ৰান্তত মই বোকাখাটৰ কথা কবলৈ বিচাৰিছো। বোকাখাট এখন সৰু ঠাই। বোকাখাটত এখন ইংৰাজী মাধ্যমৰ বিদ্যালয় পাতিছে। তাত তুলনামূলক ভাৱে শিক্ষকো কম। কিন্তু সেই স্কুলখনৰ ৰিজাল্ট অসমীয়া মাধ্যমৰ বিদ্যালয়তকৈ বহুত ভাল। অসমত মিছনাৰী স্কুল বিলাকৰ শিক্ষকৰ দৰমহা কম, ভাল চিকিউৰিটী নাই। কিন্তু তথাপি অসমীয়া মাধ্যমৰ বিদ্যালয়তকৈ শিক্ষাৰ মানদণ্ড যথেষ্ট উন্নত। মই অপ্ৰিয় কথা এটা কোৱা হয় যে যদি ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে নপঢ়ে, শিক্ষকে ভালদৰে নপঢ়ুৱাই তেতিয়া হলে কেনেকৈ পৰীক্ষাত ভাল ফল হ'ব। আমাৰ অসমীয়া মাধ্যমৰ বিদ্যালয় বিলাকৰ শিক্ষকৰ দৰমহা বহুত ভাল। শিক্ষক সকলৰ বেমাৰ নহলেও মাহে ২০০

টকাকৈ বেমাৰৰ নামত। আমাৰ যদি দেদিকেছন নাথাকে তেতিয়া শিক্ষাৰ মান উন্নত হব নোৱাৰে। আমাৰ বি-টি কলেজ আছে, ৰিক্রেচাৰ কোৰ্চ আছে সেই বিলাক কৰি সমূহীয়া দায়িত্ব নললে কেতিয়াও শিক্ষাৰ মান উন্নত হব নোৱাৰে। এতিয়া আমি এটা কথা ভাবিছো, যিবিলাক ভিলেজ লেভেল এডুকেছন কমিটি কৰক, আৰু গাওঁৰ ৰাইজে নিজে শিক্ষাৰ মান উন্নত কৰাৰ ব্যৱস্থা কৰক। মই তিনিটা বিষয়ত এইখিনিকে কৈছো।

★ শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, আমি দেখিছো যে শিক্ষক নিযুক্তিৰ ক্ষেত্রত বহুতো উপযুক্ত প্রার্থীক নিযুক্তি নিদি নিযুক্তিৰ ক্ষেত্রত যথেষ্ট খেলি-মেলি কৰিছে।

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : উপাধ্যক্ষ মহোদয়, হাইস্কুলৰ ক্ষেত্রত চিলেকছন বোৰ্ড আছে। আমাৰ এতিয়ালৈকে অকল শিক্ষা বিভাগতে ৩৪ হাজাৰ শিক্ষক নিয়োগ কৰা হৈছে। ইয়াৰ ভিতৰত কলেজত ৭০০, হাইস্কুল পর্য্যায়ত ৭৮৯০ জন আৰু এম-ই স্কুলত ৭৩৪০ জন নিয়োগ কৰা হৈছে। আজিলৈকে কোনেও প্রাইমাৰী স্কুলৰ শিক্ষকৰ নিযুক্তিৰ বাহিৰে হাইস্কুল বা কলেজ পর্য্যায়ৰ শিক্ষকৰ নিযুক্তিৰ অভিযোগ উত্থাপন কৰা নাই। যোৱা ৬ মাহে অসমৰ কোনো এখন বাতৰি কাকতেতে কলেজ শিক্ষকৰ নিয়োগৰ ক্ষেত্রত অভিযোগ উত্থাপন কৰা নাই। অৱশ্যে মাজে সময়ে এড্হকত এপইণ্টমেণ্ট দিয়া হৈছিল। এতিয়া এইটো বন্ধ কৰা হব। আমি জনাত হাইস্কুলত শিক্ষক নিয়োগৰ ক্ষেত্রত চিলেকছন কমিটি আছে। কলেজৰ বাবে গভর্নিং বোডি আছে। শিক্ষক নিয়োগৰ ক্ষেত্রত ক'ত কেনা সেইটো ভালদৰে চোৱা দৰকাৰ। শিক্ষক নিয়োগৰ ক্ষেত্রত ৰাজনীতি কৰিব নালাগে। ৰাজনীতি কোনে কৰা নাই। চৰকাৰ বদলি হলে আগৰ চৰকাৰে গঠন কৰি দিয়া গভর্ণিংবদি, চিলেকছন কমিটি বিলাক ভঙ্গ কৰি দিয়ে। ১৯৮৫ চনত এ-জি-পি চৰকাৰে মন্ত্রী সভা গঠন কৰিছিল। আৰু তেখেতসকলে কমিটি বিলাক ভঙ্গ কৰি দিছিল। তাৰ আগতে জনতা চৰকাৰৰ দিনতো সেই

★ Speech not Corrected.

একে প্রথা চলি আহিছে। আমাৰ দিনতো চলি আছে। এই পৰম্পৰাটো বন্ধ কৰিব লাগে। এই ক্ষেত্ৰত ৰাজনীতি কৰা উচিত নহয়। আমি এই পৰম্পৰাটো উঠাই দিয়াৰ ব্যৱস্থা কৰিছো। আমি ভাবিছো ভিলেজ এডুকেছন কমিটি বিলাকে গাওঁৰ ল'ৰা ছোৱালী ভাল কৰাৰ কাৰণে গাওঁৰে ভাল শিক্ষক নিয়োগ কৰক। তাৰ বাবে আমি ভিলেজ লেভেল এডুকেছন কমিটিৰ ব্যৱস্থা কৰিছো।

(Mr. Speaker Occupied the Chair)

PRIVATE MEMBERS PENDING RESOLUTIONS

Mr. Speaker : Now item No 4. Pending resolutions.

(শ্ৰীলক্ষী প্ৰসাদ বৰগোঁহাইৰ ভাষণটো কাৰ্য্যবিৱৰণীৰ পৰা বাতিল কৰা হয়)।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই এযাৰ কথা কব বিচাৰিছো যে আমাৰ সকলো সদস্যৰে বক্তব্য ৰখাৰ অধিকাৰ আছে। কিন্তু অধিকাৰ থকা সত্বেও এগৰাকী সদস্যই অসমীয়া জাতিৰ সকলোৰে মহাপুৰুষ যিজনক জগত গুৰু বুলি আখ্যা দিয়া হয় তেখেতৰ প্ৰতি বিৰুপ মন্তব্য কৰা ভাল হোৱা নাই। এইটো মই মোৰ প্ৰতিবাদ কৰিছো। শঙ্কৰাচার্য্যৰ বিৰুদ্ধে কথা কোৱাটো আমি সদনত নিবিচাৰো। মহাপুৰুষ শঙ্কৰদেৱক আমি আজিও গুৰু বুলিয়ে মানো। গতিকে এইটোত মই দুৰ্ঘোৰ প্ৰতিবাদ কৰিছো।

মাননীয় অধ্যক্ষ : এই গোটেই কথাখিনি আজি কার্য্য বিৱৰণীৰ পৰা বাদ দিয়া হল।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যে যিবিলাক চেনচিটিভ ইচু আছে, যিবিলাকে গোটেই মানুহখিনিক এফেক্ট কৰে এনে কথা কব নালাগে। মাননীয় সদস্য গৰাকীয়ে আৰু সামন্নতম কথা নকৈ বহি গলে ভাল। It is you to decide what is good

★ Speech not Corrected.

and what is bad. The House is Supreme and it can expunge the matter the whole the lecture of Sri Borgohain is expunged. আপোনালোকে শুনিছে সেই কাৰণে মই বন্ধ কৰা নাই। যিহেতুকে হাউচ হৈছে চুপ্ৰিম অথোৰিটি। আপোনালোকে আপত্তি কৰিছে, মই তেওঁৰ কথাখিনি এক্সপাঞ্জ, কৰি দিছো। গোটেই বক্তৃতাটোৱেই এক্সপাঞ্জ, কৰি দিলো। Now Sri Anowar Hussain.

শ্ৰীআনোৱাৰ হুছেইন : মাননীয় অধ্যক্ষ মহোদয়, ডঃ জয়নাথ শৰ্মা ডাঙৰীয়াই যিটো প্ৰস্তাৱ লৈ আহিছে তাৰ ওপৰত বহুতো আলোচনা হৈছে। শঙ্কৰদেৱৰ নামত অসমত বিশ্ববিদ্যালয় হওক সেইটো মই সৰ্ব্বান্তঃকৰণে সমৰ্থন কৰো। কিন্তু তেখেতে অনা প্ৰস্তাবত ভালেমান ত্ৰুটি আছে। এই ত্ৰুটিবোৰ থকা বাবে আজি তেখেতে নিজেই প্ৰস্তাৱটো গৃহিত হোৱাৰ পথত হেঙাৰ হৈ থিয় দিছে। প্ৰস্তাৱটো পূৰ্ণপাঠ "আজিৰ বিধান সভাই প্ৰস্তাৱ গ্ৰহণ কৰে যে অসমত প্ৰস্তাৱিত কেন্দ্ৰীয় বিশ্ববিদ্যালয় দুখনৰ যিকোনো এখনৰ নাম 'শংঙ্কৰদেৱ বিশ্ববিদ্যালয়' ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হওক"। খচৰা প্ৰস্তাৱটো বিশ্লেষণ আৰু আলোচনা বিলোচনাৰ প্ৰয়োজনবোধ কৰিছো। এতিয়া বিবেচনা কৰিব লাগিব যে এই প্ৰস্তাৱটো সম্প্ৰতি গ্ৰহণ যোগ্য হৈছেনে? ইয়াত এটা স্পষ্ট আৰু দুটা বাক্য-খণ্ড অপ্ৰাসঙ্গিক আৰু অপ্ৰযোজ্য হৈ আছে। প্ৰথমতে "প্ৰস্তাৱিত" শব্দটো, দ্বিতীয়তে "কেন্দ্ৰীয় বিশ্ববিদ্যালয় দুখনৰ যি কোনো এখন" তয়তে "নাম শঙ্কৰদেৱ বিশ্ববিদ্যালয় ৰাখিব লাগে"। মই আপত্তি কৰিছোঁ। এই তিনিটা পাৰ্ত মূল খচৰা প্ৰস্তাৱত এই তিনিটা শব্দ আৰু খণ্ডবাক্য প্ৰস্তাবটোক আজিৰ দিনত অযোগ্য কৰি তুলিছে। এতিয়া প্ৰশ্ন হ'ল বিশ্ববিদ্যালয় দুখন আজিও "প্ৰস্তাৱিত হৈয়েই আছেনে? দ্বিতীয়তে দুখন বিশ্ববিদ্যালয়ৰ কোনখন অনিশ্চয়তা হৈ আছে। তয় প্ৰশ্নটো হ'ল শিলচৰ আৰু তেজপুৰ নামাকৰণ হোৱাৰ পিছত নাম ৰাখিব লাগিবনে, পুনৰ নামাকৰণ কৰিব লাগিব। এই প্ৰশ্নৰ উত্তৰ দিবলৈ যাওতে বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হৈছে সেয়ে "প্ৰস্তাৱিত" কথাটো অতি

অপ্রাসংগিক। এই প্রস্তাৱটো গ্রহণ কৰিব নোৱাৰে। দ্বিতীয় কথা হৈছে বিশ্ববিদ্যালয় দুখনৰ এখন তেজপুৰ আৰু আনহন শিলচৰত স্থাপন কৰা হৈছে। তাৰ ভিতৰত তেজপুৰ নাইবা শিলচৰৰ কোনখন শংকৰদেৱৰ হিচাবে নামাকৰণ কৰিব কোনো উল্লেখ নাই। আমি এই ধৰণৰ প্রস্তাৱ গ্রহণৰ কোনো অৱকাশ নাই। প্রস্তাৱ গ্রহণৰ ক্ষেত্রত কোনো সন্দেহ যেন উদয় হব নোৱাৰে। এই প্রস্তাৱটো অনিশ্চয়তাৰ প্রস্তাৱ। সুস্পষ্ট নহয়, প্রত্যক্ষও নহয়। বাক্যখণ্ডৰ ২য় পর্য্যায়ৰ খণ্ডটোও গ্রহণযোগ্য নহয়। শংকৰদেৱ বিশ্ববিদ্যালয় ৰাখিবলৈ কেন্দ্রীয় চৰকাৰক অনুৰোধ কৰা হওক। গতিকে এই প্রস্তাৱটোৱে সমস্যা সমাধানৰ ব্যৱস্থা কৰা নাই, সমস্যাৰ সৃষ্টি কৰিব। গতিকে যি প্রস্তাৱে অনিশ্চয়তাৰ সৃষ্টি কৰে তেনে প্রস্তাৱ গ্রহণযোগ্য হব নোৱাৰে। তাৰ পাচত নাম ৰাখিব লাগিব অর্থাৎ তেজপুৰ বা শিলচৰ কেন্দ্রীয় বিশ্ববিদ্যালয়খনৰ "পুনৰ নামকৰণ" হব লাগিছিল। সেয়ে প্রস্তাৱিত প্রস্তাৱটো সঠিক নহয়। গতিকে প্রস্তাৱক যদি প্রস্তাৱকৰ ত্রুটি থাকে তেনে প্রস্তাৱ গ্রহণযোগ্য হব নোৱাৰে। ডঃ শর্মা এজন বিজ্ঞ সদস্য তেখেত এগৰাকী পণ্ডিত আৰু তেখেত এজন জ্যেষ্ঠ সদস্য। গতিকে তেখেতে নিশ্চয় বিধান সভাৰ পৰম্পৰা জানে। গতিকে কেন্দ্রীয় বিশ্ববিদ্যালয়ৰ কোনখন বিদ্যালয় শংকৰদেৱ হিচাবে নামাকৰণ কৰিব লাগিব সেইটো তেখেতে নির্দ্দিষ্ট হিচাবে দিব পাৰিলেহেতেন। গতিকে এনে কিছুমান ত্রুটি দেখি তেখেতে আন্তৰিকতাৰে প্রস্তাৱটো ৰাখিছেনে নাই মোৰ অন্তৰত প্রশ্ন জাগিছে। এই কাৰণ বিলাকৰ কাৰণেই যিহেতুকে প্রস্তাৱৰ শব্দ গাঠনি আৰু খণ্ড-বাক্য অপ-প্রয়োগৰ বাবে প্রস্তাৱটোক গ্রহণৰ অযোগ্য কৰি তুলিছে সেয়ে বিধান সভাৰ মজিয়াত ভোটৰ দ্বাৰা ডিফিটেড হৈ এনে এজন মহান ব্যক্তিৰ অর্থাৎ জাতীয় চেনটিমেণ্টৰ আঘাত নকৰিবলৈ এই প্রস্তাৱটো উঠাই লবলৈ মই অনুৰোধ কৰিছো। আৰু লগতে সংশোধনি ৰূপত প্রস্তাৱ লৈ আহক। লগতে পইণ্ট অৱ অর্দাৰ—

অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা পইণ্ট অৱ অর্দাৰ আনিব

বিচাৰিছো । তেখেতে নিজে এই প্ৰস্তাৱটোৰ কথা বিশ্লেষণ কৰক । যদিহে প্ৰকৃতাৰ্থত প্ৰস্তাৱটো আজিৰ তাৰিখত আজিৰ সভাত গ্ৰহণযোগ্য হয় তেনেহলে আলোচনা চলাব লাগে । আৰু যদিহে প্ৰস্তাৱটো গ্ৰহণযোগ্য নহয় তেনেহলে আলোচনা কৰিব নালাগে । মই ভাবো এই বিষয়ে এটা সংশোধনী প্ৰস্তাৱ নহালৈকে এই বিষয়টো আলোচনা কৰা উচিত নহয় । মই মোৰ পইণ্ট অৰ অৰ্ডাৰত আবেদন ৰাখি কেইটামান কথা কবলৈ বিচাৰিছো । বিধান সভাত যোৱা ডেৰ বছৰ ধৰি এইটো এটা ইছু হৈ আছে । কাগজে পত্ৰই কোনো দাবী দেখা নাই । এই দাবী বিধান সভাৰ মজিয়াতে আৱদ্ধ হৈ আছে । কোনো ধৰণৰ গণ-তান্ত্ৰিক দাবী বা হেনেকুৱা কোনো আন্দোলন আমাৰ চকুত পৰা নাই । গতিকে এই দাবিটো ৰাজহুৱা দাবী নহয় বুলি মই ভাবিছো । বিধান সভাত যিখিনি আলোচনা হৈছে তাত বহুতো মাননীয় সদস্যই এই বিষয়টোৰ ওপৰত দীঘলীয়া বক্তব্য ৰাখিছে । এই বক্তব্য বিলাক আমি শুনিছো ; আৰু দেখা গৈছে যে, বক্তব্যৰ ৩ টা ভাগত আমাৰ মাননীয় সদস্যসকল বিভক্ত হৈ গৈছে । কোনোবাই প্ৰস্তাৱটো সমৰ্থন কৰিছে, কোনোবাই বিৰোধীতা কৰিছে আৰু কোনোবাই বিকল্প নামত বিশ্ববিদ্যালয়খন দিব খুজিছে । এইটো এটা অতি দুৰ্ভাগ্যজনক বিষয় । শংকৰদেৱ কেৱল অসমীয়া জাতিৰে সম্পদ নহয় গোটেই অসম বাসীৰে সম্পদ । গতিকে শংকৰদেৱক নিৰংকুশ ভাবে, একছত্ৰী ভাবে তেওঁৰ ওপৰত আধিকাৰ আছে বুলি কোনোৱেই দাবী কৰাটো ঠিক নহয় । শংকৰদেৱ আমাৰ সকলোবে বাবে সন্মানৰ পাত্ৰ । এই সম্পৰ্কত আজি বিতৰ্কৰ সৃষ্টি হৈছে । আৰু শংকৰদেৱৰ নামত এনে ধৰণৰ বিতৰ্ক হোৱাটো মই যুক্তিসঙ্গত বুলি নাভাবো । আজি শংকৰদেৱক প্ৰত্যক্ষ ভাবে নহলেও পৰোক্ষভাবে অসন্মান কৰা হৈছে । এইটো দুৰ্ভাগ্যজনক কথা । এইখিনিতে মই প্ৰস্তাৱক ডাঙৰীয়াৰ ভূমিকাৰ বিষয়ে অলপ কবলৈ বিচাৰিছো । এই প্ৰস্তাৱটো অনাৰ প্ৰৰিপেক্ষিতত শংকৰদেৱৰ নাম লৈ টনা আজোৱা কৰি তেওঁক সন্মান দিয়াৰ পৰিবৰ্ত্তে এইটো অসন্মানজনক কথাহে হৈছে । দূৰদৰ্শিতাৰ কথাটো আগতেই চিন্তা কৰা উচিত ।

দূৰদৰ্শী নোহোৱাৰ বাবেই আজি এনে প্ৰস্তাৱ অনিবলৈ পাইছে। এই স্পৰ্শকাতৰ বিষয়টোত এতিয়া ৰাজনৈতিক নকৰিলেই মই ভালপাম। কাৰণ শংকৰদেৱৰ এই স্পৰ্শকাতৰ বিষয়টো লৈ যদি আমি টনা আজোৰা কৰো অৱশ্যে সমালোচনা ইতিমধ্যে হৈ গৈছে, এইবিলাক ভাল কথা হোৱা নাই। এতিয়া বিধান সভাৰ বাহিৰত কোনোবাই হয়তো কব যে আমুক বা আমুকদলে বিৰোধীতা কৰা বাবেহে আমি প্ৰস্তাৱটো গ্ৰহণ কৰিব নোৱাৰিলো। মই বিনীত ভাবে অনুৰোধ কৰিব খোজো যে, এই বিষয়টো যাতে ৰাজনৈতিক বিষয় কৰা নহয়। প্ৰস্তাৱটো শব্দ গাঠনিৰ বাবে ৰিজেক্ট হোৱাৰ যোগ্য। শংকৰদেৱৰ নামত এখন বিশ্ববিদ্যালয় হোৱাটো মই ঐকান্তিক ভাবে কামনা কৰো। শংকৰদেৱৰ বিষয়ে বৰ বেছি কবলৈ মোৰ সাহ নাই। তেখেতৰ বিশাল ব্যক্তিত্বৰ মানুহ হিচাবে, সৰ্ব্বগুৰু হিচাবে, অসমীয়া জাতিৰ জনক এজন সমাজ কৰ্মী হিচাবে, পিতৃ হিচাবে তেওঁৰ সকলোবিলাক গুণেই আছে। তেওঁ ধৰ্মনিৰপেক্ষতাক বিশ্বাস কৰিছিল আৰু হাতে কামে লাগি গৈছিল। এই বাবে আমি তেখেতক প্ৰশংসা কৰো, শ্ৰদ্ধা কৰো, ভক্তি কৰো। এবাৰ মই ৰবীন কাকতিৰ ঘৰলৈ গৈছিলো তাতে জাষ্টিচ বাহাৰুল ইচলামকো লগ পালো। আমাৰ ভিতৰত কথা হৈছিল আৰু কাকতি দেৱক প্ৰশ্ন কৰিছিলো লাইখুটাতো কি ? তেখেতে কলে লাই খুটা মানে মুল খুটা। ইচলাম চাহাবে কলে ইয়াৰ মাজতো কথা আছে। শংকৰদেৱে যেতিয়া নামঘৰ প্ৰতিস্থা কৰিছিল তেতিয়া জাতি ধৰ্ম নিৰ্বিশেষে সকলোৱে তেওঁৰ শিষ্য হব পাৰিছিল। মুছলমান মানুহো তেওঁৰ শিষ্য আছিল। প্ৰথম নামঘৰটো প্ৰতিষ্ঠা কৰোতে এই মুছলমান শিষ্যজনৰ হাতেৰে নামঘৰৰ এই খুটাটো পুতিছিল। তেতিয়া মুছলমান শিষ্যজনে 'লাই লাহা ইল আল্লাহা' বুলি খুটাতো পুতি দিয়ে। তাৰ পৰাই এইটো লাই খুটা হল। এইটো সঁচা কথা যে মহম্মদেও মদিনাত মচজিদ প্ৰতিস্থা কৰিছিল। আৰব দেশত ইজৰাইল নামৰ এখন খৃষ্টান অধ্যুষিত প্ৰদেশ আছিল। মুছলমান আৰু খৃষ্টান সকলৰ এবাৰ বিবাদক কেন্দ্ৰ কৰি হজৰত মহম্মদে খৃষ্টান সকলক আলোচনাৰ বাবে মাতে। আলোচনাত ৬০ গৰাকী পাত্ৰী আহিছিল তেওঁলোকক

মছজিদতে থাকিবলৈ দিয়া হৈছিল। দেওবাৰে সন্ধিয়া প্ৰাৰ্থনাৰ সময়ত একে মছ্জিদতে খৃষ্টানে পূৱ ফালে প্ৰাৰ্থনা কৰিছিল আৰু মুছলমানে পশ্চিমফালে নামাজ পঢ়িছিল। এই ক্ষাৰ্তি মহাপুৰুষ শংকৰদেৱৰ মাজতো আছে। শংকৰদেৱৰ কথা হৈছে 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ'। বৈদিক ধৰ্ম "একসেব দ্বিতিয়ম আৰু ইছলামত লাইলাহা ইল্লাল্লাহা। কথা একেটাই। শংকৰদেৱে জাতিভেদ, অস্পৃশ্যতা বিশ্বাস কৰা নাছিল। কোনো জাতিৰ ভিতৰত পৃথকীকৰণ কৰি শিষ্য কৰা নাছিল ব্ৰাহ্মণ, কোচ, কলিতা, কেওট, মুছলমান, টাই, কছাৰী সকলোকে শিষ্য কৰিছিল। মথুৰা দাস, গোবিন্দ আতা আদি ভেখেতৰ শিষ্য আছিল।

মাননীয় অধ্যক্ষ : আপোনাৰ বক্তব্য শেষ নহল। অহা কালি ইংৰাজী ২০-৯-৯৫ তাৰিখৰ পুৱা ৯ বজালৈকে সদন স্থগিত ৰখা হল।

(১-৩০ বজাত সদন স্থগিত হয়।)

ADJOURNMENT

The House rose at 1-30 P. M. and stood adjourned till 9 A. M. tomorrow the 20th September, 1995.

D. Talukdar
Secretary,
Assam Legislative Assembly

Dispur
The 19th September, 1995.

Annexure—I

NO. CMS: 1 (D) 95/22
Dated May 12, 1995.

To
The Chief Secretary
to the Government of Assam,
Dispur.

Dear Sir,

Government of Assam vide Notification No. MI. 67/89/Vol.II/3 dated February, 3, 1994 set up an Advisory Committee under my Chairmanship with Chairmen & Managing Directors of OIL, BRPL, IBPI, NRL, GAIL, Regional Director ONGC Ltd, General Managers Guwahati Refinery, IOC (Marketing) as well as Commissioner & Secretary Industries Department as Members and Managing Director AIDC as Member-Convenor to help in Identification of Suitable Industries based on the natural resources, particularly related to Petro Chemical Sector. The committee was advised to examine the availability of natural gas and suggest optimum utilisation of the same for projects having greater shread effect in terms of economic activities, value addition, employment opportunities, and down stream industries.

The Advisory Committee met six times and had threadbare discussions with top officials of OIL, ONGC, GAIL, BRPL, AOD, IOC, AGC as well as major existing consumers of natural gas like HFCL, ASEB etc.

Considering the different aspects of the terms of reference of the Committee, the Committee decided to submit its recommendation to the State Government in two parts—Part I confining to Natural Gas availability and immediate utilisation and Part II relating to Petroleum & Natural Gas based industries indicating potential investment areas.

Annexure—I

I have now the pleasure of submitting the Part I of the recommendations of the Advisory Committee for consideration of the Government.

For finalisation of the part II of the recommendations, the Committee felt that there should be another round of discussion associating experts of different disciplines, We hope to submit the Part II recommendations by Mid June 1995.

Yours faithfully,

Sd/-

(JATIN HAZARIKA)

Chairman

Advisory Committee for Identification of Suitable Industries based on Natural Resources.

ADVISORY COMMITTEE TO IDENTIFY SUITABLE INDUSTRY BASED ON NATURAL RESOURCES PARTICULARLY RELATED TO PETROCHEMICAL SECTOR

Recommendations

Part— I

Govt. of Assam have been receiving a number of requests from prospective investors for allocation of natural gas for setting up a gas based projects. Having carefully examined each case on its merit, the Advisory Committee recommends allocation of gas to the projects in the stated order of priority in Annexure— I.

Annexure—I

The earlier allocation to existing consumers and their actual upliftment as available to us have been given in Annexures II and III. The revised allocation to them, based on requests for new/additional requirement, as indicated in the same Annexures, may be considered subject to review of actual utilization within a given timeframe. While allocating gas this aspect should be made clear to the allottees. Format for a letter to be issued to propective allottees is as Annexure—IV.

Assam is heavily dependent on natural gas for her future industrialisation. A good number of projects are in the process of implementation based on Projectd availability of gas. Any unfavourable variation in the same would cause a serious setback to these projects. In this context, the Committee would like to emphasize a few relevant points :

(1) As economic development of Assam is closely linked with the proper utilisation of natural gas, Government of India should advise ONGC and OIL to intensify their activities in the State including the exploration activities for achieving increased production of petroleum crude and natural gas, both associated as well as non associated.

(2) Optimum utillization and distribution of available gas would require an efficient network for collection

Annexure— I

of gas to centralized points from various pockets. Without such a network, flaring will continue to be unavoidable at the cost of a valuable and non-renewable resource that needs to be harnessed to the last cubic metre, more particularly when it concerns a region that is beset with acute unemployment problem. Therefore, various facilities in this respect need to be augmented so that what is being wasted today can be converted into a value added product tomorrow.

In this context, the Committee noted that between 1970 and 1992, Assam produced 37,000 MCM of associated gas representing 65% of total on-shore production in the country of which 15,000 MCM representing 41% of production in Assam and worth Rs. 2,500 crores at current prices, was flared. During 1992-93, 685 MCM representing 33% of total production of 2086 MCM and worth Rs. 109 crores, i. e. Rs. 30 lacs per day and much more if valued at the price prevailing in many countries in the world, was flared. The continued low withdrawal rate of the gas by the consumers being the main reason for this flaring. A strict discipline by way of a contract provision for each consumer to pay for the allocated gas whether taken or not, is now required to be enforced for all consumers, so that they are compelled to ask for a realistic allocation of gas and the surplus thus gained can be allocated to new consumers.

Annexure – I

(3) While finalizing the allocation, preference shall be given to those projects which will have greater spread effect in terms of economic activities, value addition. employment opportunities and downstream industries. Power being a basic ingredient for increasing agricultural production and industrial development as well as for giving a better quality of life to the people in the rural areas, allocation of gas for power projects will call for a definite preference.

Revival of gas based sick units where human and financial resources are already sunk in, is of prime importance. Requirement of additional gas for such units needs to be given due weightage.

(4) In view of more important alternative use of gas and the supply / demand gap, allocation of gas for use as fuel to new projects should get a low priority and to existing consumers needs an objective review.

